www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

স্কুল-কলেজত শিকা সকলো কথা পাহৰি যোৱাৰ পিছত যিখিনি কথা মনত থাকি যায় সেইখিনিয়েই হ'ল প্ৰকৃত শিক্ষা। — বি. এফ. স্কিনাৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৩৪ ❑ বৃহস্পতিবাৰ ❑ ২৬ ফেব্ৰুৱাৰী, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 134 ❑ Thursday ❑ 26th February, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

■ ব'হাগ বিহুৰ আগতেই ৰাজ্যত বিধানসভা নিৰ্বাচন ঃ মুখ্যমন্ত্ৰী ■

# ৪০টা সমষ্টিত বিজেপিৰ নতুন মুখ !

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ ৰণনীতি স্পষ্ট কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এক গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। তেওঁ জনাইছে যে ভাৰতীয় জনতা পাৰ্টীয়ে প্ৰায় ৪০টা সমষ্টিত নতুন মুখক প্ৰাৰ্থী হিচাপে আগবঢ়াব। লগতে তেওঁ ৰঙালী বিহুৰ আগতেই ৰাজ্যত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ পক্ষে মত প্ৰকাশ কৰিছে। যোৰহাটত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান কাৰ্যসূচীৰ সমান্তৰালভাৱে সংবাদ মাধ্যমৰ সৈতে হোৱা আলাপত ড° শৰ্মাই দলৰ নিৰ্বাচনী ৰোডমেপৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। তেওঁ কয় যে ৰাজ্যৰ মুঠ ১২৬টা সমষ্টিৰ ভিতৰত ১০৩টা সমষ্টিত বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰতাৰ অৱস্থান অতি সুদৃঢ়। বৰ্তমান বিধানসভাত বিজেপিৰ ❑ ৬ পৃষ্ঠাত



## জুবিন গাৰ্গৰ দুই দেহৰক্ষীৰ জামিন আবেদন পুনৰ নাকচ

**অসম বাৰ্তা, মহানগৰ, ২৫ ফেব্ৰুৱাৰী ঃ** প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ সৈতে জড়িত এক গুৰুত্বপূৰ্ণ বিকাশত ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতত তেওঁৰ দুই ব্যক্তিগত ❑ ৬ পৃষ্ঠাত



❑ নিৰ্বাচন ঘোষণা হোৱাৰ লগে-লগে কংগ্ৰেছৰ বহু ব্যক্তি বিজেপিলৈ আহিব ❑

## বিৰোধী দলপতিৰ পদ হেৰুৱাব কংগ্ৰেছে ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** অসমত ২০২৬ চনৰ বিধানসভা নিৰ্বাচন যিমানেই ওচৰ চাপি আহিছে, সিমানেই ৰাজনৈতিক নেতাসকলৰ মাজত মন্তব্য আৰু কটাক্ষ তীব্ৰতৰ হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৰহাটত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি সাংবাদিকৰ প্ৰশ্নৰ ❑ ৬ পৃষ্ঠাত



ঘটনাক গৰিহণা আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ

## দিল্লীত পুনৰ বৰ্ণ বৈষম্যৰ বলি উত্তৰ-পূবৰ যুৱতী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** দক্ষিণ দিল্লীৰ মালব্য নগৰ এলেকাত অৰুণাচল প্ৰদেশৰ তিনি- ❑ ৬ পৃষ্ঠাত

বিধায়ক তৰংগ গগৈৰ তীব্ৰ কটাক্ষ

## তিনি গগৈ কেৱল এটা ৰাজনৈতিক টেগলাইন

নিজৰ সন্তানটোকো আজিলৈকে গগৈ কৰি ৰাখিব নোৱাৰিলেগৌৰৱ গগৈয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ, নাহৰকটীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** অসমত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে, সিমানেই ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি গৰম হৈ পৰিছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলৰ মাজত বাকযুদ্ধ তীব্ৰতৰ হৈছে। ❑ ৬ পৃষ্ঠাত

অন্যান্য সকলো দলৰে আসন বুজাবুজি সম্পন্ন

## যিকোনো সময়তে ভংগ হ'ব কংগ্ৰেছ-ৰাইজৰ দলৰ মিত্ৰতা



**ষ্টাফ ৰিপ'ৰ্টাৰ, মহানগৰ, ২৫ ফেব্ৰুৱাৰী ঃ** ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে বিৰোধী দলসমূহৰ মাজত মিত্ৰতা গঠনৰ প্ৰচেষ্টা ক্ৰমান্বয়ে জটিলতাৰ সন্মুখীন হৈছে। ❑ ৬ পৃষ্ঠাত

আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ উচ্চ শিক্ষাৰ্থী ছাত্ৰ-সকলক বছৰি ১০ হাজাৰৰ পৰা ২০ হাজাৰ টকা সহায়

## আজি মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিব 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি'



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক নতুন দিশ যোগ কৰিবলৈ আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ হ'ব 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি'। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুৱা ১০ বজাত গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই আঁচনিৰ উদ্বোধন কৰিব। তেওঁ এই অনুষ্ঠানত মুখ্য ❑ ৬ পৃষ্ঠাত

আধুনিক অস্ত্ৰ-শস্ত্ৰ, অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ আৰু পৰিয়ালৰ বাবে ১০ হাজাৰ নতুন গৃহ নিৰ্মাণৰ পৰিকল্পনা

## ৰাজ্যত পুনৰ নতুনকৈ গঠন কৰা হ'ব কমাণ্ডো বাহিনীৰ ৫টা নতুন বেটেলিয়ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ অভ্যন্তৰীণ নিৰাপত্তা আৰু আৰক্ষী বাহিনীক অধিক শক্তিশালী আৰু আধুনিক কৰি তুলিবলৈ অসম চৰকাৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যত পুনৰ নতুনকৈ গঠন কৰা হ'ব বিশেষায়িত কমাণ্ডো বাহিনীৰ ৫টা নতুন বেটেলিয়ন। এই বেটেলিয়নসমূহক অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰশিক্ষণৰ সা-সুবিধাৰে সজ্জিত কৰা হ'ব। নতুনকৈ ❑ ৭ পৃষ্ঠাত

## আহমেদাবাদ বিমান দুৰ্ঘটনাৰ তদন্তত হস্তক্ষেপ নকৰাৰ সিদ্ধান্ত দিল্লী উচ্চ ন্যায়ালয়ৰ

জ্বালানী চুইচৰ তথ্য ৰাজহুৱা কৰাৰ আবেদন খাৰিজ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** দিল্লী উচ্চ ন্যায়ালয়ে আহমেদাবাদত যোৱা বছৰ জুন মাহত সংঘটিত হোৱা এয়াৰ ইণ্ডিয়াৰ ভয়াৱহ বিমান দুৰ্ঘটনাৰ তদন্তৰ এটা নিৰ্দিষ্ট দিশ ৰাজহুৱা কৰাৰ দাবীসহ ❑ ৬ পৃষ্ঠাত

শান্তিপূৰ্ণ নিৰ্বাচনৰ লক্ষ্যৰে নিষেধাজ্ঞা জাৰি

## অনুজ্ঞাপত্ৰ থকা সকলো অস্ত্ৰ-শস্ত্ৰ এসপ্তাহৰ ভিতৰত জমাৰ নিৰ্দেশ

❑ কামৰূপ মহানগৰ জিলা আয়ুক্তৰ নিৰ্দেশ ❑

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** ২০২৬ চনৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন অতি ওচৰত হোৱাৰ বাবে ৰাজ্যজুৰি নিৰ্বাচনী প্ৰস্তুতি তীব্ৰতৰ হৈ পৰিছে। নিৰ্বাচনী প্ৰক্ৰিয়া শান্তিপূৰ্ণ আৰু সুকলমে সম্পন্ন কৰাৰ লক্ষ্যৰে কামৰূপ মহানগৰ জিলা প্ৰশাসনে গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্ত ❑ ৬ পৃষ্ঠাত



■ যোৰহাটৰ টীয়ক কলিয়াপানীত নৱনিৰ্মিত ভৱন উদ্বোধন মুখ্যমন্ত্ৰীৰ ■

## উত্তৰ-পূৰ্বৰ প্ৰথমখন মহিলা বিশ্ববিদ্যালয়ৰ স্থায়ী ঠিকনা মুকলি



**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ২৫ ফেব্ৰুৱাৰী ঃ** অসমৰ মহিলা শিক্ষাৰ ক্ষেত্ৰত এক ঐতিহাসিক আৰু যুগান্তকাৰী পদক্ষেপ সংঘটিত হৈছে। যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত টীয়ক কলিয়াপানীত প্ৰায় ২৯ কোটি টকা ব্যয় কৰি ৫৮ বিঘা ভূমিত নিৰ্মিত অসম মহিলা বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত স্থায়ী ভৱনৰ উদ্বোধন কৰা হৈছে। বুধবাৰে ❑ ৬ পৃষ্ঠাত

## ভাৰত আৰু ইজৰাইলৰ মাজত দৃঢ় মিত্ৰতাৰ বাৰ্তা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বুধবাৰে ইজৰাইলৰ সংসদ (নেচেট)ত ঐতিহাসিক ভাষণ দি ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে এই সন্মান লাভ কৰিলে। ❑ ৬ পৃষ্ঠাত

## দিল্লীৰ নাম সলনি কৰি 'ইন্দ্ৰপ্ৰস্থ' কৰাৰ দাবী

কেৰালাৰ নাম সলনিৰ পাছতে বিজেপি সাংসদ প্ৰবীণ খাণ্ডেলৱালে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু দিল্লীৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় কেবিনেটে কেৰালা ৰাজ্যৰ নাম সলনি কৰি 'কেৰালাম' কৰাৰ প্ৰস্তাৱ অনুমোদন জনোৱাৰ পিছতে এতিয়া দেশৰ ৰাজধানী দিল্লীৰ নাম সলনি কৰাৰ দাবীও জোৰদাৰ হৈ ❑ ৬ পৃষ্ঠাত



# কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ

**অসম বাৰ্তা, ডিব্ৰুগড়, ২৫ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-নৃতত্ত্ব বিভাগৰ উদ্যোগত তথা গবেষণা আৰু উন্নয়ন কোষৰ সহযোগত ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত 'Population health and well-being in India with special reference to Northeast India (ISPHW-2026)' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনা চক্ৰখনিত উত্তৰ-পূব ভাৰতৰ লগতে সমগ্ৰ ভাৰত তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানব স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় বিভিন্ন দিশ ইয়াৰ বহনক্ষম উন্নয়নৰ লক্ষ্য (এচ ডি জি ৩) সম্পৰ্কীয় সকলো বিষয় আলোচনা হ'ব। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া আলোচনা চক্ৰখনিৰ উদ্বোধনী সভাত আদৰণী ভাষণ প্ৰদান কৰিব মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াই উদ্বোধন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখনিৰ বীজ ভাষণ প্ৰদান কৰিব কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ৰ এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকাই। উল্লেখ্য যে ড° ডেকাই আগবঢ়াবলগীয় উক্ত বক্তৃতাটি কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক মূৰব্বী ড° অৰুণ কুমাৰ দত্তৰ নামত উৎসৰ্গা কৰা হ'ব। আলোচনা চক্ৰখনিৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা গবেষণাৰ সাৰাংশ পুথি উন্মোচন কৰিব কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে। আলোচনা চক্ৰখনিৰ দুটা দিনৰ বিভিন্ন বৈঠকত দেশ-বিদেশক প্ৰতিনিধিত্ব কৰা কেইবাজনো গবেষকে সমল ব্যক্তি ৰূপে উপস্থিত থাকি গবেষণা পত্ৰ পাঠ কৰিব। অসম তথা দেশৰ বিভিন্ন ৰাজ্যৰ ১০০ জনৰো অধিক গবেষকে মানব স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় গবেষণা পত্ৰ পাঠ কৰিব। উক্ত আলোচনা চক্ৰখনিৰ বিভিন্ন বৈঠকত ক্ৰমে মুম্বাইৰ টাটা ইনষ্টিটিউট অব ছচিয়েল চাইঞ্চৰ অধ্যাপক ড° চন্দ্ৰ জ্যোতি সোণোৱাল, কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ ৰতন বন্দোপাধ্যায়, আৰ এম আৰ চি, ডিব্ৰুগড়ৰ প্ৰসিদ্ধ বিজ্ঞানী ডাঃ প্ৰশান্ত কুমাৰ বৰা, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰ অধ্যাপক ডাঃ হেমন্ত কুমাৰ দত্তই আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ শীৰ্ষক বিষয়ত নিৰ্ধাৰিত গৱেষণা পত্ৰ পাঠ কৰিব। আলোচনা চক্ৰখনিৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুবজ্যোতি ভূঞা। লগতে নৃতত্ত্ববিদ ড° সাৰ্থক সেনগুপ্তা, ড° ফৰিদা আহমেদ দাস, ড° দীপাঞ্জনা দত্ত দাস, ড° কল্যাণ বৰুৱাকে ধৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই আলোচনা চক্ৰখনি সাফল্যমণ্ডিত কৰিবলৈ উদ্যোক্তাসকলে সংশ্লিষ্ট সকলোৰে পৰা সহায়-সহযোগিতা কামনা কৰিছে।

# অভয়াপুৰীৰ ৰাজবাৰী পুখুৰী পাৰ্কত মুক্ত ব্যায়ামাগাৰ, বিশুদ্ধ খোৱা-পানীৰ প্ৰকল্প আৰু আধুনিক শৌচালয় উদ্বোধন



**অসম বাৰ্তা, অভয়াপুৰী, ২৫ ফেব্ৰুৱাৰী ঃ** আজি অভয়াপুৰী চহৰৰ ৰাজবাৰী পুখুৰী পাৰ্কত এটা মুক্ত ব্যায়ামাগাৰ, সমূহীয়া বিশুদ্ধ খোৱাপানীৰ প্ৰকল্প আৰু আধুনিক শৌচালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধন কৰে অসম চৰকাৰৰ মাননিয় মন্ত্ৰী তথা বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। অনুষ্ঠানত অভয়াপুৰী সম জিলা আয়ুক্ত শান্তা কাৰ্কী চেত্ৰী, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, স্থানীয় ৰাইজ, গণ্য-মান্য ব্যক্তি আৰু বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উৎসাহ-উদ্দীপনাময় পৰিৱেশত আয়োজিত অনুষ্ঠানটোত উপস্থিত লোকসকলৰ মাজত যথেষ্ট সঁহাৰি পৰিলক্ষিত হয়। সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজবাৰী পুখুৰী পাৰ্ক অভয়াপুৰীৰ এক প্ৰধান জনসমাগমস্থলী। ইয়াত মুক্ত ব্যায়ামাগাৰ স্থাপনৰ ফলত চহৰৰ যুৱ-প্ৰজন্ম, ক্ৰীড়াপ্ৰেমী লোকসকলৰ লগতে জ্যেষ্ঠ নাগৰিকসকলে নিয়মিতভাৱে ব্যায়াম কৰাৰ সুবিধা লাভ কৰিব। তেওঁ উল্লেখ কৰে যে এখন সুস্থ সমাজ গঢ়াৰ বাবে নিয়মীয়া ব্যায়াম অতি প্ৰয়োজনীয়। চৰকাৰে জনস্বাস্থ্য উন্নয়নক সদায় অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে আৰু ভৱিষ্যতেও এই ধাৰা অব্যাহত ৰাখিব বুলি তেওঁ কয়। নতুনকৈ স্থাপন কৰা মুক্ত ব্যায়ামাগাৰত একেলগে প্ৰায় ৩৫জন লোকে ব্যায়াম কৰিব পৰাৰ সুবিধা আছে। ইয়াত বিভিন্ন আধুনিক ব্যায়াম সঁজুলি সংযোজন কৰা হৈছে, যিবোৰ সকলো বয়সৰ লোকৰ বাবে উপযোগী। এই পদক্ষেপে নাগৰিকসকলক সুস্থ-সবল জীৱনধাৰণৰ দিশত আগুৱাই নিবলৈ সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হয়। তদুপৰি, পাৰ্কখনত ১০টা চিচি টিভি কেমেৰা সংস্থাপন কৰা হৈছে, যাৰ জৰিয়তে সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী হ'ব। ইয়াৰ লগতে স্থাপন কৰা সমূহীয়া বিশুদ্ধ খোৱাপানীৰ প্ৰকল্পটোৱে পাৰ্কলৈ অহা লোকসকলক বিশুদ্ধ পানীৰ সুবিধা প্ৰদান কৰিব। বিশেষকৈ গ্ৰীষ্মকালত ই যথেষ্ট সহায়ক হ'ব বুলি মন্তব্য কৰা হয়। আনহাতে, আধুনিক শৌচালয় নিৰ্মাণে পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰাৰ লগতে মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সুবিধা নিশ্চিত কৰিব বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে। উল্লেখ্য যে, এই উন্নয়নমূলক কাৰ্যসূচীৰ পিছতে মন্ত্ৰী গৰাকীয়ে অভয়াপুৰী চহৰৰ পাচদুৱাৰত এখন আধুনিক সুবিধাসম্পন্ন মডেল অংগনৱাড়ী কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। স্থানীয় ৰাইজে চৰকাৰৰ এই পদক্ষেপক আদৰণি জনাই সন্তোষ প্ৰকাশ কৰে।

# ৪ কোটি টকা ব্যয় সাপেক্ষে বৰপেটাৰোড পৌৰসভাৰ দ্বাৰাত নিৰ্মিত ৰবীন্দ্ৰ কুঞ্জ শুভ উন্মোচন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ



**অসম বাৰ্তা, বৰপেটাৰোড, ২৫ ফেব্ৰুৱাৰী ঃ** মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বৰপেটাৰোড পৌৰসভাৰ দ্বাৰা নিৰ্মিত ৰবীন্দ্ৰ কুঞ্জ শুভ উন্মোচন উন্মোচন কৰি সাংবাদিকৰ আগত কয় যে বৰপেটাৰোডত আগতে কেবাটাও সৰবৰোহ আছিলে তাৰ মাজতে এটা সৰবৰহ নামকৰণ কৰা হৈছিল কিন্তু অৱস্থা বহুত বেয়া আছিলে। বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰৰ নেতৃত্বত ৪ কোটি টকা ব্যয় সাপেক্ষে আটকধুনীয়া ৰবীন্দ্ৰ কুঞ্জ নিৰ্মাণ কৰা হৈছে। বৰপেটাৰোডৰ ৰবীন্দ্ৰ কুঞ্জত যিমানবোৰ সামগ্ৰী ব্যৱহাৰ কৰা হৈছে মই গুৱাহাটী বাদে কোনো সৰবৰহত দেখা পোৱা নাই। বৰপেটাৰোডৰ ৰাইজৰ সহায় সহযোগিতা আৰু বৰপেটাৰোড পৌৰসভাৰ উদ্যোগত নিৰ্মিত ৰবীন্দ্ৰ কুঞ্জ আজি উন্মোচন কৰি মই আপ্লুত হৈছো। পূৰ্বতে আমি বিষ্ণুজ্যোতি সৰবৰহ নিৰ্মাণ কৰিছিলোঁ। মহামহিম ৰাজ্যপাল যোৱা বছৰ উন্মোচন কৰিছিল। আজি বৰপেটাৰোড ৰাইজ কেন্দ্ৰীয় ৰবীন্দ্ৰ মঞ্চ আৰু পৌৰসভাৰ উপস্থিতত আজি মই ৰবীন্দ্ৰ কুঞ্জ শুভ উন্মোচন কৰিলোঁ। বৰপেটাৰোড পৌৰসভাক ধন সং ব্যৱহাৰ কৰাৰ বাবে ধন্যবাদ জনায় বৰপেটাৰোড সাহিত্য সভা, বিষ্ণুজ্যোতি সৰবৰহ আৰু লায়নচ ক্লাবৰ লগতে ফৰেষ্ট কলনি আৰু নামঘৰৰ ৰাস্তাত ওৱাৰ্কিং জ'ন কৰাৰ বাবে জনায়। আজি ৰবীন্দ্ৰ কুঞ্জ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ সৈতে উপস্থিত থাকে কেন্দ্ৰীয় ৰবীন্দ্ৰ মঞ্চৰ বিষয়ববীয়া সকল আৰু বৰপেটাৰোড পৌৰসভাৰ সমূহ বিষয়ববীয়া সকলৰ লগতে বৰপেটাৰোডৰ ৰাইজ।

# চেঙাত শ্ৰীশ্ৰীদেৱদামোদৰ গুৰুৰ ৫৩৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপনৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, দৌলাশাল, ২৫ ফেব্ৰুৱাৰী ঃ** অসমত সত্ৰৰ প্ৰতিষ্ঠাপক বৈদিক ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক আৰু প্ৰচাৰক শ্ৰীশ্ৰীদেৱদামোদৰ গুৰুৰ ৫৩৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে চেঙা আঞ্চলিক দেৱদামোদৰ সংঘৰ উদ্যোগত অহা ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত চেঙাস্থিত শ্ৰীশ্ৰীদেৱদামোদৰ সত্ৰত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ২৬ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৫: ৩০ বজাত অখণ্ড বন্তি প্ৰজ্বলন আৰু ভোগঠগী স্থাপন কৰা হ'ব। বন্তি প্ৰজ্বলন কৰিব বান্দালী সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰনাথ গোস্বামীয়ে। ২৭ ফেব্ৰুৱাৰীৰ পুৱা ৮ বজাত সদৌ অসম দেৱদামোদৰ সংঘৰ পতাকা উত্তোলন কৰিব চেঙা আঞ্চলিক দেৱদামোদৰ সংঘৰ সভাপতি হৰেন্দ্ৰ নাথ পাঠকে। পুৱা ৮: ১০ বজাত আৰম্ভ হ'বলগীয়া ভাগৱত ভ্ৰমণত ভাগৱত ধাৰণ কৰিব বৰপেটা জিলা দেৱদামোদৰ সংঘৰ উপ সভাপতি দিলীপ কুমাৰ বৰ্মাই। পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া ভাগৱত পাঠ অনুষ্ঠানত অংশগ্ৰহণ কৰিব চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজ আৰু বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰই। ভাগৱত পাঠ কৰিব চেঙা আঞ্চলিক দেৱদামোদৰ সংঘৰ উপদেষ্টা সাগৰ চন্দ্ৰ বায়নে। দিনৰ ১১ বজাত বৰপেটা জিলা দেৱদামোদৰ সংঘৰ উপদেষ্টা সত্যেন্দ্ৰনাথ পাঠকৰ সঞ্চালনাত অনুষ্ঠিত হ'ব আলোচনা চক্ৰ। আলোচনা চক্ৰত আলোচক হিচাপে উপস্থিত থাকিব বৰপেটা জিলা দেৱদামোদৰ সংঘৰ সভাপতি উদয় চন্দ্ৰ তালুকদাৰ। আলোচনা চক্ৰত গুৰুদেৱৰ জীৱন ভিত্তিক ৰচনা পাঠ কৰা হ'ব। দুপৰীয়া ১ বজাত স্থানীয় মহিলাৰ দলে থিয়নাম পৰিৱেশন কৰিব। সন্ধিয়া ৫: ৩০ বজাত বন্তি প্ৰজ্বলন কৰিব বৰপেটা জিলা দেৱদামোদৰ সংঘৰ কাৰ্যনিৰ্বাহক সদস্য হৰকুমাৰ তালুকদাৰে। সন্ধিয়া ৫: ৪০ বজাত সান্ধ্য-প্ৰসংগ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত পতাকা অৱনমন কৰা হ'ব। উক্ত অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচীতেই ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে চেঙা আঞ্চলিক দেৱদামোদৰ সংঘৰ সভাপতি হৰেন্দ্ৰ নাথ পাঠক আৰু সম্পাদক ফণিধৰ বায়নে।

# ৰূপহীহাটত দুৰ্ঘটনাগ্ৰস্ত আৰক্ষী জোৱানৰ মৃত্যু

**অসম বাৰ্তা, ৰূপহীহাট, ২৫ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ আৰক্ষী জোৱান আবুল কালামৰ পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হোৱাৰ পাছত আজি তেওঁৰ মৃত্যু ঘটে। ৰূপহীহাট থানাৰ পৰা চাৰিদিন পূৰ্বে বদলি হৈ যোৱা জোৱানজন পুৰণিগুদামলৈ যোগদান কৰিবলৈ যোৱা পথতে ডাম্পাৰে খুন্দিয়াই গুৰুতৰভাৱে আহত কৰিছিল। নগাঁও টাউনত দুৰ্ঘটনাত পতিত হোৱা আবুল কালামক অতি সংকটজনক অৱস্থাত পাটনাৰ এখন হস্পিতালত ভৰ্তি কৰোৱা হৈছিল। আজি পাটনাত চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। ৰূপহীহাট থানাৰ পৰা বদলি হৈ যোৱাৰ পথতে দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যু হোৱা আবুল কালামৰ ঘৰ চামগুৰিৰ কনুৱামাৰীত। জোৱানজনৰ মৃত্যুত ৰূপহীহাট আৰক্ষী থানাৰ সতীৰ্থসকলো শোকস্তব্ধ হৈ পৰা দেখা যায়।

**আঠটাকৈ জনজাতীয় সংগঠনৰ হুংকাৰ**

# শালিকীত ক'লা হীৰাৰ মুক্ত খননক লৈ উত্তেজনা

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৫ ফেব্ৰুৱাৰী ঃ** যোৱা ১০ ফ্ৰেব্ৰুৱাৰী ২০২৬ তাৰিত তিনিচুকীয়া জিলাৰ লিডু স্থিত উত্তৰ-পূব কয়লাক্ষেত্ৰ (NEC), ক'ল ইণ্ডিয়া লিমিটেডৰ অধীনস্থ টিৰাপ মুক্ত খনন প্ৰকল্প (Tirap OCP) পুনৰ আৰম্ভ কৰাৰ দিশে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি লিডু কলিয়ৰী গাঁও পঞ্চায়ত কাৰ্যলয়ৰ চৌহদত পঞ্চায়ত সভানেত্ৰী তথা বন অধিকাৰ সমিতিৰ সভানেত্ৰী দিব্য গগৈৰ সভাপতিত্বত এক বিশেষ সভা অনুষ্ঠিত কৰিছিল। এই সভাত উত্তৰ-পূব কয়লাক্ষেত্ৰই শালিকি সংৰক্ষিত বনক্ষেত্ৰৰ ৪০.২৮ হেক্টৰ ভূমি ব্যৱহাৰৰ বিপৰীতে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ পৰা চূড়ান্ত অনুমোদন লাভৰ বাবে প্ৰক্ৰিয়া চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এনে পদক্ষেপত ট্ৰাইবেল্ট বেল্ট এলেকাধীন বন অধিকাৰ আইন (FRA 2006): 'অনুসূচীত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বনবাসী (বন অধিকাৰ স্বীকৃতি) আইন ২০০৬' অনুসৰি প্ৰকল্পটোৱে জনজাতি লোকসকলক কিদৰে সংৰক্ষণ কৰিব এই সন্দৰ্ভত জানজাতীয় সংগঠন সমূহৰ লগত আলোচনা নকৰাকৈ সিদ্ধান্ত লোৱাত জনজাতীয় সংগঠন সমূহ এতিয়া গৰজী উঠিছে। সংগঠন সমূহে সংবাদ মেল যোগে উল্লেখ কৰে যে ১৯৪৩ চনত ব্ৰিটিছ ঔপনিৱেশিক কালত চিংফৌ, চেমা (ছুমি), টাংছা, মান টাই স্পীকিং সম্প্ৰদায়ৰ দৰে খিলঞ্জীয়া আদিবাসী জনজাতি সম্প্ৰদায়ক সুৰক্ষা দিবলৈ মাৰ্ঘেৰিটাত মুখ্য কাৰ্যালয় থকা টিৰাপ ফ্ৰণ্টিয়াৰ ট্ৰেকৰ সৃষ্টি কৰা হৈছিল। ভাৰত স্বাধীনতাৰ পিছত অসম চৰকাৰে খিলঞ্জীয়া জনজাতীয় জনগোষ্ঠীৰ ভূমি, সংস্কৃতি, অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যেৰে ১৯৫১ চনৰ ১৩ মাৰ্চ তাৰিখৰ অধিসূচনা নং TAD/R73/50/43 vide Notification No. TAD/R73/50/43 vide Tirap Tribal Belt হিচাপে আনুষ্ঠানিকভাৱে অধিসূচনা কৰে। খিলঞ্জীয়াৰ অধিকাৰ উলংঘন কৰি উপযুক্ত আলোচনা অবিহনে একপক্ষয় পদক্ষেপে ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ ঘোষণা (UNDRIP) উলংঘন কৰাৰ সমান বুলি গুৰুত্বৰ অভিযোগ উত্থাপিত কৰে। ইউ এন ডি আৰ আইপিৰ ২৯ নং অনুচ্ছেদ অনুসৰি খিলঞ্জীয়া লোকসকলৰ পৰিৱেশ সংৰক্ষণ, সুৰক্ষা আৰু নিজৰ মাটি, ভূখণ্ড আৰু সম্পদৰ উৎপাদন ক্ষমতাৰ অধিকাৰ আছে। ৰাষ্ট্ৰসমূহে এনে সুৰক্ষাৰ বাবে বৈষম্যহীনভাৱে সহায় কাৰ্যসূচী স্থাপন আৰু ৰূপায়ণ কৰিবলৈ বাধ্য। তেনে ক্ষেত্ৰত ঐতিহাসিক শালিকী গাঁৱৰ ৰাইজৰ সৈতে কোনো আলোচনা নকৰাকৈয়ে উত্তৰ পূৱ কয়লাক্ষেত্ৰই খননৰ কাম আগবঢ়াইছে। সংগঠনকেইটাৰ অভিযোগ অনুসৰি, গাঁৱৰ ৰাইজক আন্ধাৰত ৰাখি টিৰাপ কলিয়ৰী পঞ্চায়তৰ জৰিয়তে অতি কৌশলেৰে আপত্তিবিহীন প্ৰমাণ পত্ৰ (NOC) সংগ্ৰহ কৰা হৈছে। যদিহে নিয়ম উলংঘন কৰি মই মতালিৰে এই খনন কাৰ্য চলোৱা হয়, তেন্তে স্থানীয় ৰাইজ আৰু সংগঠনসমূহে ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হ'ব বুলি সংবাদ মেলৰ যোগেদি সকীয়াই দিয়াৰ উপৰিয়ো এই কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰে। সদৌ অসম চেমা নগা পৰিষদ, সদৌ অসম টাংছা ছাত্ৰ সন্থা, পান চিংফৌ ছাত্ৰ সন্থা, সদৌ মান তাই ভাষী ছাত্ৰ সন্থা, সদৌ অসম মেচ কছাৰী ছাত্ৰ সন্থাকে ধৰি মুঠ আঠটা কৈ জনজাতীয় সংগঠনে এই সংবাদ মেলখনত উপস্থিত থাকে।

# গোলাঘাটৰ পুৰণা আমোলাপট্টিৰ পুখুৰীত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৫ ফেব্ৰুৱাৰী ঃ** গোলাঘাটৰ পুৰণা আমোলাপট্টি অঞ্চলৰ এটা পুখুৰীৰ পৰা আজি পুৱাই এটা অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ খবৰে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। স্থানীয় লোকে পুখুৰীত মৃতদেহটো দেখা পাই তৎক্ষণাৎ আৰক্ষীক খবৰ দিয়ে আৰু খবৰ পোৱাৰ পিছতেই গোলাঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। বৰ্তমানলৈকে মৃত ব্যক্তিজনক চিনাক্তকৰণ কৰিব পৰা হোৱা নাই বুলি আৰক্ষীয়ে জানিবলৈ দিছে। আৰক্ষীয়ে জনোৱা মতে, মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে লগতে ঘটনাটোৰ সৈতে কোনো অপৰাধমূলক দিশ জড়িত হৈ আছে নে নাই, সেই সন্দৰ্ভতো তদন্ত আৰম্ভ কৰা হৈছে। ঘটনাক লৈ স্থানীয় ৰাইজৰ মাজত উৎকণ্ঠাই বিৰাজ কৰিছে। আৰক্ষীয়ে মৃত ব্যক্তিজনৰ পৰিচয় চিনাক্ত কৰাৰ বাবে সাধাৰণ লোকৰ সহায় বিচৰাৰ লগতে কিবা সম্ভেদ পালে আৰক্ষীক যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# নাওজান দামোদৰ গাঁৱত মৃত নৱজাতক উদ্ধাৰ

**অসম বাৰ্তা, চুঙাজান, ২৫ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত নাওজানত আজি দুপৰীয়া এটি মৃত নৱজাতকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্য সৃষ্টি কৰিছে। নাওজানৰ দামোদৰ গাঁৱৰ এটি পথত থকা পুলৰ ভিতৰত উক্ত মৃত নৱজাতকটি উদ্ধাৰ কৰাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে খেলি থকা কেইজনমান উক্ত মৃত দেহটো প্ৰত্যক্ষ কৰাৰ পিছত স্থানীয় লোকে নাওজান আৰক্ষী চকীত খবৰ দিয়াত খবৰৰ ভিত্তিত নাওজান আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। মানৱ সমাজক লজ্জানত কৰা এনে ঘটনা কোনে কিয় সংঘটিত কৰিলে বাতৰি লিখাৰ সময়লৈকে একো তথ্য লাভ কৰা নাই। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি প্ৰকাশ।

# মাকুম দৈনিক বজাৰত ডাম্পাৰ দুৰ্ঘটনাগ্ৰস্ত

**অসম বাৰ্তা, মাকুম, ২৫ ফেব্ৰুৱাৰী ঃ** আজি পুৱাৰ ভাগত মাকুম দৈনিক বজাৰৰ মোডী ট্ৰেডাৰ্ছ দোকানৰ সমীপত এখন শিলগুটি ভৰ্তি ডাম্পাৰ দুৰ্ঘটনাগ্ৰস্ত হয়। বজাৰ খনৰ এটা সৰু পথত এ এচ ২২ এ চি ০৭৩১নম্বৰৰ এখন প্ৰকাণ্ড ডাম্পাৰ খনে ড্ৰেন ভাঙি নলাত সোমাই পৰাৰ ফলত উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত চালক আৰু হেণ্ডিমেনৰ কোনো আঘাতপ্ৰাপ্ত হোৱা নাই যদিও ডাম্পাৰখন নলাত সোমাই পৰি নলাৰ কাষত থকা এখন ৰেলিং ক্ষতিগ্ৰস্ত কৰে। ঘটনা স্থলীৰ পৰা ডাম্পাৰ চালকজন পলায়ন কৰে যদিও হেণ্ডিমেন জনৰ ভাষ্য অনুসৰি অৰুণাচল প্ৰদেশ ৰইঙৰ পৰা মাকুমৰ মূলচান্দ নামৰ ব্যৱসায়ী প্ৰতিষ্ঠান খনলৈ শিলগুটি আনি থকা অৱস্থাত ঘটনাটো সংঘটিত হয়। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে মাকুম পৌৰসভা আৰু আৰক্ষীৰ লোক উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে বাহনখন উদ্ধাৰ কৰে। ডাম্পাৰখন দুৰ্ঘটনা হোৱাৰ ফলত পথটো বন্ধ হৈ পৰাত ৰাইজৰ যথেষ্ট অসুবিধা সৃষ্টি হোৱা পৰিলক্ষিত হয়। এটা সৰু পথত এখন প্ৰকাণ্ড ডাম্পাৰ প্ৰৱেশ কৰিবলৈ অনুমতি প্ৰদান কৰাকলৈ স্থানীয় ৰাইজ ক্ষোভিত হৈ পৰে।

# বেদখলমুক্ত কৰা হ'ল দলগাঁৱৰ কছাৰিপাৰা জংঘল গাঁৱৰ শ্মশানৰ ভূমি

**অসম বাৰ্তা, লগাঁও, ২৫ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ দলগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত কছাৰিপাৰা জংঘল গাঁৱত বছৰ বছৰ ধৰি বেদখল হৈ থকা শ্মশানৰ ভূমি মুক্ত কৰি দিয়ে দলগাঁও ৰাজহ চক্ৰ বিষয়া মানস জ্যোতি বৰাই। গাঁওবাসীৰ সজাগতা আৰু প্ৰশাসনৰ ক্ষিপ্ৰ পদক্ষেপৰ ফলত একেদিনাই এই সফলতা লাভ কৰিবলৈ সক্ষম হয়। কছাৰিপাৰা জংঘল গাঁৱৰ ৰাজহুৱা শ্মশানৰ ভূমি একাংশ লোকে দীৰ্ঘদিন ধৰি অবৈধভাৱে দখল কৰি ৰাখিছিল। যাৰ ফলত স্থানীয় ৰাইজে বিভিন্ন সময়ত সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। গাঁৱৰ সচেতন ৰাইজে একগোট হৈ এই সন্দৰ্ভত দলগাঁও ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ৰাইজে অভিযোগ দিয়াৰ পিছত দলগাঁও ৰাজহ চক্ৰ বিষয়া মানস জ্যোতি বৰাই কাৰ্যালয়ে তৎকালিনভাৱে ব্যৱস্থা গ্ৰহণ কৰে। অভিযোগ লাভ কৰাৰ পিছত বিভাগীয় কৰ্তৃপক্ষই স্থানত উপস্থিত হৈ বেদখলকাৰীৰ কবলৰ পৰা শ্মশানৰ মাটিখিনি মুকলাই দিয়ে। প্ৰশাসনৰ এই পদক্ষেপক কছাৰিপাৰা জংঘল গাঁৱৰ ৰাইজে ধন্যবাদ ধন্যবাদ জনাইছে।

# দোতমাত হাগ্ৰামা মহিলাৰীৰ নিৰ্বাচনৰ আগতে দিয়া পাঁচটা গেৰাণ্টি পূৰণ



**অসম বাৰ্তা, দোতমা, ২৫ ফেব্ৰুৱাৰী ঃ** যোৱা নিৰ্বাচনৰ পূৰ্বে দিয়া পাঁচটা গেৰাণ্টিক আখৰে আখৰে পালন কৰি পুনৰ চৰ্চালৈ আহিছে বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী। নিৰ্বাচনৰ আগত জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি মাত্ৰ চাৰি মাহৰ ভিতৰতে ৰূপায়ণ কৰি আজি দোতমাত বিটিচিৰ শিক্ষা বিভাগৰ কাৰ্যবাহী পাৰিষদ ৰবিৰাম নাৰ্জাৰী, স্বাস্থ্য বিভাগৰ কাৰ্যবাহী পাৰিষদ দেৰহাসাদ বসুমাতাৰী, সমাজকল্যাণ বিভাগৰ কাৰ্যবাহী পাৰিষদ প্ৰকাশ বসুমাতাৰীৰ উপস্থিতিত এক বিশাল চেক বিতৰণ অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠাখনত বিটিচি চৰকাৰৰ জৰিয়তে ভূমিহীন ব্যক্তিসকলক ভূমি পাট্টা প্ৰদান কৰা হয়। ইয়াৰ উপৰি ৭৪১টা আত্মসহায়ক গোটক ১৫ হাজাৰকৈ টকাৰ চেক প্ৰদান কৰা হয়। বৃদ্ধ ব্যক্তিসকলক ১০ হাজাৰকৈ টকা আৰু বিশেষভাৱে সক্ষম ব্যক্তিসকলকো ১০ হাজাৰকৈ টকাৰ চেক প্ৰদান কৰা হয়। ইয়াৰ উপৰিও বেকাৰ যুৱকসকলক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে ব্যৱসায় কৰাৰ বাবে ২ লাখকৈ টকাৰ আৰ্থিক সহায় আগবঢ়ায়। ১২৫০জন আৰ্থিকভাৱে অক্ষম ব্যক্তিক ১০ হাজাৰকৈ টকাৰ চেক প্ৰদান কৰে। এই কাৰ্যসূচীৰ জৰিয়তে বিটিচি অঞ্চলত হাগ্ৰামা মহিলাৰীৰ দ্বাৰা উন্নয়নৰ নতুন দিশ উন্মোচিত হোৱাৰ আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।

**AFFIDAVIT**

My actual and correct name is DULUBALA DAS which is recorded in my all relevant papers and documents including in Aadhaar card vide no 823301268502 PAN Card vide no GQGPD7943P But due to bonafide mistake my name has been wrongly recordeding my Bank pass book of Assam Gramin Vikash Bank vide A/C no 71500100010601 Lakhiganj branch as DULABALA DAS in place of DULUBALA DAS.

DULUBALA DAS
W/O- Lt Pintu Das
Village- Barshi pt 1
P.O- Lakhiganj Bazar
P.S.- Bilasipara
Dist Dhubri. 783348.

AB-20/2026

# ১ মাৰ্চত খটৰা সত্ৰত সদৌ অসম বৈশ্য সন্মিলনীৰ ৰাজহুৱা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ টংলা, ২৫ ফেব্ৰুৱাৰী ঃ** অহা ১ মাৰ্চ তাৰিখ দেওবাৰে দৰং জিলাৰ ঐতিহাসিক খটৰা সত্ৰত 'সদৌ অসম বৈশ্য সন্মিলনী'ৰ এখন বিশেষ ৰাজহুৱা সভা অনুষ্ঠিত হ'ব। দৰং জিলা বৈশ্য সন্মিলনীৰ আহ্বান মৰ্মে অনুষ্ঠিত হ'ব্লকগীয়া উক্ত সভাতেই সদৌ অসম বৈশ্য সন্মিলনীৰ নতুন ৰাজ্যিক সমিটীখন গঠন কৰা হ'ব। উল্লেখযোগ্য যে, সদৌ অসম বৈশ্য সন্মিলনী ৰাজ্যৰ এটা শতিকা-পুৰণি বৃহৎ অনুষ্ঠান। ১৯২০ চনতেই অনুষ্ঠানটিৰ জন্ম হৈছিল বস্ত্ৰনগৰী শুৱালকুচিত। বিগত সময়চোৱাত বিভিন্ন এৰাব নোৱৰা কাৰণত অনুষ্ঠানটিৰ কাম-কাজ কিছু পৰিমাণে স্থবিৰ হৈ পৰিছিল। সেই স্থবিৰতা দূৰ কৰি অনুষ্ঠানটি পুনৰ সক্ৰিয় কৰাৰ উদ্দেশ্যে উক্ত সভাখন অনুষ্ঠিত কৰা হৈছে বুলি আহ্বায়াক মণ্ডলীৰ হৈ মুনিন্দ্ৰ বৈশ্যাই জানিবলৈ দিছে। দিনৰ ১০ বজাত আৰম্ভ হ'বলগীয়া সভাখনত সভাপতিত্ব কৰি দৰং জিলা বৈশ্য সন্মিলনীৰ প্ৰাক্তন সভাপতি তথা উতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যাপক হৰেশ্বৰ বৈশ্যই। শিক্ষাবিদ ড° দীনেশ বৈশ্য আৰু পৰেশ বৈশ্য, প্ৰথিতযশা শিল্পী ৰাণু বৈশ্য, সাহিত্যিক বকুলি বৈশ্য, অৱসৰী আৰক্ষী অধীক্ষক কৃষ্ণকান্ত বৈশ্য, সাংবাদিক ৰাজকুমাৰ বৈশ্য, কেৰিয়াৰ কাউন্সিলাৰ আৰু কুইজ মাষ্টাৰ শৈলেন বৈশ্যকে প্ৰমুখ্যে কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে সভাখনত অংশগ্ৰহণ কৰিব। প্ৰায় চাৰি শতাধিক লোকে অংশগ্ৰহণ কৰিবলগীয়া সভাখনলৈ বৈশ্য জাতিৰ সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে আহ্বায়ক মণ্ডলীয়ে।

❑ সৰুপথাৰৰ টেঙানী অঞ্চলৰ এক জ্বলন্ত সমস্যা ❑

# ৪২খন গাঁৱৰ ৰাইজৰ যাতায়তত অতিক্ৰম কৰে এটা ৰে'ল ক্ৰছিং



**অসম বাৰ্তা, সৰুপথাৰ, ২৫ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত ১০৭ নং সৰুপথাৰ বিধানসভা সমষ্টিৰ এক অতি গুৰুত্বপূৰ্ণ তথা অঞ্চল হ'ল টেঙানী। টেঙানী পঞ্চায়তৰ অধীনত থকা প্ৰায় ৪২খন গাঁৱৰ হাজাৰ হাজাৰ লোকৰ দৈনন্দিন যাতায়তৰ কৰা অঞ্চলৰ মূল পথটো। টেঙানীৰ খকনগুৰি হৈ গোলাঘাট চহৰলৈ সংযোগ স্থাপন কৰা এই পথটোৰে নিতৌ শতাধিক যান-বাহন চলাচল কৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে, অঞ্চলটোৰ উন্নয়নৰ এই যাত্ৰাত এক মৰণফাণ্ড হৈ থিয় দিছে পথটোৰ মাজত থকা খকনগুৰি গাঁৱৰ এটা ৰে'ল পথ (Railway Crossing)। টেঙানীৰ খকনগুৰি গাঁৱৰ মূল পথত থকা ৰেল ক্ৰছিংটোত কোনো ৰেলৱে বিভাগৰ ৰে'লগেটৰ ব্যৱস্থা নাই। ইয়াৰ ফলত যাতায়তৰ সময়ত অঞ্চলটোৰ ৰাইজ সদায়ে এক অনিশ্চয়তা আৰু ভয়ৰ মাজত অতিবাহিত কৰিবলগীয়া হয়। বিগত সময়ছোৱাত এই স্থানত কেইবাটাও ৰে'লৰ খুন্দাত শোকাৱহ দুৰ্ঘটনা সংঘটিত হৈছে। এই দুৰ্ঘটনাসমূহত বিদ্যালয়ৰ ছাত্ৰীকে ধৰি কেইবাজনো নিৰীহ লোকে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হৈছে বুলি গেট পৰিচালনাৰ ব্যক্তিয়ে মন্তব্য কৰি কয়। এই দুৰ্ঘটনাৰ পাছত ৰেলৱে বিভাগে পথটো বন্ধ কৰি দিছিল যদিও জনসাধাৰণৰ প্ৰয়োজন আৰু বিভাগৰ সৈতে হোৱা বুজাবুজিৰ পাছত পথটো পুনৰ মুকলি কৰা হয় বুলিও জানিবলৈ দিয়ে। ৰেলৱে বিভাগৰ তথা চৰকাৰৰ অৱহেলাৰ মাজতে নিজৰ সুৰক্ষা নিশ্চিত কৰিবলৈ টেঙানীৰ ৰাইজে এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। বিগত তিনি বছৰ ধৰি স্থানীয় ৰাইজে এখন সমিতি গঠন কৰি নিজা প্ৰচেষ্টাৰে উক্ত স্থানত এটা গেটৰ ব্যৱস্থা কৰিছে। সমিতিখনৰ লোকসকলে গেটখনত ২৪ ঘণ্টীয়া পহৰা দিয়ে। ৪২খন গাঁৱৰ ৰাইজৰ শিক্ষা, স্বাস্থ্য আৰু ব্যৱসায়-বাণিজ্য ইত্যাদি যাতায়তৰ সুবিধা হোৱাকৈ সমিতিৰ দ্বাৰা নিয়োজিত লোকে দিনে-নিশাই ইয়াত চোৱা-চিতা কৰে। গেটৰ দায়িত্বত থকা লোকসকলৰ সামান্য অসাৱধানতাত যিকোনো মুহূৰ্তত ডাঙৰ বিপদ ঘটাৰ সম্ভাৱনা থাকে। উল্লেখযোগ্য যে My Train App চাই তেওঁলোকে গেটখন পৰিচালনা কৰে। মোবাইল এপযোগে যাত্ৰীবাহী ট্ৰেইনৰ Location চাই নিৰ্দিষ্ট সময়ত গেটখন বন্ধ কৰি দিয়ে। তাৎপৰ্যপূৰ্ণ বিষয়টো হৈছো মালবাহী ট্ৰেইন, ট্ৰেইনৰ ইঞ্জিন আহিলে তেওঁলোকে Location নাপায় বুলি মন্তব্য কৰিছে। ট্ৰেইনৰ হৰ্ণ শুনিলেই হঠাৎ যাত্ৰীৰ বাহন ৰখাই দিবলগীয়া হয়। খনকনগুৰি গাঁৱত অৱস্থিত গেটখনৰ এফালে জামুগুৰী ৰে'লৱে ষ্টেচন, আনফালে বিলগাওঁ ৰেলৱে ষ্টেচন। তাৰ মাজতেই অৱস্থিত এই গেটখন। যিখন গেট বিগত তিনি বছৰেই সমিতিখনৰ লোকে পৰিচালনা কৰি আহিছে। একবিংশ শতিকাৰ আধুনিক সমাজত যাতায়তৰ নিৰাপত্তা মৌলিক অধিকাৰৰ দৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু সাধাৰণ পথচাৰীৰ জীৱনক এনেদৰে অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়াটো অত্যন্ত দুৰ্ভাগ্যজনক। টেঙানীৰ ৪২খন গাঁৱৰ ৰাইজৰ এই দীৰ্ঘদিনীয়া সমস্যাটো সমাধানৰ বাবে ৰেলৱে বিভাগ তথা সংশিষ্ট কৰ্তৃপক্ষক উক্ত স্থানত এখন স্থায়ী ৰে'লগেট স্থাপন কৰিবলৈ সমিতিখনে স্মাৰক পত্ৰ প্ৰেৰণ কৰি আহিছে। ৰাইজেও অতি শীঘ্ৰে ইয়াত এক স্থায়ী সমাধানৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ তথা ৰে'লৱে বিভাগক আহ্বান জনাইছে।

# ৰাইডঙীয়াত কৃষকৰ মাজত "নুমলী" ধানৰ বীজ বিতৰণ কাৰ্যসূচী

**অসম বাৰ্তা, বটদ্ৰৱা, ২৫ ফেব্ৰুৱাৰী ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ মাণ্ডলিক গৱেষণা কেন্দ্ৰ, চিলঙনীত চলি থকা সৰ্বভাৰতীয় সমন্বিত ঘেহুঁ আৰু বাৰ্লি প্ৰকল্পৰ অধীনত আজি নগাঁও জিলাৰ ৰাইডঙীয়াত কৃষকৰ মাজত "নুমলী" শীৰ্ষক কম সময়ত, কম খৰচত, বৃহৎ উৎপাদনক্ষম, উন্নত প্ৰজাতিৰ ধানৰ বীজ আৰু আনুসাংগিক তথা যাৱতীয়, সাৰ, ঔষধ-পাতি যোগান কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। সৰ্বভাৰতীয় ঘেহুঁ আৰু বাৰ্লি গৱেষণা প্ৰতিষ্ঠান, 'কাৰ্ণাল হাৰিয়ানা'ই প্ৰদান কৰা উত্তৰ-পূৰ্বাঞ্চলৰ অনুদান কাৰ্যসূচীৰ এই অনুষ্ঠানত উপস্থিত থাকি মাণ্ডলিক গৱেষণা কেন্দ্ৰ চিলঙনীৰ মুখ্য বিজ্ঞানী ড° হিৰণ্য কুমাৰ বৰাই "ঘেঁহু খেতি সম্প্ৰসাৰণৰ বাবে কৃষকক উৎসাহ দিবলৈ পূৰ্বৰ পৰা আৰু ভৱিষ্যতৰ দিনত এই প্ৰকল্পৰ অধীনত বহু কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সকলো কৃষক আগবঢ়ি আহিলে আমি সৰ্বতোপ্ৰকাৰে সহায় সহযোগিতা আগবঢ়াবলৈ মন মেলিছো। যিহেতু শালিধান চপোৱাৰ পাছত আমি ঘেহু খেতি সোনকালে আৰম্ভ কৰিব লাগে, সেই বাবে এই অঞ্চলত চলি থকা পৰম্পৰাগত ৰঞ্জিত ধানৰ বিপৰীতে ১৩০ দিনতে চপাব পৰা "নুমলী" ধানৰ খেতি কৰিবলৈ আজি কৃষকক ধানৰ বীজ বিতৰন কাৰ্যসূচী আৰম্ভ কৰা হৈছে।" বুলি প্ৰকাশ কৰাৰ লগতে ড° হিৰণ্য কুমাৰ বৰাই বীজ তথা অন্যান্য সামগ্ৰীৰ জৰিয়তে কৃষকক বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়ে। শস্য ডৰাত ৰোগ বা কোনো সমস্যা দেখা দিলে বিজ্ঞানীসকলৰ সৈতে যোগাযোগ কৰিবলৈ কৃষকক আহ্বান জনায়। প্ৰকল্পটিৰ প্ৰধান তদন্তকাৰী (PI) বিজ্ঞানী ড° পদ্মিনী দাসে আঁত ধৰা অনুষ্ঠানটিত উপস্থিত থাকি সৰ্বভাৰতীয় ঘেহুঁ আৰু বাৰ্লি গৱেষণা প্ৰতিষ্ঠান, 'কাৰ্ণাল হাৰিয়ানাৰ প্ৰধান বিজ্ঞানী ড° সতীশ কুমাৰে "ধানৰ পিছতেই ঘেঁহু অসমৰ অন্য এক প্ৰধান খাদ্য শস্য। ঘেঁহু উৎপাদনৰ বাবে উপযুক্ত অধিক উৎপাদনক্ষম জাতৰ ব্যৱহাৰ, জলসিঞ্চনৰ সুবিধা আৰু অন্যান্য কাৰিকৰী কৌশল অৱলম্বনৰ জৰিয়তে অসমৰ ঘেঁহু খেতি কৰা কৃষিভূমিৰ সম্প্ৰসাৰণ আৰু উৎপাদন বৃদ্ধিৰ যথেষ্ট সম্ভাৱনা আছে।" বুলি মন্তব্য কৰে। অনুষ্ঠানটিত শস্য বিজ্ঞান বিভাগৰ বিজ্ঞানী ড° জ্যোতিৰেখা হাজৰিকাই ঘেহুঁৰ খেতিৰ পূৰ্বে নুমলী ধানৰ খেতি কৰি কিদৰে কৃষক সকল উপকৃত হব পাৰিব, তাৰ বিশ্লেষণ কৰে। সৰ্বভাৰতীয় ঘেহুঁ আৰু বাৰ্লি গৱেষণা প্ৰতিষ্ঠান, 'কাৰ্ণাল হাৰিয়ানাৰ জেষ্ঠ বিজ্ঞানী ড° নীৰজ কুমাৰ, পশ্চিম বংগৰ বিধান চন্দ্ৰ কৃষি বিশ্ববিদ্যালয় (Bidhan Chandra Krishi Viswavidyalaya, West Bengal)ৰ বিজ্ঞানী ড° অনিৰ্বান মাঝি, ড° ৰঘুনাথ মণ্ডল, ড° সৈকত দাস, মাণ্ডলিক গৱেষণা কেন্দ্ৰ চিলঙনীৰ জেষ্ঠ বিজ্ঞানী ড° ৰঞ্জনা চক্ৰৱৰ্তী, প্ৰগতিশীল কৃষক শৰৎ ৰাজা, বিপুল ৰাজা, দীপমনি ৰাজাকে আদি শতাধিক লোক উপস্থিত থকা অনুষ্ঠানটিৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিজ্ঞানী ড° পদ্মিনী দাসে। উল্লেখযোগ্য যে এই প্ৰকল্পৰ অধীনত গৱেষণা কেন্দ্ৰটিয়ে অসমৰ ঘেহুঁ উৎপাদন কৰা জিলা নগাঁও, মৰিগাঁও, হোজাই, দৰং, বৰপেটাৰ বিভিন্ন অঞ্চলৰ কৃষক সকলক বৈজ্ঞানিক পদ্ধতিৰে ঘেহু খেতিৰ প্ৰশিক্ষণ তথা অসমৰ বাবে অনুমোদিত উচ্চ উৎপাদনক্ষম জাত আৰু কৃষি সামগ্ৰীৰ বিনামূলীয়া বিতৰণ কাৰ্যসূচী হাতত লৈছে। এই কাৰ্যসূচীৰ প্ৰধান উদ্দেশ্য হৈছে অসমত কমি অহা ঘেহুঁৰ মাটিকালি বৃদ্ধি তথা কৃষকক আৰ্থিকভাৱে সহায় কৰা যাতে তেওঁলোক ঘেহুঁ খেতিৰ বাবে আগ্ৰহী হয়।

# ডিব্ৰুগড়ত আজিৰে পৰা দুদিনীয়াকৈ "কৃষক মেলা" আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৫ ফেব্ৰুৱাৰী ঃ** কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা চমুকৈ (আটমা), ডিব্ৰুগড় জিলাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ "কৃষক মেলা" অনুষ্ঠিত হৈছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত এই মেলাত পুৱাৰে পৰা জিলাখনৰ বহু সংখ্যক কৃষকে যোগদান কৰে। কাৰ্যসূচী অনুসৰি পুৱা কৃষকসকলৰ নাম পঞ্জীয়নৰ পাছত খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে 'কৃষক মেলা' উদ্বোধন কৰে। মুকলি সভাত চৰকাৰে কৃষক ৰাইজৰ বাবে ৰূপায়ণ কৰা বিভিন্ন অভিলাষী আঁচনি কেনেদৰে লাভ কৰিব পাৰি সেই সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়োৱা হয়, লগতে কৃষকৰ আয় দুগুণ বৃদ্ধি কৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কে অৱগত কৰে কৃষি বিষয়া অনুপ কুমাৰ পেগু আৰু জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰ বৰাই। অনুষ্ঠানত উদ্যমী কৃষকসকলক বিশেষ সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা লাভ কৰা কৃষকসকল হৈছে— সুনীল সিং, অনিমা দত্ত, জিতু গগৈ, বাবুল গোহাঁই, দুলাল কোঁৱৰ, তিলক সোণোৱাল আৰু সঞ্জয় হাজৰিকা। আবেলি অনুষ্ঠিত "কেঁচুসাৰ আৰু ইয়াৰ উপকাৰিতা" শীৰ্ষক আলোচনা চক্ৰত উপস্থিত বিশেষজ্ঞ কৃষি বিজ্ঞানীসকলে কয় যে, বৰ্তমান সময়ত ৰাসায়নিক সাৰৰ অত্যধিক প্ৰয়োগে মাটিৰ গুণাগুণ আৰু উৰ্বৰতা হ্ৰাস কৰাৰ লগতে জৈৱ বৈচিত্ৰ্য পৰিৱেশত নেতিবাচক প্ৰভাৱ পেলাইছে। ফলস্বৰূপে বিভিন্ন ৰোগ-ব্যাধিৰ প্ৰৱণতাও বৃদ্ধি পাইছে। সেই পৰিপ্ৰেক্ষিতত কৃষকসকলক অধিক পৰিমাণে জৈৱিক পদ্ধতিৰে খেতি কৰাৰ লগতে জৈৱিকভাৱে উৎপাদিত শাক-পাচলি গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে চাবুৱা- লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, কৃষি বিজ্ঞান কেন্দ্ৰ, ডিব্ৰুগড়ৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° দেৱজিৎ বৰঠাকুৰৰ লগতে বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত বিতৰণ কৰা হয় সামগ্ৰী

# মংগলদৈত বিশেষভাৱে সক্ষম লোকৰ মাজত বিভিন্ন সা সৰঞ্জাম বিতৰণ



**অসম বাৰ্তা, মঙলদৈ, ২৫ ফেব্ৰুৱাৰী ঃ** ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনত দৰং জিলা প্ৰশাসন, দৰং জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত বয়স্ক লোকসকলৰ মাজত আৰু বিশেষভাৱে সক্ষম লোকসকলৰ মাজত দৰং জিলাৰ প্ৰায় ২০৫৬জন হিতাধিকাৰীৰ মাজত সা-সৰঞ্জাম বিতৰণ কৰে। আৰু বিশেষভাৱে দৰং জিলা সমাজ কল্যাণ বিভাগৰ নৱ-নিৰ্মিত ভৱনৰ দ্বাৰ উন্মোচন কৰা হয়। বিশেষভাৱে দৰং জিলাত কেন্দ্ৰীয় ভাৱে তিনিটা বিধানসভা সমষ্টিৰ হিতাধিকাৰীৰ বাছনি কৰা হৈছিল যদিও প্ৰাথমিক ভাৱে আজি মঙলদৈ সমষ্টিৰ অন্তৰ্গত পশ্চিম মঙলদৈ সংহত উন্নয়ন প্ৰকল্পৰ হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হৈছে। আৰু পৰৱৰ্তী সময়ত ব্লক পৰ্যায়ৰ যিবিলাক হিতাধিকাৰী আছে তেখেত সকলক সংহত উন্নয়ন প্ৰকল্পৰ কাৰ্য্যৰ যোগেদি বিতৰণ কৰিব বুলি জনায়। চৰকাৰৰ যি অভিলাষী আঁচনিৰ যোগেদি দিব্যাংগ লোকসকলৰ উপৰিও বয়স্ক যিসকল লোক আছে তেখেত সকলৰ সঠিকভাৱে জীৱন নিৰ্বাহ ক্ষেত্ৰত কিছুমান সাঁ সৰঞ্জামৰ প্ৰয়োজন হয় আজি আটাইখিনি সুবিধা চৰকাৰৰ এই আঁচনিৰ জৰিয়তে লাভ কৰিছে। এই কাৰ্য্যসূচীত উপস্থিত থাকে দৰং ওদালগুৰিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, দৰঙ জিলা সমাজকল্যাণ বিষয়া কুসেশ্বৰ বৰা, পাঁচগৰাকী CDPO, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকা, দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, যুৱ নেতা জোনজ্যোতি কাশ্যপ, আৰু বহু সংখ্যক লোক উপস্থিত থাকে।

আশা কৰ্মীৰ সন্মিলনত অংশগ্ৰহণ কৰি ম'বাইল ফোন বিতৰণ কৰিলে মন্ত্ৰী অশোক সিংহলে

# মিঠাআম বঙালী গাঁৱত নৱনিৰ্মিত ড° ভীমৰাও আম্বেদকাৰ ভৱনৰ শুভ উদ্বোধন



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৫ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ মিঠাআম বঙালী গাঁৱত নতুনকৈ নিৰ্মাণ কৰা ড° ভীমৰাও আম্বেদকাৰ ভৱনৰ আজি গাম্ভীৰ্যপূৰ্ণভাৱে শুভ উদ্বোধন কৰা হয়। উক্ত ভৱনটো শুভ উদ্বোধন কৰে ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে। নৱনিৰ্মীত এই ভৱনটোৱে অঞ্চলটোৰ সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক কাৰ্যকলাপৰ ক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিব বুলি স্থানীয় ৰাইজে আশা ব্যক্ত কৰিছে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী অশোক সিংহলে কয় যে, ড° ভীমৰাও আম্বেদকাৰৰ আদৰ্শ আৰু সংবিধান প্ৰণেতা হিচাপে তেখেতৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব। সমাজৰ পিছপৰা শ্ৰেণীৰ উন্নয়ন আৰু সমতা স্থাপনৰ ক্ষেত্ৰত আম্বেদকাৰৰ চিন্তাধাৰাই আজিও পথ প্ৰদৰ্শন কৰি আহিছে বুলি মন্ত্ৰীয়ে মন্তব্য কৰে। উদ্বোধনী অনুষ্ঠানৰ সমান্তৰালভাৱে অনুষ্ঠিত হয় আশা কৰ্মী সকলৰ এখন বিশেষ সন্মিলন। উক্ত সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰী অশোক সিংহলে আশা কৰ্মীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে বিস্তৃত ভাষণ আগবঢ়ায়। তেখেতে কয় যে গ্ৰাম্য স্বাস্থ্য ব্যৱস্থাক সবল কৰি তুলিবলৈ আশা কৰ্মীসকলৰ অৱদান অতুলনীয়। মাতৃ আৰু শিশু স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ নিষ্ঠা আৰু পৰিশ্ৰমৰ বাবে চৰকাৰ কৃতজ্ঞ বুলি মন্ত্ৰীয়ে উল্লেখ কৰে। এই উপলক্ষে আশা কৰ্মী সকলৰ মাজত ম'বাইল ফোন বিতৰণ কৰা হয়, যাতে তেওঁলোকে স্বাস্থ্য সেৱা সম্পৰ্কীয় তথ্য প্ৰেৰণ আৰু সমন্বয় অধিক সুচাৰুৰূপে সম্পন্ন কৰিব পাৰে। এই পদক্ষেপে ডিজিটেল স্বাস্থ্য ব্যৱস্থাক অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অসমৰ ডাইৰেক্টৰ ড° লক্ষ্মণন, ঢেকীয়াজুলি সম-জিলাৰ আয়ুক্ত দ্যোতিভা বৰা, ঢেকীয়াজুলি সম-জিলাৰ আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাস, ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক নেতা ধনু তপ্ন, ঢেকীয়াজুলি পৌৰ সভাৰ পৌৰনেত্ৰী সুস্মিতা দাস, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ সহকাৰী সাধাৰণ সম্পাদক ৰোহীত তাঁতীৰ লগতে বহুতো গণ্যমান্য ব্যক্তি। উক্ত অনুষ্ঠানটোত স্থানীয় ৰাইজৰ ব্যাপক উপস্থিতিয়ে অনুষ্ঠানটোক অধিক সাফল্যমণ্ডিত কৰি তোলে। সামগ্ৰিকভাৱে মিঠাআম বঙালী গাঁৱত নৱনিৰ্মীত ড° ভীমৰাও আম্বেদকাৰ ভৱনৰ উদ্বোধন আৰু আশা কৰ্মী সন্মিলন অঞ্চলটোৰ উন্নয়ন যাত্ৰাত এক গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে বিবেচিত হৈছে।

গুৰুত্বপূৰ্ণ সভাত নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ সংকল্প

# আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে সাজু হৈ উঠিছে মাজুলী জিলা প্ৰশাসন

**অসম বাৰ্তা, মাজুলী, ২৫ ফেব্ৰুৱাৰী ঃ** আজি মাজুলীৰ নতুন সংহত আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত আগন্তুক অসম বিধানসভা নিৰ্বাচন, ২০২৬-ৰ প্ৰস্তুতিৰ অংশস্বৰূপে এক গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰা হয়। মাজুলী জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া ৰাতুল চন্দ্ৰ পাঠক মহোদয়ৰ অনুমোদন মৰ্মে অনুষ্ঠিত এই বৈঠকত নিৰ্বাচন পৰিচালনাৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশৰ ওপৰত আলোকপাত কৰা হয়। এই বিশেষ প্ৰশিক্ষণ অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (নিৰ্বাচন) ভাস্কৰ জ্যোতি বৰা উপস্থিত থকাৰ লগতে অতিৰিক্ত জিলা আয়ুক্ত শুভ্ৰম আদিত্য বৰা, নিৰ্বাচনী বিষয়া ৰিমঝিম কোঁৱৰ আৰু জিলা পৰ্যায়ৰ মাষ্টাৰ ট্ৰেইনাৰ (DLMT) দেৱজ্যোতি শইকীয়া আৰু দেৱজিৎ খাটনিয়াৰে নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিভিন্ন জটিল দিশসমূহৰ ওপৰত সবিশেষ বৰ্ণনা আগবঢ়ায়। তেওঁলোকে নিৰ্বাচনৰ সময়ত পালন কৰিবলগীয়া দায়িত্ব আৰু নীতি-নিয়মসমূহৰ বিষয়ে উপস্থিত সকলোকে বিতংভাৱে অৱগত কৰে। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত বিশেষকৈ নিৰ্বাচনী আচৰণ বিধি (MCC Cell), ব্যয় নিৰীক্ষণ কোষ (Expenditure Monitoring Cell), FST, VST, SST-ৰ লগতে তথ্য প্ৰযুক্তি কোষৰ (IT Cell) বিষয়ববীয়া আৰু সদস্যসকলক তেওঁলোকৰ কৰ্তব্যৰ বিষয়ে বিশেষ নিৰ্দেশনা দিয়া হয়। এখন স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰে মাজুলী জিলা প্ৰশাসন বৰ্তমান সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে।

অবৈধ দ্ৰব্যৰ সৰবৰাহ আৰু ব্যৱসায়ৰ বিৰুদ্ধে সষ্টম আৰক্ষী

# লখিমপুৰৰ বান্দৰদেৱাত হেৰ'ইন সহ দুজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, লীলাবাৰী, ২৫ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তবৰ্তী বান্দৰদেৱা আৰক্ষীয়ে দেওবাৰে নিয়া কলনীৰ সমীপত অভিযান চলাই ১০.৯৫ গ্ৰাম হেৰ'ইন সহ এখন পালচাৰ মটৰচাইকেল আৰু দুজন ড্ৰাগছ বেপাৰীক গ্ৰেপ্তাৰ কৰে। দেওবাৰে দুপৰীয়া ১ঃ১০ বজাত বান্দৰদেৱা আৰক্ষীয়ে পোৱা নিৰ্ভৰযোগ্য খবৰ ভিত্তিত বজাৰ এলেকাত নিচা জাতীয় দ্ৰব্য যোগানৰ উদ্দেশ্যে এএছ-০৭ডব্লিউ-০১৪৮নম্বৰৰ বাজাজ পালছাৰ মটৰচাইকেলত দুজন সৰবৰহকাৰী অহাৰ সম্ভেদ পাইছিল। বান্দৰদেৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তথা পৰিদৰ্শক কিপা হামাকৰ নেতৃত্বত তথা নাহৰলগুনৰ এছডিপিঅ' ঋষি লংডোৰ তত্বাৱধানত এছআই কোজ টাডা, কনিষ্ঠবলদ্বয় টি বমডম আৰু কনিষ্ঠবল আৰ চেৰিঙৰ সৈতে দেওবাৰে অভিযান চলাইছিল। হেৰ'ইন আৰু অসমৰ পৰা নিচাযুক্ত দ্ৰব্য পৰিবহণ সম্পৰ্কে চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত ২২ ফেব্ৰুৱাৰীত চলোৱা অভিযানত দুজন ধৃত ড্ৰাগছ বেপাৰীক বান্দৰদেৱা আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগ্‌চ বেপাৰী দুজন হৈছে, লখিমপুৰৰ শিৱাজী মৰাং (২৮) আৰু শৰৎ কুটুম (৩০)। ঘটনা সন্দৰ্ভত বান্দৰদেৱা আৰক্ষী থানাত BDW/PS/C.No. ১২/২৬ৰ অধীনত 'নিচাযুক্ত ঔষধ আৰু মনোৰোগী পদাৰ্থ (এনডিপিএছ) আইন'ৰ ২১(খ) আৰু ২৯ নং ধাৰাত গোচৰ ৰুজু কৰে আৰক্ষীয়ে। উল্লেখযোগ্য যে, অসম-অৰুণাচল আন্তঃৰাজ্যিক সীমান্তৰ দুয়োপাৰে চলি থকা অবৈধ ড্ৰাগ্‌চ সৰবৰাহৰ সন্দৰ্ভত অভিযান চলি থকাৰ কথা আৰক্ষীয়ে প্ৰকাশ কৰে। অৰুণাচলৰ ৰাজধানী অঞ্চল (নাহৰলগুন)ৰ আৰক্ষী অধীক্ষক ডাঃ নেইলাম নেগাই দুই ৰাজ্যৰ নাগৰিকসকলৰ লগতে বিশেষকৈ যুৱক-যুৱতীসকলক ড্ৰাগ্‌চৰ কৱলৰ পৰা আঁতৰি থকাৰ লগতে নিচাযুক্ত দ্ৰব্য সম্পৰ্কীয় কাৰ্যকলাপৰ বিষয়ে বিশ্বাসযোগ্য তথ্য লাভ কৰিলে স্থানীয় আৰক্ষীৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনায়। তেওঁ সাংবাদিকক জানিবলৈ দিয়ে যে, অবৈধ দ্ৰব্যৰ সৰবৰাহ আৰু ব্যৱসায়ৰ লগত জড়িত ব্যক্তিৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনৰ অভিযান অব্যাহত থাকিব।

# আমগুৰিৰ ডাঃ ৰুবুল চন্দ্ৰ বৰুৱা অসম হোমিওপ্যেথিক চিকিৎসা পৰিষদৰ সদস্য নিৰ্বাচিত

**অসম বাৰ্তা, আমগুৰি, ২৫ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ অধীনৰ হোমিওপ্যেথিক চিকিৎসা পৰিষদৰ নিৰ্বাচন বহু বিৰতিৰ অন্তত অলপতে ডাক যোগে হোৱা ভোটৰ জৰিয়তে পূৰ্ব নিৰ্ধাৰিত সময় সূচী মতে অনুষ্ঠিত হৈ যায়। অসমত হোমিওপ্যেথিক চিকিৎসকৰ পঞ্জীয়ন আৰু মানসম্মত হোমিওপ্যেথিক চিকিৎসা শিক্ষা প্ৰতিষ্ঠাৰ প্ৰতি দায়বদ্ধ পৰিষদ খনৰ ১৯৫৮ চনৰ হোমিওপ্যেথিক চিকিৎসা বিধি অনুসৰি অনুষ্ঠিত হোৱা নিৰ্বাচনত সমগ্ৰ অসমৰ পঞ্জীয়নভুক্ত প্ৰায় পোন্ধৰশ হোমিওপ্যেথিক চিকিৎসকৰ মাজত ডাক যোগে হোৱা ভোটৰ দ্বাৰা, মুঠ এঘাৰজন সদস্যৰ মাজৰ পৰা আমগুৰিৰ প্ৰতিষ্ঠিত, মানৱদৰদী চিকিৎসক তথা মৰাবজাৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ ৰুবুল চন্দ্ৰ বৰুৱা বৰ্ডৰ সন্মানীয় সদস্য হিচাপে নিৰ্বাচিত হ'বলৈ সক্ষম হয়। সুদীৰ্ঘ ২০ বছৰৰ বিৰতিৰ পিছত অনুষ্ঠিত হোৱা উক্ত নিৰ্বাচনত জয়ী হোৱা অন্য তিনিজন সদস্য হৈছে যথাক্ৰমে ডাঃ অভিজিৎ চুতীয়া, ডাঃ হৃষীকেশ লহকৰ আৰু ডাঃ মনোজ বৰুৱা। সুকলমে আৰু সু-পৰিকল্পিতভাৱে অনুষ্ঠিত হোৱা নিৰ্বাচন তথা ভোট গণনাৰ শেষত আয়ুস সঞ্চালকালয়ৰ সঞ্চালক ডাঃ ঈন্দানুশ্ৰী দাস আৰু উপ সঞ্চালক (হোমিঅ) তথা ভাৰপ্ৰাপ্ত পঞ্জীয়ক ডাঃ দ্বীপেন বৰুৱাই নৱনিৰ্বাচিত প্ৰাৰ্থী সকলক অভিনন্দন জ্ঞাপন কৰে আৰু অনাগত দিনবোৰত হোমিওপ্যেথিৰ উন্নতিৰ বাবে সহযোগিতাৰে কাম কৰাৰ আশ্বাস প্ৰদান কৰে। নৱনিৰ্বাচিত সদস্য ডাঃ ৰুবুল চন্দ্ৰ বৰুৱাই অসমৰ বিভিন্ন প্ৰান্তৰৰ হোমিওপেথিক চিকিৎসক সকলে তেখেতৰ প্ৰতি দেখুওৱা মৰম আৰু সমৰ্থনৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছে।

# পুৰণিগুদাম ভীমৰগাঁওস্থিত শ্ৰী শিৰডী সাই বাবা মন্দিৰত বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদাম ভীমৰ গাঁওস্থিত শ্ৰী শিৰডী সাই বাবা মন্দিৰ প্ৰাংগণত অহা ২৭ ফেব্ৰুৱাৰীত বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হৈছে। নগাঁও জিলাৰ লগতে দাঁতিকাষৰীয়া জিলা সমূহৰ ইচ্ছুক দিব্যাংগ ব্যক্তি (Divyangjan) সকলৰ বাবে এই এদিনীয়া সজাগতা তথা মূল্যায়ন শিবিৰৰ আয়োজন কৰিছে। এই মূল্যায়ন শিবিৰত সকলো বয়সৰ যোগ্য হিতাধিকাৰীক চিনাক্ত কৰি ADIP আঁচনিৰ অধীনত Hearing Aid Wheelchair Tricycle Rollator Walker Elbow Crutch Auxiliary Crutch Smartphone Braille Kit.Smart Cane. MSID Kit.MR Kit.Calipers. Modified Shoes. Artificial Limb ইত্যাদি সামগ্ৰী সমূহ বিনামূলীয়াকৈ বিতৰণ কৰা হ'ব বুলি জানিব পৰা গৈছে। Composite Regional Centre for Skill Development, Rehabilitation & Empowerment (CRCSRE) for Persons with Disabilities, Guwahati, Department of Empowerment of Persons with Disabilities (Divyangjan), Ministry of Social Justice গু Empowerment, Government of Indiaৰ অধীনত আৰু শিৰডী সাই বাবা সেৱা Trust Nagaon সহযোগত শিৰডী সাই বাবা মন্দিৰ প্ৰাংগনত পুৱা ৯-৩০ বজাৰ পৰা বিয়লি ৩-৩০ বজালৈকে অনুষ্ঠিত হ'ব। চিকিৎসা শিবিৰটোত স্বাস্থ্য পৰীক্ষা কৰাৰ সময়ত UDID Card / Disability Certificate আয় প্ৰমাণপত্ৰ (বিভাগীয় কৰ্তৃপক্ষ বা গাঁওপ্ৰধান বা মৌজাদাৰৰ দ্বাৰা প্ৰদান কৰা হ'লেও বিশেষভাৱে গ্ৰহণ কৰা হ'ব) পাছপৰ্ট চাইজৰ ফটো, আধাৰ কাৰ্ড, ৰেচন কাৰ্ড আদি নথিপত্ৰ আনিব লাগিব। ইচ্ছুক হিতাধিকাৰীসকলে আগতীয়া পঞ্জীয়নৰ বাবে ৯১০১৯০৪৭৮৭, ৯৩৯৪৩১০৯২, ৯৬৭৮৪৯৭৭০১ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

## সম্পাদকীয়

# তথ্যৰ অধিকাৰ আৰু বিশেষজ্ঞৰ স্বাধীনতা ঃ দুৰ্ঘটনা তদন্তৰ ভাৰসাম্য

যোৱা ১২ জুন, ২০২৫ তাৰিখে আহমেদাবাদৰ সৰ্দাৰ বল্লভভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত সংঘটিত হোৱা এয়াৰ ইণ্ডিয়াৰ ফ্লাইট AI-171 ৰ ভয়াৱহ দুৰ্ঘটনাই গোটেই দেশক স্তব্ধ কৰি দিছিল। মাত্ৰ ৩২ ছেকেণ্ডৰ ভিতৰতে ২৬০জন লোকৰ প্ৰাণ কাঢ়ি লোৱা এই শোকাবহ ঘটনাৰ তদন্ত এতিয়াও অব্যাহত আছে। এই পৰিস্থিতিতে, দিল্লী উচ্চ ন্যায়ালয়ে বিমান দুৰ্ঘটনাৰ তদন্তৰ সৈতে জড়িত অত্যন্ত গুৰুত্বপূৰ্ণ তথ্য ৰাজহুৱা কৰাৰ দাবী জনাই দাখিল কৰা এখন জনস্বাৰ্থজনিত আবেদন (পিআইএল) খাৰিজ কৰি এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। আই আই টি দিল্লীৰ মেকানিকেল ইঞ্জিনিয়াৰ সুৰেশ চন্দ শ্ৰীবাস্তৱে দাখিল কৰা আবেদনখনত বিমানৰ দুয়োটা ইঞ্জিনতে জ্বালানী যোগান কট অফ হোৱাৰ সঠিক সময়-সাৰণী আৰু ইঞ্জিনৰ ফ্লেম-আউটৰ তথ্য প্ৰাৰম্ভিক তদন্ত প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰাৰ দাবী উত্থাপন কৰা হৈছিল।

ন্যায়ালয়ৰ এই ৰায়ে দুটা ভিন্ন প্ৰশ্নৰ জন্ম দিছে। এফালে আছে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়াল আৰু এজন সচেতন নাগৰিক হিচাপে তদন্তৰ প্ৰতিটো দিশ জানিবলৈ আগ্ৰহী সাধাৰণ ৰাইজৰ তথ্য জানিবলৈ পোৱা অধিকাৰ। আনফালে আছে বিমান দুৰ্ঘটনাৰ দৰে অতি জটিল কাৰিকৰী বিষয়ৰ তদন্ত কৰা বিশেষজ্ঞ সংস্থাৰ স্বাধীনতা আৰু তেওঁলোকৰ দক্ষতাৰ ওপৰত থকা আস্থা।

ন্যায়ালয়ে সঠিকভাৱেই লক্ষ্য কৰিছে যে এয়া অত্যন্ত বিশেষজ্ঞৰ কামৰ ক্ষেত্ৰ। বিমান দুৰ্ঘটনা অনুসন্ধান ব্যুৰো (এ এ আই বি)ৰ দৰে সংস্থাই আন্তঃৰ্জাতিক মানদণ্ড (ICAO Annexe 13) অনুসৰি প্ৰশিক্ষিত আৰু অভিজ্ঞ বিশেষজ্ঞৰে গঠিত। তেওঁলোকৰ ওচৰত ব্লেক বক্স, ককপিট ভইচ ৰেকৰ্ডাৰ আৰু ধ্বংসাৱশেষ পৰীক্ষা কৰি দুৰ্ঘটনাৰ মূল কাৰণ নিৰ্ণয় কৰাৰ প্ৰযুক্তিগত দক্ষতা আৰু জনবল আছে। এনে পৰিস্থিতিত আদালতে এই বিশেষজ্ঞসকলৰ কামত হস্তক্ষেপ কৰাটো অনুচিত হ'ব, কাৰণ আদালত নিজেও সেই বিশেষজ্ঞ নহয়।

সাধাৰণ ৰাইজৰ মনত কেইবাটাও প্ৰশ্নই স্বাভাৱিকতে দেখা দিয়ে। প্ৰথম প্ৰশ্নটো হ'ল, ইমান ডাঙৰ দুৰ্ঘটনাৰ তদন্তত ইমান গোপনীয়তা কিয়? বিশেষকৈ প্ৰাৰম্ভিক তদন্তত ইঞ্জিনৰ জ্বালানী চুইচ 'কট-অফ' অৱস্থাত পোৱা গৈছে বুলি কোৱাৰ পিছত এই সন্দৰ্ভত অধিক তথ্য ৰাজহুৱা নকৰাটো উদ্বেগজনক। দ্বিতীয় প্ৰশ্নটো হ'ব, তদন্ত প্ৰতিবেদন প্ৰকাশ নোহোৱালৈকে অপেক্ষা কৰি থকাটোৱেই একমাত্ৰ উপায় নেকি? তথ্যৰ অধিকাৰ আইনৰ অধীনত যদিও তথ্য বিচাৰিব পাৰি, কিন্তু ৰাষ্ট্ৰীয় সুৰক্ষা আৰু তদন্তৰ গোপনীয়তাৰ নামত সেই তথ্য দিয়া নহ'বও পাৰে। তৃতীয়টো প্ৰশ্ন হৈছে, বিভিন্ন সংবাদ মাধ্যমত পাইলটৰ ভুলৰ কথা সন্দৰ্ভত যিবোৰ বাতৰি ওলাইছে, সেইবোৰৰ সত্যতা কিমান? চূড়ান্ত প্ৰতিবেদন নোলোৱালৈকে এনে অনুমান-নিৰ্ভৰ বাতৰিয়ে মৃত পাইলটৰ পৰিয়াল আৰু দুৰ্ঘটনাৰ শোকাহত পৰিয়ালবোৰৰ মনত অশান্তি সৃষ্টি কৰাটো নিশ্চিত।

ন্যায়ালয়ৰ ৰায়দানক আমি সম্পূৰ্ণ অগতানুগতিক বুলি ক'ব নোৱাৰি। বিমান দুৰ্ঘটনাৰ তদন্ত পৃথিৱীৰ সকলো প্ৰান্ততে অতি সংবেদনশীল আৰু প্ৰযুক্তিগতভাৱে জটিল প্ৰক্ৰিয়া। তদন্ত চলি থকা অৱস্থাত আংশিক তথ্য ৰাজহুৱা কৰিলে ভুল সিদ্ধান্তত উপনীত হোৱাৰ সম্ভাৱনা থাকে। তদন্তকাৰী সংস্থাই অধিক প্ৰমাণ পোৱাৰ আগতেই কোনো এটা দিশৰ ওপৰত ৰাইজৰ মাজত ভুল ধাৰণা সৃষ্টি হ'লে, চূড়ান্ত তদন্ত প্ৰভাৱিত হোৱাৰো আশংকা থাকে। এইখিনিতে তদন্তকাৰী সংস্থাৰ প্ৰতি আমাৰ বিশ্বাস ৰখা প্ৰয়োজন, কিন্তু লগতে তেওঁলোকৰ ওপৰত দায়িত্বও বহু বেছি। ৰাইজৰ তথ্যৰ অধিকাৰ আৰু স্বচ্ছতা বজাই ৰাখি এই দায়িত্ব পালন কৰাটো তেওঁলোকৰ কৰ্তব্য।

এই ৰায়ে আমাক সোঁৱৰাই দিয়ে যে তথ্যৰ অধিকাৰ আৰু বিশেষজ্ঞৰ স্বাধীনতাৰ মাজত এক নাজুক ভাৰসাম্য আছে। এনেকুৱা ভয়াৱহ দুৰ্ঘটনাৰ পিছত ৰাইজৰ মাজত সৃষ্টি হোৱা সংশয় আৰু প্ৰশ্নবোৰ অমূলক নহয়। সেইবোৰৰ সমুচিত সমাধান হোৱাটোও তেনেদৰে প্ৰয়োজনীয়। সেয়েহে আমি আশা ৰাখো যে এ এ আই বিয়ে আন্তঃৰ্জাতিক মানদণ্ড অক্ষুণ্ণ ৰাখি সোনকালে এখন স্বচ্ছ আৰু নিৰ্ভৰযোগ্য চূড়ান্ত তদন্ত প্ৰতিবেদন ৰাইজৰ আগত দাঙি ধৰিব, যাতে এই শোকাবহ দুৰ্ঘটনাৰ পৰা শিক্ষা লৈ ভৱিষ্যতে এনে ঘটনা পুনৰ সংঘটিত নহওক। মৃত আত্মাই যেন শান্তি লাভ কৰে।

" স্বাধীনতাৰ পিছত কিছুমান জাতি-জনজাতি আৰু অনাগ্ৰসৰ লোকক সম পৰ্যায়, মৰ্য্যদা আৰু অধিকাৰ দিয়াটো প্ৰয়োজনীয় আছিল। এই ব্যৱস্থা বৰ্তমানও যে অব্যাহত ৰাখিব লাগিব তাৰ কোনো যুক্তি যুক্ততা নাই। মানুহক পুনৰ সংৰক্ষণ দিয়াৰ প্ৰয়োজন আছে নে নাই, তাৰ অধ্যয়নো তৃণমূল পৰ্যায়ৰ পৰা হোৱা নাই। এই সম্পৰ্কে কিছুমান কমিটি বা আয়োগ গঠন কৰা হৈছিল। সেই কমিটি বা আয়োগে সম্পূৰ্ণ নিৰপেক্ষতা বজাই ৰাখিব পাৰিছে নে নাই তাতো সন্দেহ আছে। এই ক্ষেত্ৰত প্ৰশ্ন এটা মনলৈ আহে - যদিহে ইমানবোৰ অনগ্ৰসৰ জাতি-জনজাতিৰে ভাৰত ভাৰাক্ৰান্ত, তেন্তে আমি বিশ্বৰ 'চতুৰ্থ আৰ্থিক ব্যৱস্থাৰ' দেশ কেনেকৈ হ'বলৈ পালোঁ? নাইবা, জনসংখ্যাৰ ৬০ শতাংশ লোকক সংৰক্ষণ দি থকা দেশ এখন বিশ্ব অৰ্থনীতিৰ চতুৰ্থ স্থানত অধিষ্ঠিত হ'ব পাৰাকৈ শক্তিশালী নে? সেয়াহে আশ্চৰ্যৰ কথা। "

# বৈষম্য সৃষ্টিত ইউ. জি. চি. ২০২৬'ৰ প্ৰভাৱ

ড° আৰ কে বেজবৰুৱা

ভাৰতে স্বাধীনতা লাভ কৰা ৭৫ বছৰ পাৰ হ'ল। দেশৰ কাণ্ডাৰীসকলৰ মতে এয়া স্বাধীনতাৰ অমৃত কাল। এই অমৃত কালতো মানুহৰ মানসিক চৈতন্যৰ উত্তৰণ দেখি নগণ্য সংখ্যক চিন্তাশীল লোক বিপাঙত পৰিছে। কিছুমান স্বতন্ত্ৰ সংস্থা তথা চৰকাৰৰ অধীনস্থ সংগঠনৰ কাম-কাজে মানুহক বিভ্ৰান্ত কৰিছে। তেনেকুৱা কামত পৰামৰ্শ দিলেও শুনোতা নাই, জোৰকৈ মাত মাতিলেও বিপদ চপাই লোৱাৰ ভয়।

নতুন বছৰৰ আৰম্ভণিতে যোৱা ১৩ জানুৱাৰীত ইউ. জি. চি. (University Grant Commission) য়ে 'Promotion of Equity in Higher Education Institutions Regulations, 2026' নামৰ অধিনিয়ম ভাৰতৰ উচ্চতম শিক্ষাৰ অনুষ্ঠান তথা বিশ্ববিদ্যালয় সমূহত কাৰ্য্যকৰী কৰিছিল। নামৰ পৰাই বুজা যায় এই অধিনিয়মৰ উদ্দেশ্য আৰু তাৎপৰ্য। তাৰ বক্তব্য হৈছে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত সমতাৰ পৰিৱেশ গঢ়ি তোলা আৰু বৈষম্যমূলক আচৰণত বিধিগত ব্যৱস্থা গ্ৰহণ কৰা। কিন্তু এই নিয়মে সংৰক্ষণ ব্যৱস্থাক কটকটীয়া গণ্ডী এটা প্ৰদান কৰাতহে মূল লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি বহুতেই শংকিত হৈছে। তাৰ বাবে সমগ্ৰ দেশৰ ছাত্ৰ সমাজৰ পৰা প্ৰবল প্ৰতিবাদৰ জোঁৱাৰ উঠিছে। তাৰ পৰিপ্ৰেক্ষিতত যোৱা ২৯ জানুৱাৰীত ভাৰতৰ উচ্চতম ন্যায়ালয়ে হস্তক্ষেপ কৰি নতুন নিয়ম কাৰ্যকৰী কৰাত বাধা প্ৰদান কৰিছে। উচ্চতম ন্যায়ালয়ৰ ৭ জনীয়া ন্যায়াধীশৰ বিচাৰপীঠে অভিমত দিছে যে এই নিয়মত ভাষাৰ কোনো স্পষ্টতা নাই, সৱৰ্ণ হিন্দুৰ (general cast) স্থান অস্পষ্ট আৰু তাৰ পৰা সামাজিক বৈষম্য আৰু সমাজিক সংঘৰ্ষ বৃদ্ধিৰ পোৱাৰ সম্ভাৱনা অধিক। সেয়ে তদন্ত সমিতি গঠনৰ দ্বাৰা নিয়মাৱলী পুনৰ বিবেচনাৰ প্ৰয়োজন আছে। বৰ্তমান সময়তো ২০১২ চনৰ UGC ৰ নিয়ম বাহাল থাকিব।




**সংৰক্ষণ কি ঃ**

সামগ্ৰিকভাৱে 'সংৰক্ষণ' হৈছে এক সহায়ক পদক্ষেপ (Support) য'ত আৰ্থিক, সামাজিক আৰু শৈক্ষিক দিশত দুৰ্বল বা পিছপৰা লোকক চৰকাৰী বা অৰ্দ্ধ চৰকাৰী প্ৰতিষ্ঠানত কম আয়াসতে (কম নম্বৰ বা দুৰ্বল দিশৰ প্ৰতি লক্ষ্য ৰাখি) নিৰ্দিষ্ট সুবিধা কিছুমান লাভ কৰাৰ সুযোগ দিয়া হয়। ভাৰতত মোগল আৰু বৃটিছৰ শাসন কালত আৰ্থিক, সামাজিক আৰু শৈক্ষিক দিশত দুৰ্বল বহু জাতি-উপজাতি অৱহেলাৰ পাত্ৰ হৈছিল। স্বাধীনতাৰ পাছত সংবিধানত 'সংৰক্ষণ' ব্যৱস্থাৰ সৃষ্টি কৰি তেনেকুৱা লোকক 'সংৰক্ষণ' কোটা প্ৰদান কৰা হৈছিল। 'সংৰক্ষণ'ৰ লক্ষ্য আছিল সেই পিছপৰা বা অৱহেলিত লোকসকলক সকলো দিশৰ পৰা সহায় (Support) কৰি দেশৰ বাকী নাগৰিকৰ সম পৰ্যায়লৈ উন্নীত কৰা। চৰকাৰী বা অৰ্দ্ধ চৰকাৰী সেৱা-প্ৰতিষ্ঠানত চাকৰিৰ সুবিধা, মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত কম খৰচ বা বিনামূলীয়াকৈ পঢ়াৰ সুবিধা, হোষ্টেলত চিট পোৱাৰ সুবিধা, জলপানী আদি প্ৰদান কৰি 'কোটা' ব্যৱস্থাৰ মাধ্যমত আন উন্নত বৰ্গৰ নাগৰিকৰ সৈতে অসমতা বা বৈষম্য দূৰ কৰা। তাৰ ফল স্বৰূপে ভাৰতত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষণ সৃষ্টি কৰা হ'ল। পৰৱৰ্তী সময়ত অন্যান্য পিছপৰা জাতিকো সংৰক্ষণ ভূক্ত কৰিলে।

**সংৰক্ষণৰ পৰিমাণ ঃ**

ভাৰতত বিভিন্ন শ্ৰেণীৰ লোকক প্ৰায় ৬০ শতাংশ সংৰক্ষণ বা আৰক্ষণ দিয়া হৈছে -

১)অনুসূচিত জাতিৰ - ১৫ শতাংশ
২)অনুসূচিত জনজাতিৰ - ৭.৫ শতাংশ
৩)অন্যান্য পিছপৰা শ্ৰেণীৰ - ২৭ শতাংশ
৪)অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ -১০ শতাংশ

**ৰাজ্যসমূহৰ সংৰক্ষণ ঃ**

কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে চালিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত থকা নিৰ্দিষ্ট আসন

১)অনুসূচিত জাতিৰ বাবে ৭.৫ শতাংশ
২)অনুসূচিত জনজাতিৰ বাবে ১৫ শতাংশ
৩)অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে ৪৯.৫ শতাংশ

এই অনুপাত সংসদীয় নিৰ্বাচনতো অনুসৰণ কৰা দেখা যায়। বৰ্তমান পঞ্চয়ত, নগৰ সমিতি, ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত মহিলা প্ৰতিনিধিৰ বাবেও ৩০-৩৩.৩৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

**সংৰক্ষণৰ পুৰণি নিয়ম 3(E) ঃ**

ইউ. জি. চি. ২০১২ ৰ নিয়ম মতে "কোনো ছাত্ৰ বা কৰ্মচাৰীৰ বিৰুদ্ধে জাতি, ধৰ্ম, ভাষা, অঞ্চল, লিংগ, জন্মস্থান, শাৰীৰিক অৱস্থা বা আন কোনো ভিত্তিত বৈষম্য কৰিব নোৱাৰিব। " যদি কাৰোবাৰ প্ৰতি ওপৰত উল্লেখ কৰা কোনো এটা বিষয়ক লক্ষ্য কৰি বৈষম্য (discriminate ) বা প্ৰতাৰিত কৰা হয় তেন্তে তেনে প্ৰতাৰিত লোক আইনৰ ওচৰ চাপিব পাৰিব। আইনে যথাযোগ্য বিচাৰ কৰি বৈষম্য কৰা জনৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

**নতুন নিয়ম ঃ**

২০২৬ চনৰ ১৩ জানুৱাৰীত 'Promotion of Equity in Higher Education Institutions Regulations, 2026' বুলি ২০১২, UGC নিয়মত 3(C) অন্তৰ্ভূক্ত কৰিছে। 3(C)ত 'জাতিভিত্তিক বৈষম্য'ৰ সংজ্ঞা দিয়া হৈছে। জাতিগত বৈষম্যৰ অৰ্থ হৈছে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী, শিক্ষাৰ্থী বা কৰ্মচাৰীৰ বিৰুদ্ধে কোনোবাই নিন্দা বা বৈষম্যমূলক শব্দ বা আচৰণ কৰিলে সেয়া গুৰুতৰ অপৰাধ বুলি বিবেচিত হ'ব। তাৰ বাবে দোষীক চাকৰি বা বিশ্ববিদ্যালয়ৰ পৰা নিলম্বন পৰ্যন্ত কৰা হ'ব পাৰে। এই আইন ফলপ্ৰসূ কৰিবলৈ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহক ন্যায়বিচাৰৰ বাবে কিছুমান কঠোৰ নিৰ্দেশ দিয়া হৈছে।

১) বৈষম্য সম্পৰ্কিত অভিযোগ পৰিচালনাৰ বাবে প্ৰতিষ্ঠান সমূহে বৈষম্য বিৰোধী কোষ স্থাপন কৰিব লাগিব।

২) নীতিসমূহ বাস্তৱায়িত কৰাৰ বাবে তথা সুবিধাৰ পৰা বঞ্চিত শিক্ষাৰ্থীয়ে যাতে বৈষম্যৰ বলি নহয় নাইবা শিক্ষাগত পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্যকলাপৰ পৰা যাতে বাদ নপৰে তাক নিশ্চিত কৰাৰ বাবে প্ৰতিষ্ঠান সমূহত একোজন 'ইকুইটি বিষয়া' নিয়োগ কৰিব লাগিব।

৩) 'বাধ্যতামূলক অ'ৰিয়েণ্টেচন প্ৰগ্ৰেম' তথা 'শিক্ষাগত পৰিৱেশ' ন্যায়-ভিত্তিক বিষয় অন্তৰ্ভুক্তিৰ মাধ্যমত শিক্ষাৰ্থীসকলৰ প্ৰতি সংবেদনশীল কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছে।

৪) পঞ্জীয়নকৃত বৈষম্যমূলক অভিযোগৰ সংখ্যা আৰু গৃহীত পদক্ষেপৰ পুংখানুপুংখ বিৱৰণৰ বাৰ্ষিক প্ৰতিবেদন UGC-ত জমা দিব লাগিব। তাৰ বাবে এটা ৱেবছাইট পোৰ্টেল থাকিব।

এই নিয়ম অমান্য কৰা বা বৈষম্যৰ অভিযোগ উপেক্ষা কৰা প্ৰতিষ্ঠানৰ ওপৰত আৰ্থিক জৰিমনা বিহা হ'ব। অন্যথা প্ৰতিষ্ঠানৰ বাবে ধাৰ্য্য কৰা অনুদান ৰদ কৰা হ'ব।

**সমালোচনা ঃ**

নতুন ইউ. জি. চি. ৰ নিয়মক ছাত্ৰ সংগঠন, শিক্ষক সমিতি আদি কিছুমান সংস্থাই স্বেচ্ছাচাৰী বুলি মন্তব্য কৰিছে। তাৰ ফলত সাধাৰণ শ্ৰেণীৰ শিক্ষাৰ্থী আৰু শিক্ষক প্ৰতাৰিত হোৱাৰ সম্ভাৱনা বৃদ্ধিৰ আশংকা কৰা হৈছে। তাৰ লগতে একেটা শৈক্ষিক পৰিমণ্ডলত জাতি-উপজাতি, বৰ্ণ-লিংগৰ বৰ্ধিত মেৰুকৰণৰ সম্ভাৱনা বৃদ্ধি পাইছে। তাৰ বিপৰীতে সাধাৰণ শ্ৰেণী (general cast ) ৰ প্ৰতি 'বিপৰীত বৈষম্য' বা মিছা অভিযোগ উত্থাপনৰ সুৰুঙা অধিক হৈছে।

**প্ৰতিবাদ আৰু আদালতৰ স্থগিতাদেশৰ কাৰণ ঃ**

আবেদনকাৰীয়ে দাবী কৰিছে যে নতুন নিয়মে সংবিধানৰ ১৪, ১৫ আৰু ২১ নম্বৰ অনুচ্ছেদ উলংঘা কৰিছে। শৈক্ষিক খণ্ডক বিপথে পৰিচালিত কৰি দেশত উচ্ছৃঙ্খলতাক উৎসাহিত কৰাৰ পৰিকল্পনা কৰা হৈছে। এই নতুন নিয়মে যি কোনো মুহূৰ্তত সাধাৰণ শ্ৰেণীটোক মিছা অভিযোগত হাৰাশাস্তি কৰাৰ পূৰ্ণ সুযোগ আছে। এনেকুৱা মিছা অভিযোগ আগতেও তোলাৰ প্ৰমাণ আছে। এই নিয়ম প্ৰযোজ্য কৰাৰ পিছত সংৰক্ষণৰ আওতালৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক আৱাসৰ প্ৰসংগয়ো প্ৰাধান্য লাভ কৰিছে। সাধাৰণ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ অধিকাৰ খৰ্ব কৰাৰ এয়া সম্পূৰ্ণ বন্দোবস্ত বুলি সকলো পক্ষই স্বীকাৰ কৰিছে।

আবেদনকাৰীয়ে দাবী কৰিছে যে নতুন নিয়মে সংবিধানৰ ১৪, ১৫ আৰু ২১ নম্বৰ অনুচ্ছেদ উলংঘা কৰিছে। শৈক্ষিক খণ্ডক বিপথে পৰিচালিত কৰি দেশত উচ্ছৃঙ্খলতাক উৎসাহিত কৰাৰ পৰিকল্পনা কৰা হৈছে। সেয়ে নতুন নিয়মৰ বিৰুদ্ধে সাধাৰণ শ্ৰেণীৰ (General category) ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল।

উচ্চতম ন্যায়ালয়ে নতুন নিয়ম প্ৰয়োগত প্ৰতিবন্ধকতা আৰোপ কৰাৰ কাৰণ হিচাবে কোৱা হৈছে যে এই নিয়মে সাধাৰণ শ্ৰেণীৰ শিক্ষাৰ্থীৰ নিৰাপত্তা বিঘ্নিত কৰিব। কোনোবা উচ্চ সম্প্ৰদায়ৰ লোকে বা অধ্যাপকে তুচ্ছ-তাচ্ছিল্য কৰা বুলি নাইবা সংৰক্ষিত কোটাৰ ছাত্ৰ-ছাত্ৰীক পৰীক্ষাত বৈষম্য কৰা বুলি মিছা অভিযোগত দোষী সাব্যস্ত কৰাৰ সুৰুঙা আছে। তদুপৰি ইউ. জি. চি. বোৰ্ডত সাধাৰণ জাতিৰ প্ৰতিনিধি নাই। সেয়ে নতুন নিয়মত সাধাৰণ শ্ৰেণীৰ সুৰক্ষাৰ দিশটো অসুৰক্ষিত হৈ পৰিছে।

স্বাধীনতা-উত্তৰ ৭৫ বছৰ পিছতো সংৰক্ষণ ব্যৱস্থা বাহাল ৰখাটোৱে ভাৰতৰ উন্নয়নৰ ওলোটা ছবি এখন স্পষ্ট কৰে। লগতে ভাৰতীয় সমাজ ব্যৱস্থাত জাত-পাত, ধৰ্ম-বৰ্ণ, উচ্চ- নীচ ব্যৱধানত সংৰক্ষণ ব্যৱস্থাই অনুঘটকৰ কাম কৰি আছে। ভাৰতৰ মানুহে দিনে দিনে বেছিকৈ হে সংৰক্ষণক ৰক্ষা কবচ বুলি ব্যৱহাৰ কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। এই ক্ষেত্ৰত অধিক লাভ আহৰণ কৰিছে ৰাজনৈতিক দল আৰু নেতা সকলে। উচ্চতম ন্যায়ালয়ে নতুন নিয়মৰ ওপৰতআৰোপ কৰা প্ৰতিবন্ধকতাত সকলো ৰাজনৈতিক দল আৰু নেতাই নিৰ্দিষ্ট দুৰত্বত অৱস্থান গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। তাৰ পৰাই বুজিব পাৰি, কোনো দল বা কোনো নেতা সংৰক্ষণৰ গণ্ডীৰ বাহিৰলৈ আহিবলৈ নিবিচাৰে। কিন্তু সকলোৱে মনত ৰখা উচিত যে সংৰক্ষণৰ আঁঠুৱা ব্যৱহাৰ কৰি সমাজক ভাঙোনমুখী কৰি তোলা হ'ব। এনেকুৱা পদ্ধতিৰে নতুন ভাৰত গঢ়া সম্ভৱ নহয়।

স্বাধীনতাৰ পিছত কিছুমান জাতি-জনজাতি আৰু অনাগ্ৰসৰ লোকক সম পৰ্যায়, মৰ্য্যদা আৰু অধিকাৰ দিয়াটো প্ৰয়োজনীয় আছিল। এই ব্যৱস্থা বৰ্তমানও যে অব্যাহত ৰাখিব লাগিব তাৰ কোনো যুক্তি যুক্ততা নাই। মানুহক পুনৰ সংৰক্ষণ দিয়াৰ প্ৰয়োজন আছে নে নাই, তাৰ অধ্যয়নো তৃণমূল পৰ্যায়ৰ পৰা হোৱা নাই। এই সম্পৰ্কে কিছুমান কমিটি বা আয়োগ গঠন কৰা হৈছিল। সেই কমিটি বা আয়োগে সম্পূৰ্ণ নিৰপেক্ষতা বজাই ৰাখিব পাৰিছে নে নাই তাতো সন্দেহ আছে। এই ক্ষেত্ৰত প্ৰশ্ন এটা মনলৈ আহে - যদিহে ইমানবোৰ অনগ্ৰসৰ জাতি-জনজাতিৰে ভাৰত ভাৰাক্ৰান্ত, তেন্তে আমি বিশ্বৰ 'চতুৰ্থ আৰ্থিক ব্যৱস্থাৰ' দেশ কেনেকৈ হ'বলৈ পালোঁ? নাইবা, জনসংখ্যাৰ ৬০ শতাংশ লোকক সংৰক্ষণ দি থকা দেশ এখন বিশ্ব অৰ্থনীতিৰ চতুৰ্থ স্থানত অধিষ্ঠিত হ'ব পাৰাকৈ শক্তিশালী নে? সেয়াহে আশ্চৰ্যৰ কথা। বৰ্তমান ভাৰতে বুদ্ধিমত্তা আৰু যোগ্যতা বা সামৰ্থতাৰ (skilled) যুগত বাস কৰিছে। তাত অসমৰ্থৰ অৱিহণা শূন্য। সংৰক্ষণৰ মাধ্যমত অসমৰ্থ বা অযোগ্য ব্যক্তিৰ দ্বাৰা বিকশিত ভাৰত সম্ভৱ নে? প্ৰগতিশীল আৰু সু-সংবদ্ধ ভাৰত গঢ়াৰ সপক্ষে বেছি ভাগ চিন্তাশীল লোকে এতিয়া ক'ব বিচাৰে- "৭৫ বছৰ বহুত হ'ল, সংৰক্ষণ ব্যৱস্থা আঁতৰোৱাৰ সময় হৈছে।"

# অসমীয়া সাহিত্যৰ বৰ্তমানৰ গতিশীলতা

লক্ষ্মীনন্দন কলিতা

আধুনিক অসমীয়া সাহিত্যৰ কথন তথা লিখনশৈলীৰ ওপৰত বৰ্তমান প্ৰেক্ষাপটত ৰচিত হোৱা কবিতা, গল্প, উপন্যাস আদিত কিছু ব্যতিক্ৰমতা পৰিলক্ষিত হয়। বৰ্তমান প্ৰেক্ষাপটত অসমীয়া সাহিত্যৰ প্ৰকাশভঙ্গী আৰু ইয়াৰ ভাবধাৰা কিছু আধুনিক হোৱা দেখা গৈছে। অসমীয়া উপন্যাসৰ কথাৰ পৰা আৰম্ভ কৰি কবিৰ কাপেৰে নিগৰা প্ৰতিটো কবিতাৰ শাৰীত ব্যৱহৃত শব্দও যেন এক আধুনিকতা তথা সস্তীয়া জনপ্ৰিয়তাৰ প্ৰবাল সোঁত বোৱা দেখিবলৈ পোৱা যায়।

বৰ্তমান সময়ত অসমীয়া সাহিত্যত সমকালীন সমাজ-বাস্তৱতা, ৰাজনৈতিক চেতনা, পৰিৱেশৰ সমস্যা, নাৰী-অধিকাৰ আদি বিষয়ক বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছে। চচিয়েল মিডিয়াত এই সমূহ বিষয় প্ৰচাৰত পাঠক তথা লেখকে অধিক গুৰুত্ব দিয়ে। নবীন কবি-লেখকে নিজৰ অনুভৱ আৰু সপোনবোৰক আধুনিক প্ৰকাশভঙ্গীৰে প্ৰকাশ কৰিছে। সমাজ হৈছে বহু ব্যক্তিৰ সমষ্টি। সেয়ে সমাজৰ গঠন আৰু গতি নিৰ্ভৰ কৰে ব্যক্তিসকলৰ চিন্তা-ভাৱনা, আচৰণ আৰু নৈতিক মূল্যবোধৰ ওপৰত। এজন মানুহ যদি নিজৰ মন-মানসিকতা পৱিত্ৰ, সৎ আৰু দায়িত্বশীল কৰি ৰাখে, তেন্তে সেই গুণসমূহে কেৱল তেওঁৰ ব্যক্তিগত জীৱনকেই নহয়, সমাজখনকো ইতিবাচকভাৱে প্ৰভাৱিত কৰে।

যেতিয়া এজন ব্যক্তিয়ে মিছা নকয়, অন্যায় নকৰে, আৰু আনৰ অধিকাৰ সন্মান কৰে, তেতিয়া তেওঁ সমাজত এটা সুস্থ উদাহৰণ স্থাপন কৰে। আন মানুহেও তাৰ পৰা প্ৰেৰণা লাভ কৰি সৎ পথ অনুসৰণ কৰিবলৈ উৎসাহিত হয়। এই কথা "আগতে নিজে নিকা হ" নামৰ কবিতাটোত স্পষ্টকৈ উল্লেখ কৰা হৈছে। অসমীয়া কবিতাৰ বৰ্তমান প্ৰকাশভঙ্গী আগৰ তুলনাত অধিক বৈচিত্ৰ্যময়, স্বতন্ত্ৰ আৰু পৰীক্ষামূলক। আধুনিক আৰু উত্তৰ-আধুনিক ধাৰাৰ প্ৰভাৱত কবিসকলে নতুন ভাষা, ৰূপ আৰু দৃষ্টিভংগীৰে কবিতা লিখিবলৈ আৰম্ভ কৰিছে। বৰ্তমান সময়ত অধিকাংশ কবিয়ে ছন্দ-নিয়মৰ বন্ধনৰ পৰা মুক্ত হৈ মুক্তছন্দ আৰু গদ্য-কবিতা ব্যৱহাৰ কৰে। ইয়াৰ ফলত ভাৱ-প্ৰকাশ অধিক স্বাভাৱিক আৰু ব্যক্তিগত হয়। যাৰ ফলস্বৰূপে পাঠকে পৌৰাণিক কবিতাৰ সোৱাদ হেৰুৱায়। আজিৰ কবিতাত কবিৰ নিঃসঙ্গতা, স্বপ্ন, হতাশা, আশা-আকাংক্ষা আদি গভীৰভাৱে প্ৰকাশ পায়। হীৰেন ভট্টাচাৰ্য আৰু নীলমণি ফুকন আদি কবিৰ সৃষ্টি এই দিশত উল্লেখযোগ্য। আধুনিক কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ বেছি দেখা যায়। শব্দৰ মাজেৰে গভীৰ অৰ্থ প্ৰকাশ কৰা আজিৰ কবিতাৰ এক বিশেষ লক্ষণ। ইয়াৰো কিছুমান সাদৃশ্য আছে। আগৰ কবিতাত পদ্যছন্দ, অন্ত্যমিল, অলংকাৰ আদিৰ নিয়ম মানি লিখা হৈছিল। বৰ্তমানে মুক্তছন্দ, গদ্য-কবিতা, পৰীক্ষামূলক গঠন বেছি দেখা যায়। পূৰ্বে ভাষা আছিল সংস্কৃতপ্ৰধান আৰু গাম্ভীৰ্যময়। এতিয়া ভাষা অধিক সৰল, কথ্যভঙ্গীৰ আৰু বাস্তৱমুখী। ইংৰাজী বা অন্য ভাষাৰ শব্দৰো প্ৰভাৱ দেখা যায়। সমষ্টিগত চিন্তা আৰু জাতীয় চেতনাই মুখ্য আছিল বৰ্তমান সময়ত ব্যক্তিগত সত্তা, অন্তৰ্মুখী চিন্তা আৰু স্বাধীন অভিব্যক্তি অধিক গুৰুত্ব পায়।



বৰ্তমান প্ৰেক্ষাপটত অসমীয়া সাহিত্যৰ সস্তীয়া জনপ্ৰিয়তাৰ প্ৰভাৱ পৰা দেখা গৈছে। বৰ্তমান সময়ত সামাজিক মাধ্যম, অনলাইন প্লেটফৰ্ম আৰু বজাৰমুখী প্ৰকাশন ব্যৱস্থাৰ প্ৰভাৱত অসমীয়া সাহিত্যত "সস্তীয়া জনপ্ৰিয়তা"ৰ ধাৰা বৃদ্ধি পাইছে। ইয়াক যদি আমি ইতিবাচক আৰু নেতিবাচক দুটা দিশৰ পৰা চাবলৈ যাওঁ তেন্তে এক কথাত ক'ব লাগিব যে পাঠকৰ বৃদ্ধি হৈছে। যিহেতু ফেচবুক, ইণ্টাৰনেছনেট আদিৰ জৰিয়তে সাহিত্যৰ প্ৰচাৰ, প্ৰসাৰ নতুন প্ৰজন্মৰ মাজত বিয়পি পৰিছে যাৰ ফলস্বৰূপে যুৱ লেখকসকলক এই দিশৰ প্ৰতি আগ্ৰহী হৈ পৰিছে। বজাৰমুখী হোৱাত প্ৰকাশন গোষ্ঠীৰ সংখ্যা বৃদ্ধি পাইছে। যাৰ ফলত বিভিন্ন গ্ৰন্থ প্ৰকাশৰ সুযোগে বহু নবীন লেখকক আগবাঢ়িবলৈ সাহস প্ৰদান কৰিছে। কিন্তু ইয়াক ভালকৈ চালি-জাৰি চালে নেতিবাচক প্ৰভাৱো দেখিবলৈ পাম। বৰ্তমান সাহিত্য লেখন শৈলীত তৎক্ষণাত জনপ্ৰিয়তা লাভৰ লোভত কেতিয়াবা গভীৰ চিন্তা-মননৰ অভাৱ দেখিবলৈ পোৱা যায়। লগতে অধিক বিক্ৰী হোৱাৰ স্বাৰ্থত সাহিত্যক শিল্পৰ পৰা সামগ্ৰী ৰূপে কিছু ক্ষেত্ৰত প্ৰকাশ কৰা দেখা গৈছে। বিক্ৰী আৰু "লাইক-শ্বেয়াৰ"ই মূল্যায়নৰ যেতিয়া লক্ষ্য হৈ পৰে তেতিয়া সেই লেখাই পাঠকক আকৰ্ষিত কৰিব নোৱাৰে বা কোনো হিতৈষী লাভজনক জ্ঞান দিয়াত ব্যৰ্থ হয়। সস্তীয়া জনপ্ৰিয়তা অধিকাংশ ক্ষেত্ৰত ক্ষণস্থায়ী; কালজয়ী সাহিত্য সৃষ্টিৰ বাবে ধৈৰ্য আৰু সাধনা একান্তই প্ৰয়োজন।

মই ক'বলৈ যোৱা নাই যে সস্তীয়া জনপ্ৰিয়তাই মানুহক বেয়া কৰে। কিয়নো পাঠকৰ সঁহাৰি নাপালে লেখকে কোনো লেখা যুগুত কৰাত ব্যৰ্থ হ'ব। কিন্তু সেই জনপ্ৰিয়তাৰ বাবে সাহিত্যৰ বাটচঁৰাখনৰ অপকাৰ হ'ব নালাগে। জনপ্ৰিয়তা সম্পূৰ্ণৰূপে ক্ষতিকাৰক নহয়, এইয়াও মই বাৰে বাৰে কম। ই পাঠক-লেখকৰ মাজত সংযোগ বৃদ্ধি কৰে। কিন্তু যদি সাহিত্যৰ মূল উদ্দেশ্য- সৌন্দৰ্যবোধ, মানৱীয়তা আৰু সমাজ-সচেতনতাক অৱহেলা কৰা হয়, তেন্তে সাহিত্যৰ গভীৰতা হ্ৰাস পায়।

# বিশ্বায়নৰ যুগত অসমীয়া ভাষাৰ প্ৰত্যাহ্বান

জ্যোতিমণি মাহন্ত

মাতৃভাষা হৈছে মানুহৰ অস্তিত্বৰ আধাৰ। ভাষা অবিহনে সমাজ সংস্কৃতি সভ্যতা বিকাশৰ কল্পনা কৰাটো অসম্ভৱ। মানৱ সভ্যতাৰ ইতিহাসত মাতৃভাষাই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাষা মানুহৰ জীৱনৰ প্ৰথম আৰু গভীৰ সংযোগ। এটি শিশোৱে প্ৰথম আইৰ মুখৰ মাত, পৰিয়ালৰ স্নেহ ভৰা সুন্দৰ শব্দৰ মাজত নিজৰ ভাষাৰ সৈতে পৰিচয় হয়। এই ভাষা আমাৰ পৰিচয়, আমাৰ অস্তিত্ব। চিৰ চেনেহী মোৰ ভাষা জননীৰ দৰে নিজৰ ভাষাক ভালপোৱাটো আৰু আইৰ ভাষাক সন্মান জনোৱাটোৱেই এই দিৱসৰ মূল লক্ষ্য। প্ৰতিবছৰে ২১ ফেব্ৰুৱাৰী তাৰিখে বিশ্বজুৰি আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাপে পালন কৰি অহা হৈছে। ইউনেস্কোৱে বিশ্বাস কৰে যে প্ৰথম মাতৃভাষাৰ ওপৰত আধাৰিত শিক্ষা প্ৰাৰম্ভিক বয়সৰ পৰা আৰম্ভ হ'ব লাগে কিয়নো শৈশৱৰ যত্ন আৰু শিক্ষা হৈছে শিকনৰ আধাৰ। মাতৃভাষাৰ মাতৃভাষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু সকলো ভাষা সংৰক্ষণ কৰাৰ উদ্দেশ্যেৰে ১৯৯৯ চনত এই দিৱসৰ স্বীকৃতি দিয়ে। ভাষা কেৱল যোগাযোগৰ মাধ্যম নহয়, ভাষাই মানুহৰ চিন্তা, সাহিত্য সংস্কৃতিৰ ইতিহাসৰ আত্মপৰিচয় বহন কৰে। ভাষাই জাতিৰ অস্তিত্ব ৰক্ষা কৰে। যদি কোনো জাতিয়ে নিজৰ আইৰ ভাষাক অৱহেলা কৰে, তেন্তে তাৰ সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যৰো ধ্বংসৰ পথলৈ ধাৱমান হয়। কেতিয়াবা প্ৰশ্ন হয় অসমীয়া ভাষাৰ প্ৰচলন হ্ৰাস পাইছে নেকি? অসমীয়া ভাষাৰ সলনি আমি পশ্চিমীয়া ভাষাৰ প্ৰতি আকৰ্ষিত হৈছো নেকি?

বৰ্তমান সময়ছোৱাত বহুতে অসমীয়া ভাষাটো ক'বলৈ বেয়া পায়। অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নিজৰ সন্তানক পঢ়ায়। নৱ প্ৰজন্মৰ বহুতো ছাত্ৰ-ছাত্ৰী নিজৰ মাতৃভাষাৰ পৰা বহু দূৰলৈ আঁতৰি গৈছে। ইংৰাজী মাধ্যমত লিখা পঢ়া কৰা বহুতে অসমীয়াত লিখা দূৰৰে কথা পঢ়িবও নোৱাৰে। বিশ্বায়নৰ জহত আন আন ভাষাৰ প্ৰতি প্ৰভাৱিত হৈ বহু সময়ত অসমীয়া ভাষা অৱহেলিত হোৱা দেখা যায়।

আমি সদায় নিজৰ ভাষাৰ প্ৰতি গৌৰৱবোধ আৰু ব্যৱহাৰৰ অভ্যাস গঢ়ি তোলাটো একান্তই জৰুৰী। সাহিত্য চৰ্চা, সামাজিক মাধ্যম, বিদ্যালয়-মহাবিদ্যালয়, আলোচনা চক্ৰ, দৈনন্দিন জীৱনত অসমীয়া ভাষাৰ প্ৰয়োগ, প্ৰচাৰ প্ৰসাৰ গুৰুত্ব বৃদ্ধি কৰাটো সময়ৰ দাবী।

তথাকথিত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰভাৱে নৱ প্ৰজন্মৰ মাজত মাতৃভাষাৰ প্ৰতি অনীহা সৃষ্টি কৰিছে। প্ৰত্যেক ভাষাৰেই নিজস্ব বৈশিষ্ট্য আৰু প্ৰকাশভংগী থাকে, নিজস্বতা হেৰুৱালে ভাষাটোৰ সৌন্দৰ্য বিঘ্নিত হোৱাৰ লগতে তাৰ মৰ্যাদাও ম্লান হয়। অসমৰ নগৰ চহৰত কিমানজন অসমীয়াই বাস কৰে। চহৰ নগৰত এতিয়া বহিৰাগত দখলত। মধ্য আৰু নামনিৰ নগৰবোৰত অসমীয়া ভাষা ক'বলৈ মানুহৰ অভাৱ হৈছে।

ভাষাগত বৈচিত্ৰ্য মানৱ সভ্যতাৰ সম্পদ। প্ৰতিটো ভাষাৰে পৃথক চিন্তা ধাৰা, পৃথক জ্ঞান প্ৰণালী আৰু পৃথক সাংস্কৃতিক বৈশিষ্ট্য বহন কৰে। অসমীয়া ভাষা কেৱল কথোপকথনৰ মাধ্যম নহয়, ই অসমৰ সামাজিক ঐক্যৰ বন্ধন।

আমাৰ অসমীয়া মাতৃভাষা বিলুপ্ত হৈ পৰিব নেকি? এনে প্ৰশ্ন হ'ব নালাগে কিন্তু যিটো হাৰত অসমীয়া ভাষা প্ৰদূষিত হ'বলৈ ধৰিছে, ক'ৰবাত এদিন হয়তো বিশুদ্ধ অসমীয়া ভাষা শুনিবলৈ পোৱাটো সৌভাগ্যৰ কথা হ'ব। আমি সকলো পৰ্যায়তে সচেতন হ'লেহে এনে প্ৰদূষণ ৰোধ কৰিব পৰা যাব। বৰ্তমান সময়ত ভাষা সংকট এক জ্বলন্ত সমস্যা। নগৰায়ণ আৰু ইংৰাজীভাষাৰ আধিপত্যৰ ফলত বহু পৰিয়ালত মাতৃভাষাৰ ব্যৱহাৰ কমি যাব ধৰিছে। এনে পৰিস্থিতিত কেৱল চৰকাৰৰ ওপৰত ভৰসা কৰি থাকিলে নহ'ব, প্ৰতিজন ব্যক্তিয়েই সচেতন হ'ব লাগিব। শিক্ষানুষ্ঠান, পৰিয়াল আৰু সমাজ একেলগে আগবাঢ়ি আহি মাতৃভাষাৰ প্ৰতি ভালপোৱা আৰু ব্যৱহাৰ বৃদ্ধি কৰিব লাগিব আৰু বাতৰি কাকত, বিভিন্ন আলোচনী বিজ্ঞাপন সংস্থা সমূহে আগভাগ ল'ব লাগিব কিয়নো তেওঁলোকৰ দায়িত্বশীল কৰ্মই সমাজত সচেতনতা বৃদ্ধি কৰাত সহায় কৰিব। যদি মাতৃভাষাৰ প্ৰতি নিজৰ সচেতনতা নাথাকে তেন্তে ভৱিষ্যতে ভাষা সংকটত পৰাৰ সম্ভাৱনা অধিক।

# বটদ্ৰৱাত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল যাত্ৰা মহোৎসৱৰ ব্যাপক প্ৰস্তুতি সন্দৰ্ভত সংবাদমেল

**অসম বাৰ্তা, বেৰেজীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** "আধ্যাত্মিক, সাংস্কৃতিক, ঐতিহ্যৰ ত্ৰিবেণী সংগম স্থলী হ'ব বটদ্ৰৱা থানৰ দৌল যাত্ৰা মহোৎসৱ। সকলো ভকত বৈষ্ণৱ আহক, গুৰুজনাৰ বাৰ্তা নিজ চকুৰে চাই পৰম তৃপ্তি লৈ কৃষ্ণভক্তিত বিলীন হওক।" এই বাৰ্তা নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ। বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া শ্ৰীশ্ৰীকৃষ্ণৰ দৌলযাত্ৰা মহোৎসৱৰ কাৰ্য্যসূচী উন্মোচন অনুষ্ঠানত উপস্থিত থাকি তেওঁ লগতে বটদ্ৰৱা থান দৰ্শনৰ লগতে নৱনিৰ্মিত শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ ক্ষেত্ৰলৈ শৃংখলিত তথা গুৰুজনাৰ মৰ্যাদা ৰক্ষা কৰি আহিবলৈ আহ্বান জনাই। কোনো ব্যক্তি বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ ক্ষেত্ৰলৈ বিনোদনৰ বাবে আহিব নালাগে বুলি প্ৰকাশ কৰে। উল্লেখ্য যে, ঋতুৰাজ বসন্তৰ আগমন ঘটাৰ লগে লগে প্ৰকৃতিয়ে যেন নতুন ৰূপ ধাৰণ কৰে। বসন্তৰ কালত পালন কৰা উৎসৱ সমূহৰ ভিতৰত দৌল যাত্ৰা উৎসৱ অন্যতম। জগত গুৰু শ্ৰীশংকৰদেৱে বটদ্ৰৱাত পোনপ্ৰথমবাৰৰ বাবে দৌল উৎসৱ পাতিছিল, সেই ঐতিহ্যক সৰোগত কৰি মহা আড়ম্বৰপূৰ্ণভাৱে প্ৰতি বছৰে দৌল উৎসৱ বা ফাকুৱা ফাল্গু পূৰ্ণিমা তিথিত পালন কৰা হয়। এইবছৰো ২ মাৰ্চৰ পৰা ৬ মাৰ্চলৈ পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱ পালন কৰা বাবে যুদ্ধকালীন গতিৰে প্ৰস্তুতি চলিছে। ইতিমধ্যে শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তত্ত্বাৱধানত উৎসৱ নিয়াৰিকৈ পালন কৰিবৰ বাবে কেইবাখনো উপ সমিতি গঠন কৰা হৈছে। শ্ৰীশ্ৰী বটদ্ৰৱা থান চৌহদত প্ৰায় ১০ লক্ষাধিক তীৰ্থ যাত্ৰীক আদৰণি জনোৱাৰ বাবে পানী, বিজুলী, চিকিৎসা, খাদ্য আদি সকলোবোৰ সুবিধাৰ বাবে উপ সমিতি সমূহে খৰতকীয়া গতিত কাম কৰি আছে আৰু সাংস্কৃতিক, ধৰ্মীয়, পৰম্পৰাগত কাৰ্যসূচী সমূহ সৰ্বাংগ-সুন্দৰ কৰি তুলিবলৈ অপ্ৰান চেষ্টা অব্যাহত ৰাখিছে। অহা ২ মাৰ্চত গন্ধোৎসৱৰ সন্ধ্যা গোসাঁইক (শ্ৰীকৃষ্ণৰ মূতিভাগ) গায়ন-বায়ন আৰু ভক্তসৱে গাইবাই থানৰ ৰভাতলত স্থাপন কৰা হ'ব। স্নান কাৰ্য সম্পাদনৰ পাছত গন্ধ তেলেৰে নোৱাই গোসাঁইক নতুন বস্ত্ৰ পিন্ধোৱা হ'ব আৰু গায়ন বায়নে 'ৰাম ধেমালী' পৰিৱেশন কৰিব। ইয়াৰ পাছদিনা অথাৎ ৩ মাৰ্চ 'গোসাঁই শিৰত ফাকু দিয়া উৎসৱ'ৰ দিনা দিনৰ ২ বজাত গোসাঁইক নোৱাই ধোৱাই আসনত বহুৱাই সুবাসিত ফাকু দিয়া হ'ব আৰু গায়ন বায়নে 'ন-ধেমালী' পৰিৱেশন কৰিব আৰু ভক্ত বৈষ্ণৱসকলে ফাকু নিৰ্মালী আৰু পদজল গ্ৰহণ কৰিব। সেই উৰে নিশা গোসাঁইক ৰভাতলত ৰাখি ৰাজ্যখনৰ ভিন্ন প্ৰন্তৰ পৰা অহা ভক্ত বৈষ্ণৱে নাম কীৰ্তন কৰিব। ৪ মাৰ্চৰ দিনা গোসাঁই ফুৰোৱা উৎসৱ। সেই দিনা ২ বজাত গায়ন-বায়ন, ভকত-বৈষ্ণৱ, আই-মাতৃ সকলোৱে কৃষ্ণ গোসাঁইক ৰভাতলৰ পৰা উলিয়াই সুসজ্জিত দোলা ৰথত উঠাই দণ্ড, চক্ৰ, ভেৰু, কালি, সো-মুখ শংঙ্খৰ ধ্বনি, আই সকলৰ জাউৰিয়ে জাউৰিয়ে বিয়া নামৰ লগত বৈচিত্ৰ্যময় অসমীয়া জাতীয় জীৱনৰ বৰ্নিল সমাহাৰেৰে ফাকুৰ গুৰি সিচি সিচি চোঁৰৰ ধাৰীয়ে চোঁৰৰ বা দি দি দৌললৈ যাত্ৰা কৰিব। দৌল মন্দিৰত গোসাঁইক পূজা অৰ্চনা দি সাত পাক পদক্ষিন কৰোৱাৰ পাছত পাছত গোসাঁইক বৰদোৱাৰ দুই সত্ৰ ক্ৰমে শ্ৰীশ্ৰী শলগুৰি আৰু শ্ৰীশ্ৰী নৰোৱা সত্ৰত পদক্ষিণ কৰোৱাই লগতে সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰৰ ঘৰত প্ৰবেশ কৰোৱাই পূজা অৰ্চনা দি শেষত নিশা ৮ বজাত এটা বিশেষ অনুষ্ঠানৰ দ্বাৰা কীৰ্তন ঘৰত প্ৰবেশ কৰোৱা পাছতে দৌল যাত্ৰা উৎসৱৰ ধৰ্মীয় কাৰ্যসূচীৰ অন্ত পৰিব। আনহাতে দৌল যাত্ৰা উৎসৱৰ লগত সংগতি ৰাখি ৩, ৪ আৰু ৫ মাৰ্চৰ নিশা আকাশী গংগাৰ পাৰৰ প্ৰেক্ষাগৃহত সংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ৩ মাৰ্চৰ সংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিবৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক কুমাৰ বৰাৰ লগতে একশৰণ ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতি প্ৰসাদ দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আৰম্ভণিতে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ দ্বাৰা দৌলযাত্ৰা মহোৎসৱ উপলক্ষে প্ৰকাশ হ'বলগীয়া "দৌল" শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট সাংবাদিক, লিখক হৃষিকেশ গোস্বামী। ৪ মাৰ্চৰ সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকিব মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, বিধায়ক ৰূপক শৰ্মা, দীপু ৰঞ্জন শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, ৰমাকান্ত দেউৰী, নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা। ৫ মাৰ্চৰ সত্ৰীয়া সংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব মাজুলী শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, আৰু বিশিষ্ট অতিথি ৰূপে অংশ গ্ৰহণ কৰিব শ্ৰীশ্ৰী নৰোৱা কুজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামী। তিনিও নিশাতে ৰাজ্য খনৰ ভিন্ন প্ৰান্তৰ পৰা আমন্ত্ৰিত ভাওনা, সত্ৰীয়া নৃত্য, লোক নৃত্য, লোক সংগীত, বৰগীত, শাস্ত্ৰীয় নৃত্য, ভাওনা আদিৰ উপৰিও বটদ্ৰৱাৰ মৌলিক তথা পৰম্পৰাগত বৰগীত, ফাকুৱাৰ গীত আৰু গায়ন- বায়নৰ অনুষ্ঠানেৰে মুখৰিত হ'ব বুলি বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি অম্লান জ্যোতি দেৱ গোস্বামী আৰু সাধাৰণ সম্পাদক লাচিত বৰদলৈ জনাইছে। আজি বিয়লি পৰিচালনা সমিতিয়ে দৌল মহোৎসৱৰ কাৰ্য্যসূচী উন্মোচন কৰাৰ পাছত অনুষ্ঠিত এক সংবাদমেলত ৰাজ্যৰ সমূহ ভক্ত বৈষ্ণৱক নিমন্ত্ৰণ জনাইছে। অনুষ্ঠানটিত পৰিচালনা সমিতিৰ কোষাধ্যক্ষ বদন কলিতা আদি কৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

## □ দিশপুৰ প্ৰেছ ক্লাবত পৰ্যালোচনা সভা □

# পৰাগ কুমাৰ দাসৰ দৃষ্টিকোণেৰে অসমৰ ভৱিষ্যৎ নিৰ্মাণ

**অসম বাৰ্তা, লীলাবাৰী, ২৫ ফেব্ৰুৱাৰী ঃ** 'বেলি মাৰ যোৱাৰ ২০০ বছৰৰ সন্ধিক্ষণত পৰাগ কুমাৰ দাসৰ দৃষ্টিকোণেৰে অসমৰ ভৱিষ্যত' শীৰ্ষক অনুষ্ঠান আজি দিশপুৰ প্ৰেছ ক্লাবত অনুষ্ঠিত হৈ যায়। অসমৰ স্বনামধন্য সাংবাদিক তথা মানৱ অধিকাৰ কৰ্মী পৰাগ কুমাৰ দাসৰ বিৰল চিন্তা আৰু দৃষ্টিৰে অসমৰ ভৱিষ্যৎ কেনে হোৱা উচিত আৰু ৰাজ্যখনৰ বৰ্তমানৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিৱেশ সন্দৰ্ভত অনুষ্ঠিত পৰ্যালোচনা সভাত গণশিল্পী ড° সূৰ্য দাসে সভাপতিত্ব কৰে। সভাত অসমৰ জাতি, ভাষা, সংস্কৃতিৰ সমান্তৰালকৈ পথাৰ আৰু বজাৰ দখলৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। বিশিষ্ট চিন্তাবিদ ৰত্নেশ্বৰ বসুমতাৰী আৰু শংকৰ শইকীয়াই অসমীয়া সমাজ জীৱনৰ সংকটকালত পৰাগ কুমাৰ দাসৰ দৰ্শনৰ প্ৰাসংগিকতাৰ বিষয়ে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। পৰ্যালোচনাৰ অন্তত অসমৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সৰ্বসম্মতিক্ৰমে সভাই গৃহীত কৰে। বিশেষকৈ অসমৰ সকলো জাতি-জনগোষ্ঠীৰ সম-অধিকাৰ সুৰক্ষিত কৰা; অসমীয়া বা খিলঞ্জীয়াৰ সংজ্ঞা সন্দৰ্ভত এক সৰ্বজনগ্ৰাহ্য সহমত সৃষ্টি কৰা; অসমৰ পথাৰ, বজাৰ আৰু অৰ্থনীতিৰ স্বাৱলম্বিতাৰ বাবে এক নিৰ্দিষ্ট কৰ্মসূচী প্ৰস্তুত কৰা; সকলো জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক সমলসমূহ আধুনিক ডিজিটেল মাধ্যমেৰে সংৰক্ষণৰ ব্যৱস্থা কৰা; ৰাজ্যৰ ভূমি আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত থলুৱা জনগণৰ অধিকাৰ সাব্যস্ত কৰাৰ আইনী আৰু সামাজিক পথ সন্ধান কৰা সন্দৰ্ভত প্ৰস্তাৱ লয়। পৰ্যালোচনা সভাখনত বৃহত্তৰ গুৱাহাটী উন্নয়ন সমিতি ঐক্য মঞ্চৰ অমৰ বেজবৰুৱা, ইউনুচ আলি, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ প্ৰাক্তন সচিব প্ৰধান প্ৰণৱ জ্যোতি চেতিয়া, সদৌ অসম শ্বহীদ আৰু নিৰ্যাতিত ন্যাসৰ মৃদুল কুমাৰ নাথ, সাংস্কৃতিক সংগঠক মুকুল দত্ত, লতাশিল বিহু সন্মিলনীৰ দীপাংকৰ হাজৰিকা, সমাজকৰ্মী অনুৰূপা ডেকাৰজাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু গৱেষক ছাত্ৰই অংশগ্ৰহণ কৰি মতামত দাঙি ধৰে। উল্লেখ্য যে, বিষয়টো অধিক প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে পৰৱৰ্তী সময়ত এখন বৃহৎ অভিৱৰ্তন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## প্ৰখ্যাত অভিনেত্ৰী সীমা বিশ্বাসেও ক্ৰয় কৰিলে ১০টা মাটিৰ চৌকা

# লাহৰীঘাট সম-জিলা কাৰ্যালয়ত 'চৌকা উৎসৱ'

### □ মাটিৰ চৌকা নিৰ্মাণ কলাক বাণিজ্যিকৰণ □

**অসম বাৰ্তা, ভুৰাগাঁও, ২৫ ফেব্ৰুৱাৰী ঃ** লাহৰীঘাট সম জিলা প্ৰশাসনৰ উদ্যোগত লোৱা হ'ল এক অনন্য পদক্ষেপ। মাটিৰে নিৰ্মিত চৌকাক উদ্যোগিকৰণৰ জৰিয়তে দৰিদ্ৰ মহিলা সকলক স্বাৱলম্বী কৰাৰ প্ৰয়াসেৰে আজি অনুষ্ঠিত কৰা হ'ল চৌকা উৎসৱ। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী সমূহে দৈনন্দিন জীৱন যাপনত ব্যৱহাৰ কৰি আহিছে বিভিন্ন সঁজুলিৰ লগতে নিজা নিজা কলা-কৌশল। মৰিগাঁও জিলাৰ লাহৰীঘাটৰ খহনীয়াগ্ৰস্ত অঞ্চল সমূহৰ লোক সকলে দৈনন্দিন জীৱন যাপনত ব্যৱহাৰ কৰা এক অন্যতম সঁজুলি হৈছে মাটিৰ চৌকা। সেই অঞ্চল সমূহৰ স্থানীয় মহিলা সকলে থলুৱা প্ৰযুক্তি কলাত্মক ভাৱে অতি আকৰ্শনীয় ৰূপত নিৰ্মাণ কৰি নিজে ব্যৱহাৰ কৰাৰ লগতে বিক্ৰি কৰি আহিছে মাটিৰ চৌকা। এই চৌকা সমূহ প্ৰয়োজন অনুসৰি ইঠাইৰ পৰা সিঠাইলৈ নিব পাৰি। বৰ্তমান সময়ত গেছ চিলিণ্ডাৰৰ ব্যৱহাৰে মাটিৰ চৌকাৰ ব্যৱহাৰ হ্ৰাস কৰিছে যদিও বহু লোকে বিপদে আপদে চলিবলৈ হলেও ঘৰত এটা মাটিৰ চৌকা ৰখাটো জৰুৰী বুলি গণ্য কৰি আহিছে। কিন্তু এই মহিলা সকলেও নিৰ্মাণ কৰা চৌকাৰ সঠিক মূল্য লাভ কৰিবলৈ সক্ষম নহয়। অতি কম মূল্যত বিক্ৰী হয় চৌকা। লাহৰীঘাটৰ এনে অঞ্চলৰ চৌকা নিৰ্মাণ কৰা মহিলা সকলৰ চৌকা নিৰ্মাণৰ কলাত্মক পাৰদৰ্শিতা দেখি অভিভূত হয় লাহৰীঘাট সম জিলাৰ আয়ুক্ত শিল্পীকা কলিতা। সেয়ে আয়ুক্ত গৰাকীয়ে এই শিল্পক এখন বজাৰ দিয়াৰ লক্ষ্যৰে প্ৰথম পদক্ষেপ হিছাবে লাহৰীঘাট সম-জিলা প্ৰশাসনৰ তত্ত্বাৱধানত "চৌকা উৎসৱ" শীৰ্ষক নামেৰে এটি কাৰ্যসূচী লৈ মাটিৰ চৌকাৰ পদৰ্শনী অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শিল্পিকা কলিতাৰ সিদ্ধান্ত মৰ্মে আজি লাহৰীঘাট সম-জিলা কাৰ্যালয়ত অনুষ্ঠিত কৰা হয় চৌকা উৎসৱ। চৌকা উৎসৱৰ পদৰ্শনী স্থলীত বহু মহিলাই নানা তৰহৰ মাটিৰ চৌকা পদৰ্শন কৰে। চৌকা উৎসৱটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে মৰিগাঁও জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে। তেৱাৰীৰ লগতে উৎসৱটিত প্ৰশাসনৰ হৈ উপস্থিত থাকে লাহৰীঘাট সম-জিলা সহআয়ুক্ত ক্ৰমে হিমাশ্ৰী ডেকা আৰু শিল্পী ৰেখা পণ্ডিত, লাহৰীঘাট আৰু ভুৰাগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ক্ৰমে মৃদুল কুমাৰ নাথ আৰু প্ৰাঞ্জল বৰুৱা, লাহৰীঘাট উন্নয়ন খণ্ডৰ উন্নয়ন বিষয়া শিখা গগৈ, লাহৰীঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া জিতু ডেকাকে ধৰি সমজিলা কৰ্মচাৰী সকল। এই চৌকা উৎসৱটিৰ সন্দৰ্ভত জানিব পাৰি প্ৰখ্যাত অভিনেত্ৰী সীমা বিশ্বাসেও সামাজিক মাধ্যমৰ জৰিয়তে লাহৰীঘাট সম-জিলা প্ৰশাসনৰ সৈতে যোগাযোগ কৰি "এয়া এক ভাল প্ৰয়াস" বুলি কৃতজ্ঞতা জনাই আৰু এনে প্ৰয়াসৰ সৈতে তেওঁ জড়ীত থকাৰ আশ্বাস দি ১০টা চৌকা বুকিং কৰে। তদুপৰি আজি মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ লগতে আৰু বহু কেইজন দুৰনীবটিয়া পৰিদৰ্শকে চৌকা ক্ৰয় কৰি চৌকা নিৰ্মাতা মহিলা সকলক প্ৰেৰণা যোগাই। আজি চৌকা উৎসৱ স্থলীত মাটিৰ নানা তৰহৰ চৌকা চাবলৈ স্থানীয় লোকৰ লগতে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীও সমবেত হয়। সমজিলাৰ আয়ুক্ত গৰাকীয়ে আজি প্ৰতিক্ৰীয়া প্ৰকাশ কৰি কয় যে - চৰকাৰী বা বেচৰকাৰীভাৱে অনুষ্ঠিত কৰা বাণিজ্য মেলা সমূহতো মাটিৰ চৌকাৰ বিপণিক স্থান দি চৌকা নিৰ্মাতা মহিলা সকলক প্ৰেৰণা যোগাব পাৰি। ইফালে চৌকা উৎসৱটোৰ জৰিয়তে মহিলা সকলৰ স্বাৱলম্বিতাৰ পথ মুকলি হ'ব বুলি জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে আশা প্ৰকাশ কৰে। অতি সোনকালেই লাহৰীঘাটত থলুৱা চৌকা বিক্ৰীৰ বাবে এটি বজাৰগৃহ স্থাপনৰ ব্যৱস্থা কৰিব বুলিও সমজিলা আয়ুক্ত শিল্পীকা কলিতাই সংবাদ মাধ্যমক জানিব দিয়ে। নিশ্চিতভাৱে লাহৰীঘাট সমজিলা আয়ুক্ত গৰাকীৰ এয়া আদৰণীয় পদক্ষেপ।

# নবস্তিত হিতাধিকাৰীৰ চেক বিতৰণ

**অসম বাৰ্তা, বাগানপাৰা, ২৫ ফেব্ৰুৱাৰী ঃ** জিলা প্ৰশাসনৰ উদ্যোগত আৰু বাগাধপাৰা ব্লক বি পি এফ সমিতিৰ সহযোগত ২৫ ফেব্ৰুৱাৰীত নবস্তি ভূপেন হাজৰিকা মুকলি মঞ্চত হিতাধিকাৰী সকলৰ মাজত চেক বিতৰণ কৰা হয়। বিগত বিটিচি নিৰ্বাচনৰ সময়ত বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে পাঁচটা গেৰাণ্টি কথা ঘোষণা কৰিছিল। সেই ঘোষিত পাঁচটা গেৰাণ্টিৰ পূৰণাৰ্থে আজি হিতাধিকাৰী সকলৰ মাজত চেক বিতৰণ কৰা হয়। বিটিচি কাৰ্যবাহী সদস্য আগাষ্টুছ টিপ্পা, বিটিচি পি এন আৰ ডিৰ সচিৱ অনচুলা বসুমতাৰীৰ উপস্থিতিত ১২৫০টা আত্মসহায়ক গোট, ১২৯জন জ্যেষ্ঠ নাগৰিক, শাৰীৰিকভাৱে সক্ষম ব্যক্তিগত হিতাধিকাৰী (আই বি এছ) আঁচনিৰ ২ লাভ টকাকৈ ১০০গৰাকী যুৱক যুৱতীৰ মাজত চেক বিতৰণ কৰাৰ লগতে ভূমিহীন পৰিয়ালৰ মাজত কৰে ভূমিপট্টা। বিটিচিৰ প্ৰতিটো সমষ্টিয়ে পৰ্যায়ক্ৰমে বিটিচি চীফ হাগ্ৰামা মহিলাৰীয়ে ঘোষণা কৰা পাঁচটা গেৰাণ্টি পূৰণ কৰাৰ বিপিএফ চৰকাৰ বদ্ধ পৰিকৰ বুলি মন্তব্য কৰে বিটিচি কাৰ্যবাহী সদস্য আগাষ্টুছ টিপ্পাই। এই চেক বিতৰণ অনুষ্ঠানত বিপিএফ নেতা, জিলা প্ৰশাসনৰ লোক, আত্মসহায়ক গোট সহিতে প্ৰায় পাঁচ সহস্ৰাধিক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে বা'ৰী জিলাৰ মুছলপুৰত আৰ্থিক সাহায্যৰ লগতে ভূমিপট্টা বিতৰণ কৰা হয়।

# দেৱৰাজ ৰয় মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় যুৱ সংসদৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৫ ফেব্ৰুৱাৰী ঃ** গোলাঘাটৰ ঐতিহ্যমণ্ডিত দেৱৰাজ ৰয় মহাবিদ্যালয়ত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ সহযোগত ২৬ ফ্ৰেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় যুৱ সংসদ ২০২৬ আয়োজন কৰা হৈছে। গোলাঘাটৰ কেইবাখনো মহাবিদ্যালয়ৰ সহযোগত আয়োজন কৰিবলৈ লোৱা অনুষ্ঠানটোৰ কাৰ্যসূচী প্ৰস্তুত প্ৰণালী আৰু বিভিন্ন বিষয়ৰ প্ৰস্তুতি সম্পৰ্কে আলোচনাত আঁত ধৰে দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত বাৰুকিয়ালে। মহাবিদ্যালয়খনৰ প্ৰশাসনিক উপাধ্যক্ষা ড° গায়ত্ৰী শৰ্মা তামোলী আৰু শৈক্ষিক উপাধ্যক্ষ ড° যদুমণি দাসে সক্ৰিয় সহযোগিতা কৰে। মহাবিদ্যালয়খনৰ এন এছ প্ৰগেম অফিচাৰ ড° মৃদুল চেতিয়াই সভাখন আয়োজন কৰে। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ এন এছ এছ প্ৰগেম অফিচাৰ ড° বিশ্বজ্যোতি দলে কাৰ্যসূচী সম্পৰ্কত মতামত ৰাখে। গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়ৰ এন এছ এছ প্ৰগেম অফিচাৰ বিজিত শইকীয়াই কাৰ্যসূচী সম্পৰ্কত মতামত ব্যক্ত কৰে। গোলাঘাটৰ হেমপ্ৰভা বৰৰা ছোৱালী মহাবিদ্যালয়ৰ এন এছ এছ প্ৰগেম অফিচাৰ লৌচনিতা হাজৰিকাই সভাত সহযোগিতা কৰে। বহু বিশিষ্ট ব্যক্তি আৰু শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব লগা অনুষ্ঠানটো মহাবিদ্যালয়ৰ অধ্যক্ষই সফলতা কামনা কৰে।

# জাঁজী মৰাণছিগাৰ প্ৰয়াত সমাজকৰ্মী মুহিধৰ নেওগৰ সোঁৱৰণত স্মৃতিচাৰণ সভা

## স্মৃতিগ্ৰন্থ 'সুবাস' উন্মোচন

**অসম বাৰ্তা, জাঁজী, ২৫ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ জাঁজী মৰাণছিগাৰ প্ৰয়াত সমাজকৰ্মী তথা তেল আৰু প্ৰাকৃতিক গেচ নিগমৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা মুহিধৰ নেওগৰ সোঁৱৰণত আজি তেওঁৰ বাসগৃহত আদ্যশ্ৰাদ্ধৰ দিনা এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। বয়োজ্যেষ্ঠ ধৰ্মপ্ৰাণ নাগৰিক দধি বৰুৱাই প্ৰয়াত নেওগৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰাৰ পাছত ৰবীণ গায়নৰ সভাপতিত্বত স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত সমাজকৰ্মী গোপাল বৰুৱা, হিমাদ্ৰীজ্যোতি দত্ত, হিৰেণ বাৰুৱাতী, মিলন বুঢ়াগোঁহাই আদি কেইবাজনো লোকে প্ৰয়াত সমাজকৰ্মীজনৰ জীৱন পৰিক্ৰমাৰ ওপৰত আলোকপাত কৰে। সৌৰভ শইকীয়াই আঁত ধৰা আজিৰ সভাতেই প্ৰয়াত মুহিধৰ নেওগৰ জীৱন আৰু কৰ্মৰ ওপৰত বহু লেখা সম্বলিত স্মৃতিগ্ৰন্থ 'সুবাস' উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী গোবিন্দ শইকীয়াই। ৰাজহুৱা পুষ্পাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে পুষ্পধৰ নেওগে। আজিৰ সভাত অনিল বৰুৱা, ৰাজীৱ দত্ত, বিপুল দত্ত, সাংবাদিক দিগন্ত শৰ্মা, প্ৰসেনজিৎ গগৈ, বদন গোঁহাই, দিলীপ দত্ত, অজন্ত দত্ত, ৰাতুল বৈৰাগী, মৰাণ চিগাৰ কেইবাজনো বিশিষ্ট ব্যক্তি, পৰিয়াল বৰ্গ, আদি কৰি বহু লোক উপস্থিত আছিল।

# অভয়াপুৰীত মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসৰ একেদিনাই কেইবাটাও অনুষ্ঠানৰ আধাৰশিলা আৰু শুভ উদ্বোধন

**অসম বাৰ্তা, লেংটিছিঙা, ২৫ ফেব্ৰুৱাৰী ঃ** আজি অভয়াপুৰীত বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে চৰকাৰী কামত উপস্থিত থাকি দুটা ৰাস্তা নবীকৰণ, এটা পকী বক্স কালভাৰ্টৰ আধাৰ শিলা স্থাপন কৰাৰ লগতে তিনিটা নৱ নিৰ্মিত আঁচনিৰ শুভ উদ্বোধন কৰে। প্ৰাপ্ত তথ্য মতে মুখ্যমন্ত্ৰী পকী পথ নবিকৰণ আঁচনিৰ জৰিয়তে কাকৈজানাৰ বেলতলী দেৱান পাৰা জয়ন্ত হাজৰিকা সংঘৰ পৰা লহৰাপাৰা তিনি আলি পথ আৰু অভয়াপুৰী কলেজ - দেওহাটী পথৰ পৰা কলিতা পাৰা পথ দুটা পকী কৰণ কৰা হ'ব। আনহাতে অভয়াপুৰী কলেজ পথৰ পৰা ৰাতাবাৰীলৈ যোৱা পথত এটা পকী বক্স কালভাৰ্ট নিৰ্মাণৰ আধাৰ শিলা স্থাপন কৰে মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে। ইয়াৰ উপৰিও মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে অভয়াপুৰী পৌৰ সভাৰ উদ্যোগত ৰাজবাৰী উদ্যানত আটক ধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা মুকলি অত্যাধুনিক ব্যায়ামগাৰ, পানী যোগান আঁচনি আৰু আধুনিক মানদণ্ডৰ অত্যাধুনিক শৌচাগাৰ শুভ উদ্বোধন কৰে। উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি অভয়াপুৰী ৰাজবাৰী উদ্যানত অভয়াপুৰী নগৰ সমিতিৰ উপ সভাপতি প্ৰবিণ দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপৰিও প্ৰাক্তন বিধায়ক ভূপেন ৰায়, বিশিষ্ট সমাজ কৰ্মী ৰুদ্ৰ কুমাৰ পাঠক, অভয়াপুৰী পৌৰ সভাৰ সভাপতি শুশান্ত পোদ্দাৰ, শ্যামল নাৰায়ণ দেৱ, অভয়াপুৰী সম জিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী আদি উপস্থিত থাকে। উক্ত সভাৰ লগত সংগতি ৰাখি নগৰীয়া জিৱীকা আত্মসহায়ক গোটৰ মহিলা সকলৰ উপস্থিতিত সভা এখনো অনুষ্ঠিত হয়। ইয়াৰ উপৰিও আজি আধাৰশিলা স্থাপন অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসক সংগ দিয়ে স্থানীয় বিধায়ক প্ৰদীপ কুমাৰ সৰকাৰে।

## কাৰ্যসূচীত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান কাৰ্য্যবাহী পৰশা কোঁৱৰ

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰীৰ 'মন কি বাত'

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৫ ফেব্ৰুৱাৰী ঃ** আকাশবাণীয়ে শ্ৰোতাক কেতিয়াও বাচি ল'বলগীয়া বস্তু এটা নিদিয়ে, যি প্ৰয়োজন সেইটোহে দিয়ে। এটা বস্তু বিচাৰি দহটা বস্তুৰ মাজত হেৰাই যাবলগীয়া মাধ্যম আকাশবাণী নহয়। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী পৰাশা কোঁৱৰে ২২ ফেব্ৰুৱাৰীত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত প্ৰধানমন্ত্ৰীৰ "মন কি বাত" কাৰ্যসূচী মুকলি কৰি এইদৰে কয়। পৰশা কোঁৱৰে আৰু কয় যে পৃথিৱীৰ ভিতৰত মাত্ৰ এটাই প্ৰচাৰ মাধ্যম আছে যি ইতিমধ্যে এশ বছৰ অতিক্ৰম কৰিছে। এনে শক্তিশালী মাধ্যম আকাশবাণীৰ বাহিৰে দ্বিতীয় আৰু এটা নাই। তেওঁ আৰু কয়- আকাশবাণীৰ কাৰ্যসূচীয়ে মানুহৰ কল্পনা শক্তি বৃদ্ধি কৰে আৰু ভাষাৰ শুদ্ধতা ৰক্ষা কৰে। ভাষাৰ উত্তৰণৰ যোগেদিহে জাতিৰ উত্তৰণ হয় বুলি উল্লেখ কৰি তেওঁ কয়-আকাশবাণী কেন্দ্ৰসমূহে ভাষাৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব দি আহিছে। লগতে কল্পনা প্ৰৱণ মন এটাও সকলোকে সৃষ্টি কৰি আহিছে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়- যে আকাশবাণী কেন্দ্ৰসমূহে সদায় মানুহক জীৱন দৰ্শনৰ সোৱাদ দি আহিছে। ই আধুনিক ভাৰতৰ একমাত্ৰ জনপ্ৰিয় সামাজিক, সাংস্কৃতিক মাধ্যম বুলি উল্লেখ কৰি তেওঁ কয়-প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ ৩ অক্টোবৰত "মন কি বাত" কাৰ্যসূচী আৰম্ভ কৰিছিল আৰু এতিয়া এই কাৰ্যসূচীয়ে ইতিমধ্যে এশ সংখ্যক খণ্ড অতিক্ৰম কৰিছে। ই এক জনপ্ৰিয় কাৰ্যসূচী বুলি উল্লেখ কৰি তেওঁ কয়- দেশৰ সকলো মানুহক সামৰি আনকি দুৰ্গম অঞ্চললৈকে তেওঁৰ মনৰ অনুভৱ লৈ যাবলৈ কৰা প্ৰয়াসৰ বাবে এনে এক কাৰ্যসূচী শুভাৰম্ভ কৰা হৈছিল। ইতিমধ্যে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামাই ২০১৫ চনৰ জানুৱাৰী মাহত প্ৰধানমন্ত্ৰী মোদীৰ স'তে একেলগে 'মন কি বাত'কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। ২২ টাতকৈও অধিক ভাৰতীয় ভাষা আৰু ১১টা বিদেশী ভাষাত অনুবাদ কৰি এই কাৰ্যসূচী সম্প্ৰচাৰ কৰা হৈছেবুলিও তেওঁ কয়। বিশ্বৰ ভিতৰত আটাইতকৈ বেছি লোকে শুনা অনাতাঁৰ অনুষ্ঠানত "মন কি বাত" পৰিণত হৈছেবুলি তেওঁ কয়। এই কাৰ্যসূচী ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়তো পোনপতীয়াকৈ সম্প্ৰচাৰ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত তেওঁ কয় প্ৰধানমন্ত্ৰীৰ আকাশবাণীৰ যোগেদি প্ৰচাৰিত 'মন কি বাত' কাৰ্যসূচী সকলো যুৱ প্ৰজন্মই শুনাটো জৰুৰী। তেওঁ কয়- যুৱ প্ৰজন্মক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ স'তে সংযোগ কৰিবলৈ ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ মহাবিদ্যালয়ত "মন কি বাত"কাৰ্যসূচী সকলোৱে উপভোগ কৰিব পৰাকৈ আয়োজন কৰা হয় বুলি উল্লেখ কৰে। অনুষ্ঠানত ছাত্ৰীনিবাসৰ মনিট্ৰেছ ভাৰ্চী গগৈয়ে উপস্থিত সকলোকে একোখনকৈ ফুলাম গামোছাৰে আদৰণি জনায়। অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাৰ ডিব্ৰুগড় জিলাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি গগৈ, ছাত্ৰী নিবাসৰ অধীক্ষিকা উৰ্মিলা ৰামছিয়াৰীকে ধৰি ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ৰাজ্য চৰকাৰক টিউটৰৰ দৰ্মহা ন্যূনতম ত্ৰিছ হেজাৰ টকা প্ৰদানৰ দাবী শিক্ষক সন্থাৰ

# সদৌ অসম প্ৰাদেশিকীকৃত মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক শিক্ষক (টিউটৰ) সংস্থা ৰ উদ্যোগত সাংবাদমেল

**অসম বাৰ্তা, বটদ্ৰৱা, ২৫ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰে প্ৰাদেশিকীকৰণৰ নামত ভেঞ্চাৰ স্কুলৰ শিক্ষকক টিউটৰ সজাই দৈনিক ৪০০ টকা মজুৰি দি সামাজিক আৰু আৰ্থিক ভাৱে চৰম প্ৰতাৰণা কৰি আহিছে। যোৱা ৫ ফেব্ৰুৱাৰী ২০২১ তাৰিখে বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা তদানীন্তন শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ নিম্ন আৰু উচ্চ প্ৰাথমিক ভেঞ্চাৰ বিদ্যালয়ৰ ৯৭৯৫জন শিক্ষকক "টিউটৰ" নামকৰণৰে নিযুক্তি প্ৰদান কৰি ন্যূনতম মজুৰি প্ৰদানেৰে অন্যান্য চৰকাৰী শিক্ষকৰ দৰে সমকাম কৰাই বৈষম্যমূলক আচৰণ কৰি অসমৰ শৈক্ষিক জগতত এক নেতিবাচক ইতিহাস ৰচনা কৰিলে। বিগত ২৫/ ৩০ বছৰ কাল ধৰি বিনা বেতনেও কপালৰ ঘাম মাটিত পেলাই আৰু নিজৰ মুল্যৱান জীৱন-যৌৱন বিসৰ্জন দি অসমৰ পিছপৰা দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ পোহৰ বিলোৱাটো যেন টিউটৰ ৰূপী শিক্ষকসকলৰ জীৱনৰ বাবে এক অভিশাপ স্বৰূপ হৈ পৰিল। দৰমহা বৃদ্ধিৰ ভুৱা প্ৰতিশ্ৰুতিৰে ৫টা বছৰ পাৰ কৰি টিউটৰ সকলক আৰ্থিক আৰু সামাজিক ভাৱে এক চৰম দুৰ্ভিষ জীৱন-যাপন কৰিবলৈ বাধ্য কৰালে। কিয়নো টিউটৰ সকলে মাহিলী ১২০০০ টকাহে লাভ কৰে। কেৱল ৭২০ টকা বৃদ্ধিৰে টিউটৰ সকলৰ উন্নয়নৰ ডাক-ঢোল বজোৱাটো কিমান সমীচীন, এই প্ৰশ্ন সদৌ অসম নিম্ন আৰু উচ্চ প্ৰাথমিক টিউটৰ সন্থাৰ। আজি সন্থাৰ কেন্দ্ৰীয় সম্পাদক শেখ আব্দুল্লাহ, মুখপাত্ৰ তৰুপ্ৰসাদ শৰ্মা, কাৰ্য্যকৰী সভাপতি আছাদ আলী, যুটীয়া সম্পাদক ইছাহাক আলীয়ে বটদ্ৰৱা সাংবাদিক সন্থাৰ কাৰ্য্যলয়ত সংবাদ মেল সম্বোধন কৰি ৰাজ্য চৰকাৰক অতি কম সময়তে টিউটৰ শিক্ষকৰ সমস্যা সমাধানৰ দাবী জনোৱাৰ লগতে সমস্যা সমাধান নহ'লে আগন্তুক নিৰ্বাচনত কেন্দ্ৰীয় চৰকাৰৰ যি কোনো মন্ত্ৰী সাংসদ ৰাজ্যত আহিলেই টিউটৰ শিক্ষকৰ গণতান্ত্ৰিক আন্দোলনৰ সন্মুখীন হ'ব লাগিব বুলি প্ৰকাশ কৰে। উল্লেখ্য যে নিৰ্বাচনৰ পূৰ্বে ন্যাৰ্য্যতাৰ ভিত্তিত কমেও ৩০, ০০০.০০ টকা দৰমহা বৃদ্ধি কৰি সকলো টিউটৰ (শিক্ষক) ক সামাজিক ভাৱে জীয়াই থকাৰ ব্যৱস্থা কৰা, ২০২১ চনত প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত শিক্ষক আৰু ইতিমধ্যে টিউটৰ হিচাপে অৱসৰ গ্ৰহণ কৰা সকলকো "গুৰু দক্ষিণা" আঁচনিৰ অন্তৰ্ভুক্ত কৰি কমেও ১০ (দহ) লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা, টিউটৰ শিক্ষকৰ দ্বাৰা পৰিচালিত Self Base বিদ্যালয় সমূহত প্ৰয়োজনীয় শিক্ষকৰ অভাৱ পুৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ গুণগত শৈক্ষিক উন্নয়ন সুনিশ্চিত কৰাৰ দাবী উত্থাপন কৰে।

## ■ ভাতৃত্ববোধ ৰক্ষা কৰি সহস্ৰাধিক হিন্দু-মুছমানৰ একেলগে ইফতাৰ ■

# জনীয়াত জেআইকে একাডেমীৰ উদ্যোগত সমূহীয়া ইফতাৰ মেহফিল

**অসম বাৰ্তা, জনীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ জনীয়াৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান জে আই কে একাডেমীৰ উদ্যোগত আৰু দোকানী- ব্যৱসায়ী সকলৰ সহযোগত ২৩ ফেব্ৰুৱাৰীত জে আই কে একাডেমীৰ চৌহদত বৃহত সমূহীয়া ইফতাৰ পাৰ্টিৰ আয়োজন কৰা হয়। এই ইফতাৰ পাৰ্টী অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত জনীয়াৰ ইছলাম ধৰ্মাৱলম্বী দোকানী সকলৰ উপৰিও হিন্দু ধৰ্মাৱলম্বী দোকানী ব্যৱসায়ী সকলে সহযোগিতা আগবঢ়ায়। হিন্দু-মুছমানৰ মিলনৰ তীৰ্থস্থান জনীয়াত প্ৰায় সহস্ৰাধিক ৰোজাদাৰ লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা ইফতাৰ পাৰ্টিৰ দৰে অনুষ্ঠানে জনীয়াৰ একতাৰ এনাজৰীডাল আৰু অধিক মজবুত কৰে বুলি বিভিন্ন মহলে মতপোষণ কৰিছে। এই ইফতাৰ পাৰ্টিত জনীয়া বজাৰ জামে মছজিদৰ ঈমাম আয়নুল হক ঈশাতীৰ ঈমামতিত মগৰিবৰ নামাজ অনুষ্ঠিত হয়। নামাজ পঢ়ি ৰাজ্যখনৰ লগতে দেশ আৰু বিশ্ব শান্তিৰ কামনাৰে আল্লাৰ ওচৰত দোৱা কৰা হয়। জে আই কে একাডেমীৰ স্বত্বাধিকাৰী জেহেৰুল ইছলাম খানৰ লগতে ইফতাৰ পাৰ্টিত সহযোগ কৰা দোকানীসকলে অনাগত দিনতো ইফতাৰ পাৰ্টী অনুষ্ঠিত কৰিব বুলি জানিবলৈ দিয়ে। বৃহত সংখ্যক ৰোজাদাৰ একেলগে ইফতাৰ কৰিবলৈ পাই ৰোজাদাৰসকলে আয়োজক সকলক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## বিৰোধী দলপতিৰ পদ

উত্তৰত কংগ্ৰেছক লৈ তীব্ৰ মন্তব্য কৰিছে। তেওঁ কয় যে, যদি বিৰোধী দলসমূহৰ মাজত আসন বঁটনত কংগ্ৰেছে সংখ্যালঘু প্ৰধান সমষ্টিবোৰ অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ দৰে মিত্ৰ দলক এৰি দিয়ে, তেন্তে কংগ্ৰেছে বিৰোধী দলৰ নেতৃত্বৰ আসনতো বহিব নোৱাৰিব। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনৰ সময়সীমাৰ বিষয়ে কয় যে, "ইলেকচনৰ দিনটোৰ বিষয়ে মই নিশ্চিতকৈ ক'ব নোৱাৰোঁ। কিন্তু অসম চৰকাৰে নিৰ্বাচন আয়োগক অনুৰোধ কৰিছে যে নিৰ্বাচন যাতে যিকোনো কাৰণতে ব'হাগ বিহুৰ আগতে অনুষ্ঠিত হয়। কাৰণ বিহু পাৰ হোৱাৰ পিছতে বৰষুণ আৰম্ভ হ'ব আৰু তেতিয়া নিৰ্বাচন পৰিচালনা কৰাটো অসুবিধাজনক হ'ব।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম জাতীয় পৰিষদক সংখ্যালঘু প্ৰধান কেইবাটাও সমষ্টি এৰি দিয়াৰ সম্ভাৱনাক লৈ কংগ্ৰেছৰ কৰ্মীসকলৰ ক্ষোভৰ প্ৰসংগত কয়, "সংখ্যালঘু প্ৰধান সমষ্টিবোৰত কংগ্ৰেছৰ সংগঠন শক্তিশালী আছে, সেইটো অস্বীকাৰ কৰিব নোৱাৰি। সেইবোৰ সমষ্টিত কংগ্ৰেছে জয়ী হোৱাৰ সম্ভাৱনা শতকৰা ১০০ শতাংশ। কিন্তু যদি ৰাইজৰ দল আৰু জাতীয় পৰিষদক সেই সমষ্টিবোৰ এৰি দিয়ে, তেন্তে কংগ্ৰেছে বিৰোধী নেতৃত্বৰ আসনত বহাৰ পৰাও বঞ্চিত হ'ব। কাৰণ বিৰোধী দলৰ নেতৃত্ব লাভ কৰিবলৈ ন্যূনতম ২২টা আসনৰ প্ৰয়োজন।" বিজেপিৰ আসন বঁটনৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জনায় যে, অগপৰ সৈতে আলোচনা চলি আছে আৰু ৰাভা যৌথ মঞ্চৰ সৈতে প্ৰায় সমাপ্ত হৈছে। বিপিএফৰ সৈতেও ২৮ ফেব্ৰুৱাৰীৰ আগতে আলোচনা সম্পন্ন হ'ব। তেওঁ লগতে কয় যে, বিজেপিৰ শক্তিশালী ১০৩টা সমষ্টি আছে আৰু এইবাৰ প্ৰায় ৪০টা নতুন মুখক টিকেট দিয়া হ'ব। "আমাৰ বৰ্তমান ৬৩জন বিধায়ক আছে, গতিকে নতুন মুখ অহাটো স্বাভাৱিক। মই ক'লেও আহিব, নক'লেও আহিব।" যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ খেলপথাৰত অনুষ্ঠিত আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ অনুদান বিতৰণ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে গোলাঘাট, যোৰহাট আৰু মাজুলীৰ ৫, ৯৫৮ গৰাকী যুৱক-যুৱতীক অনুদান প্ৰদান কৰে। এই আঁচনিৰ জৰিয়তে প্ৰত্যেকে ২ লাখ টকা লাভ কৰিব, যাৰে ১ লাখ টকা ৫ বছৰ পিছত ঘূৰাই দিব লাগিব। প্ৰথম কিস্তিৰূপে ৭৫ হাজাৰ টকা দিয়া হৈছে। কোনো গেৰেণ্টী বা মৰ্টগেজৰ প্ৰয়োজন নাই—এয়া বিশ্বাস আৰু আস্থাৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে, সকলোৰে সহযোগিতাত অহা ৫ বছৰত ১০ লাখ যুৱক-যুৱতীক এই আঁচনিৰ আওতালৈ অনা হ'ব। অসমৰ ৰাজনৈতিক পৰিস্থিতি ক্ৰমান্বয়ে উত্তপ্ত হৈ পৰিছে। নিৰ্বাচনৰ আগতে এনে মন্তব্যই বিৰোধী শিবিৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, সেয়া সময়তে দেখা যাব।

## আজি মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিব 'মুখ্যমন্ত্ৰীৰ নিযুত

অতিথি হিচাপে উপস্থিত থাকিব। এই আঁচনিৰ ধাৰণা মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ পহিলা জানুৱাৰীত ৰাজ্যৰ ৰাইজৰ আগত ঘোষণা কৰিছিল। ইয়াৰ মূল উদ্দেশ্য হৈছে অসমৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ ল'ৰাসকলক উচ্চ শিক্ষাৰ প্ৰতি উৎসাহিত কৰা আৰু শিক্ষাৰ পৰা ড্ৰপআউট হোৱাৰ হাৰ হ্ৰাস কৰা। 'মইনা আঁচনি'ৰ পিছত এই 'নিযুত বাবু আঁচনি'য়ে লিঙ্গ সাম্যতাৰ দিশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। আঁচনিখনৰ অধীনত স্নাতক পৰ্যায়ৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা নিয়মীয়া ছাত্ৰসকলে প্ৰতি মাহে এক হাজাৰ টকাকৈ লাভ কৰিব। এই ধন ১০ মাহলৈ দিয়া হ'ব, অৰ্থাৎ এবছৰত মুঠ দহ হাজাৰ টকা। একেদৰে স্নাতকোত্তৰ পৰ্যায়ৰ প্ৰথম বৰ্ষৰ নিয়মীয়া ছাত্ৰসকলে প্ৰতি মাহে দুহাজাৰ টকাকৈ লাভ কৰিব, যাৰ ফলত বছৰত বিশ হাজাৰ টকা পাব। এই ধন সকলো যোগ্য ছাত্ৰৰ বেংক একাউণ্টত পোনপটীয়াকৈ জমা কৰা হ'ব। আঁচনিখনৰ সুবিধা লাভ কৰিবলৈ ছাত্ৰসকলৰ পৰিয়াল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব আৰু পৰিয়ালৰ বাৰ্ষিক আয় চাৰি লাখ টকাতকৈ অধিক নহ'ব লাগিব। কেৱল স্নাতক আৰু স্নাতকোত্তৰ প্ৰথম বৰ্ষৰ নিয়মীয়া ছাত্ৰহে এই সুবিধাৰ যোগ্য। স্নাতক পৰ্যায়ৰ ছাত্ৰ যদি বিবাহিত হয় তেন্তে সুবিধা লাভ নকৰিব। স্নাতকোত্তৰ পৰ্যায়ত 'মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি'ৰ সুবিধা লাভ কৰা ছাত্ৰই এই আঁচনিৰ সুবিধা লাভ নকৰিব। ছাত্ৰসকলে নিজ নিজ প্ৰতিষ্ঠানৰ সকলো নিয়ম-কানুন কঠোৰভাৱে মানি চলিব লাগিব। ইয়াৰ ভিতৰত নিয়মীয়া উপস্থিতি, শৈক্ষিক আচৰণ, অনুশাসন, অধ্যাপক-কৰ্মচাৰী আৰু সহপাঠীৰ প্ৰতি সন্মানজনক আচৰণ অন্তৰ্ভুক্ত। যদি কোনো ছাত্ৰে অসৎ আচৰণ, ৰেগিং, প্ৰতাৰণা বা অন্য কোনো অগ্ৰহণযোগ্য কাৰ্য কৰে তেন্তে তেওঁ এই আঁচনিৰ সুবিধাৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত হ'ব। আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ অনলাইনৰ জৰিয়তে চলিব। যোগ্য ছাত্ৰসকলে 'সমৰ্থ' প'ৰ্টেলত আবেদন কৰিব লাগিব। উচ্চ শিক্ষা বিভাগে ৬ জানুৱাৰীত জাৰি কৰা নিৰ্দেশনা অনুসৰি আবেদনকাৰীয়ে সকলো তথ্য সঠিক আৰু সম্পূৰ্ণভাৱে দিব লাগিব। প্ৰতিষ্ঠানৰ অধ্যক্ষ বা পঞ্জীয়কে ছাত্ৰৰ তথ্য পৰীক্ষা কৰি প'ৰ্টেলত দাখিল কৰিব। এই আঁচনিয়ে ৰাজ্যৰ ছাত্ৰসকলৰ মাজত উচ্চ শিক্ষাৰ প্ৰতি নতুন উদ্দীপনা সৃষ্টি কৰিব বুলি বিশ্বাস কৰা হৈছে। শুভাৰম্ভণি অনুষ্ঠানত শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ উপস্থিতিত এই আঁচনিৰ বিষয়ে অধিক বিশদভাৱে জনোৱা হ'ব।

## উত্তৰ-পূৰ্বৰ প্ৰথমখন মহিলা

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ভৱনৰ আনুষ্ঠানিক উদ্বোধন কৰে। ২০১৩ চনৰ ১৫ জুলাইত অসম বিধানসভাত অসম মহিলা বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধেয়ক গৃহীত হৈছিল। তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ আগ্ৰহ আৰু প্ৰচেষ্টাত সেই বছৰতে বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা লাভ কৰে। ২০১৪ চনৰ ১১ ছেপ্টেম্বৰত তৰুণ গগৈয়ে নিজেই আনুষ্ঠানিকভাৱে ইয়াৰ উদ্বোধন কৰিছিল। প্ৰাৰম্ভিক সময়ত বিশ্ববিদ্যালয়খন অসম কৃষি বিশ্ববিদ্যালয়ৰ চৌহদত কাম-কাজ চলাই আহিছিল। ২০১৯ চনৰ ১২ ছেপ্টেম্বৰত তদানীন্তন ৰাজ্যপাল জগদীশ মুখীয়ে অধ্যাপক ড° মালিনী গোস্বামীক বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য হিচাপে নিযুক্তি দিয়ে। অসম চৰকাৰে নাৰী শিক্ষাৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে এই বিশ্ববিদ্যালয় স্থাপন কৰিছিল যদিও প্ৰায় ১০ বছৰ ধৰি ইয়াৰ স্থায়ী ঠিকনা আৰু পূৰ্ণাংগ অৱকাঠামোৰ অভাৱ আছিল। নতুন ভৱনত আধুনিক শিক্ষণ-শিক্ষাদানৰ ব্যৱস্থা, পাঠদান কোঠা, শিক্ষক আৰু বিভাগীয় মুৰব্বী অধ্যাপকসকলৰ কাৰ্যালয় স্থাপন কৰা হৈছে। বৰ্তমান ছাত্ৰী নিৱাসৰ নিৰ্মাণ কাম চলি আছে আৰু সোনকালে সম্পূৰ্ণ হ'ব বুলি জানিব পৰা গৈছে। বিশ্ববিদ্যালয়খনত বৰ্তমান মুঠ ১৭টা বিভাগ আছে আৰু সেইবোৰত সৰ্বমুঠ ৪৬টা শৈক্ষিক ডিগ্ৰী পাঠ্যক্ৰম চলি আছে। বিভিন্ন দক্ষতা বিকাশ কাৰ্যসূচী আৰু নতুন শিক্ষা নীতি ২০২০ সফলতাৰে কাৰ্যকৰী কৰি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম মহিলা উচ্চ শিক্ষা প্ৰতিষ্ঠান হিচাপে ইতিমধ্যে দৃষ্টান্ত স্থাপন কৰিছে। লগতে বিশ্ববিদ্যালয়খনে NAAC স্বীকৃতিও লাভ কৰিছে। বৰ্তমান ইয়াত ১, ২০৫ গৰাকী ছাত্ৰী অধ্যয়নৰত। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, "ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন ভৱন উদ্বোধনৰ পিছত আজি অসম মহিলা বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত ভৱন মুকলি কৰিলোঁ। ২০১৩ চনত প্ৰতিষ্ঠিত হ'লেও যোৱা দশকখনত ইয়াক যথেষ্ট অৱহেলা কৰা হৈছিল। যোৱা পাঁচ বছৰত নিৰ্মাণ কাম তীব্ৰতৰ হৈ অৱশেষত আজি পূৰ্ণাংগ ৰূপ লাভ কৰিলে।" স্থানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাই কয়, "আজি কেৱল যোৰহাট বা অসমৰ বাবেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গৌৰৱময় দিন। এই বিশ্ববিদ্যালয় উত্তৰ-পূৰ্বৰ প্ৰথম মহিলা বিশ্ববিদ্যালয় হিচাপে স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত মাইলৰ খুঁটি হৈ পৰিগণিত হ'ব।" অসম মহিলা বিশ্ববিদ্যালয়ৰ ছাত্ৰীসকলে এই ঐতিহাসিক পদক্ষেপৰ বাবে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। এই স্থায়ী ঠিকনা আৰু আধুনিক অৱকাঠামোৰে অসম মহিলা বিশ্ববিদ্যালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ মহিলা শিক্ষাৰ ক্ষেত্ৰত নতুন দিশৰ সূচনা কৰিব বুলি বিশ্বাস কৰা হৈছে।

## তিনি গগৈ কেৱল এটা ৰাজনৈতিক টেগলাইন

বিৰোধী দলসমূহৰ মাজত ঐক্য গঠন আৰু আসন বঁটনৰ লৈ চৰ্চা অব্যাহত থকাৰ মাজতে 'তিনি গগৈ'ৰ প্ৰসংগই পুনৰবাৰ ৰাজ্যৰ ৰাজনীতিত উত্তাপ সৃষ্টি কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ ঐক্যবদ্ধ হোৱাৰ সম্ভাৱনাক লৈ বিৰোধী শিবিৰত আশাবাদী মত প্ৰকাশ পোৱাৰ বিপৰীতে শাসক দল বিজেপিয়ে এই ধাৰণাক তীব্ৰভাৱে সমালোচনা কৰি আহিছে। এই প্ৰসংগতে নাহৰকটীয়া সমষ্টিৰ বিজেপি বিধায়ক তৰংগ গগৈয়ে তিনি গগৈক লৈ তীব্ৰ কটাক্ষ কৰিছে। বিধায়ক তৰংগ গগৈয়ে কয় যে, "তিনি গগৈ এটা পলিটিকেল টেগ লাইনহে মাত্ৰ, নামত আছে কিন্তু কামত নাই। সকলোৰে নিজৰ স্বাৰ্থৰ বাবেহে কাম কৰে। গৌৰৱ গগৈ নামতহে গগৈ, কামত নহয়। নিজৰ সন্তানটোকো আজিলৈকে গগৈ কৰি ৰাখিব নোৱাৰিলে। যদি সঁচাকৈয়ে অসম আৰু আহোম জনগোষ্ঠীক ভাল পায়, তেন্তে কিয় নিজৰ সন্তানক লণ্ডনলৈ পঠাই বৃটিছ নাগৰিক কৰিলে? কিয় আহোম কৰি ৰাখিব নোৱাৰিলে?" তেওঁ লগতে কটাক্ষ কৰি কয় যে, "ইমান বছৰ আমি বৃটিছৰ গোলামী কৰিলোঁ। গতিকে বৃটিছ মহিলাক বিয়া পাতি আনি আহোম কৰি গৌৰৱহে কৰিব লাগিছিল, কিন্তু ওলোটাই নিজৰ সন্তানকহে বৃটিছ কৰিলে।" বিধায়ক তৰংগ গগৈয়ে দাবী কৰে যে উজনি অসমত তিনি গগৈৰ কোনো প্ৰভাৱ নপৰে। "পুনৰ এইবাৰ বিজেপি চৰকাৰ গঠন হ'ব। ৮০টা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিব। তিনি গগৈ কেৱল এটা ৰাজনৈতিক টেগলাইন। আহোম সমাজৰ বাবে কোনে প্ৰকৃত কাম কৰি আছে, অসমৰ ৰাইজে ভালদৰে জানে।" তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আহোম সম্প্ৰদায়ৰ বাবে হোৱা উন্নয়নৰ কথা উল্লেখ কৰি কয় যে, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিনত আহোম মানুহৰ বাবে যিমান কাম হৈছে, আগতে কেতিয়াও নহৈছিল। চাওলুং চুকাফাই প্ৰথম ভৰি নাহৰকটীয়া টিপামত থৈছিল, কিন্তু আজিলৈকে তাত একো নহৈছিল। তেখেতৰ এটা মূৰ্তিও নাছিল। কিন্তু মুখ্যমন্ত্ৰীৰ নেতৃত্বত ১৫ কোটি টকাৰ প্ৰকল্প হৈ আছে আৰু চ্যুকাফাৰ ৫২ ফুটৰ মূৰ্তি নিৰ্মাণ কৰা হৈছে। দিল্লীত লাচিত বৰফুকনৰ জন্মজয়ন্তীও অনুষ্ঠিত হৈছে।" বিৰোধী দলসমূহৰ ঐক্য গঠনৰ প্ৰচেষ্টাৰ মাজতে এই ধৰণৰ মন্তব্যই ৰাজ্যৰ ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিছে। বিধানসভা নিৰ্বাচনৰ আগতে এনে ব্যক্তিগত আৰু সম্প্ৰদায়ভিত্তিক কটাক্ষই ভোটাৰৰ মাজত কেনে প্ৰভাৱ পেলাব, সেয়া সময়তে দেখা যাব। অসমৰ ৰাজনৈতিক বতাহত এতিয়া উত্তাপ বাঢ়ি আহিছে, আৰু নিৰ্বাচনী প্ৰচাৰৰ আৰম্ভণিৰ লগে লগে এনে বাকযুদ্ধ আৰু তীব্ৰতৰ হ'ব বুলি ধাৰণা কৰা হৈছে।

## আহমেদাবাদ বিমান দুৰ্ঘটনাৰ তদন্তত হস্তক্ষেপ

জনস্বাৰ্থজনিত আবেদন (পিআইএল) খাৰিজ কৰিছে। আদালতে এই আবেদনখনক "সম্পূৰ্ণ ভুল ধাৰণাৰ ওপৰত ভিত্তি কৰি দাখিল কৰা" বুলি অভিহিত কৰি কয় যে বিমান দুৰ্ঘটনাৰ দৰে জটিল আৰু গুৰুত্বপূৰ্ণ বিষয়ৰ তদন্তত আদালতে হস্তক্ষেপ কৰিব নোৱাৰে। ২০২৫ চনৰ ১২ জুনত আহমেদাবাদৰ চৰ্দাৰ বল্লভভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা লণ্ডন গেটৱিক অভিমুখী এয়াৰ ইণ্ডিয়াৰ ফ্লাইট AI-171 (ব'ইং ৭৮৭-৮ ড্ৰিমলাইনাৰ) উৰা মৰাৰ মাত্ৰ ৩২ ছেকেণ্ডৰ ভিতৰতে দুৰ্ঘটনাগ্ৰস্ত হৈছিল। বিমানখনে উৰণৰ পিছত অলপতে উচ্চতা হেৰুৱাই এ. জে. মেডিকেল কলেজৰ হোষ্টেল ভৱনত আছড়ি পৰিছিল, যাৰ ফলত বিমানখনত থকা ২৪২জন যাত্ৰী আৰু কৰ্মচাৰীৰ ভিতৰত ২৪১ জনৰ মৃত্যু হৈছিল। মাটিত থকা কেইবাজনো লোকো এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছিল। মুঠ মৃত্যুৰ সংখ্যা ২৬০জন বুলি জনা গৈছে। এজন যাত্ৰীয়ে কেৱল অলৌকিকভাৱে প্ৰাণ ৰক্ষা কৰিছিল। প্ৰাৰম্ভিক তদন্তত জানিব পৰা গৈছে যে দুৰ্ঘটনাৰ মূল কাৰণ আছিল বিমানৰ দুয়োটা ইঞ্জিনলৈ জ্বালানী যোগান বন্ধ হোৱা, অৰ্থাৎ ককপিটত থকা জ্বালানী কণ্ট্ৰ'ল চুইচসমূহ "ৰান"ৰ পৰা "কাট-অফ" অৱস্থালৈ স্থানান্তৰিত হোৱা। এই ঘটনাৰ সঠিক সময় আৰু পদ্ধতিৰ বিষয়ে বিশদ তথ্য ৰাজহুৱা কৰাৰ দাবী উত্থাপন কৰি আবেদন দাখিল কৰা হৈছিল। আই আই টি দিল্লীৰ মেকানিকেল ইঞ্জিনিয়াৰ সুৰেশ চন্দ শ্ৰীবাস্তৱে এই জনস্বাৰ্থজনিত আবেদন দাখিল কৰিছিল। তেওঁৰ মতে বিমানৰ দুয়োটা ইঞ্জিন বিকল হোৱাৰ আঁৰত কাৰিকৰী কাৰণ আছিল আৰু সেইবোৰ সঠিকভাৱে তদন্ত প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰাটো অতি জৰুৰী। আবেদনকাৰীয়ে বিমান দুৰ্ঘটনা অনুসন্ধান ব্যুৰো (এ এ আই বি)ৰ প্ৰাৰম্ভিক প্ৰতিবেদনত সমগ্ৰ ঘটনাৰ ক্ৰম, ইঞ্জিনৰ ফ্ৰেম-আউটৰ সময় আৰু জ্বালানী চুইচৰ স্থানান্তৰৰ সঠিক সময়-সাৰণী অন্তৰ্ভুক্ত কৰাৰ দাবী জনাইছিল। তেওঁৰ অধিবক্তাই যুক্তি দিছিল যে ইঞ্জিন বিকল হোৱাৰ সঠিক কাৰণ জানিবলৈ এই প্ৰযুক্তিগত তথ্যসমূহৰ বিশ্লেষণ অপৰিহাৰ্য। বুধবাৰে মুখ্য ন্যায়াধীশ ডি. কে. উপাধ্যায় আৰু ন্যায়াধীশ তেজছ কাৰিয়াৰ গঠিত বিচাৰপীঠে এই আবেদনখন খাৰিজ কৰে। আদালতে স্পষ্ট কৰি দিয়ে যে বিমান দুৰ্ঘটনাৰ দৰে অত্যন্ত জটিল বিষয়ৰ তদন্ত বিশেষজ্ঞ আৰু প্ৰশিক্ষিত ব্যক্তিসকলে কৰে। তেওঁলোকে নিজৰ জ্ঞান, অভিজ্ঞতা আৰু আন্তৰ্জাতিক মানদণ্ড অনুসৰি প্ৰতিবেদন প্ৰস্তুত কৰে। আদালতে এনে প্ৰতিবেদনত নিজাববীয়াকৈ কোনো তথ্য যোগ কৰিব বা সলনি কৰিব নোৱাৰে। আদালতে লগতে উল্লেখ কৰে যে তদন্ত এতিয়াও চলি আছে আৰু এতিয়ালৈকে কেৱল প্ৰাৰম্ভিক প্ৰতিবেদনহে প্ৰকাশ পাইছে। চূড়ান্ত প্ৰতিবেদন প্ৰকাশৰ পিছতহে সম্পূৰ্ণ ছবিখন স্পষ্ট হ'ব। যদি আবেদনকাৰীয়ে কোনো নিৰ্দিষ্ট তথ্য বিচাৰে, তেন্তে তথ্যৰ অধিকাৰ আইন (আৰ টি আই)ৰ জৰিয়তে আবেদন কৰিব পাৰে। যদি আইন অনুসৰি সেই তথ্য প্ৰকাশ কৰিব পৰা যায়, তেন্তে সেয়া লাভ কৰিবলৈ পাৰিব। এই ৰায়ে বিমান দুৰ্ঘটনা তদন্তৰ স্বাধীনতা আৰু বিশেষজ্ঞতাক গুৰুত্ব দিয়াৰ লগতে জনসাধাৰণৰ তথ্য জানিবলৈ অধিকাৰৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ প্ৰয়াসক দেখুৱাইছে। দুৰ্ঘটনাৰ চূড়ান্ত তদন্ত প্ৰতিবেদনৰ অপেক্ষাত দেশ আৰু আন্তৰ্জাতিক সমাজৰ দৃষ্টি আছে।

## ৪০টা সমষ্টিত বিজেপিৰ

৬৩টা আসন থকাৰ পৰিপ্ৰেক্ষিতত এইবাৰ প্ৰায় ৪০টা সমষ্টিত নতুন প্ৰাৰ্থীক সুযোগ দিয়া হ'ব বুলি তেওঁ স্পষ্ট কৰে। এই কৌশলক মুখ্যমন্ত্ৰীয়ে "প্ৰি-ইনকাম্বেঞ্চী" (anti-incumbencyৰ পূৰ্বপ্ৰস্তুতি) বুলি অভিহিত কৰি কয় যে ইয়াৰ জৰিয়তে দলৰ জনপ্ৰিয়তাক সতেজ ৰখাৰ লগতে নতুন শক্তি আৰু নতুন মুখৰ সংযোজনেৰে জনসাধাৰণৰ আকৰ্ষণ বৃদ্ধি কৰা হ'ব। তেওঁ লগতে কয় যে "আমাৰ ৬৩জন বিধায়ক আছে, গতিকে স্বাভাৱিকতে প্ৰায় ৪০টা নতুন মুখ আগবাঢ়িব।" ইফালে বিৰোধী শিবিৰৰ আসন বণ্টন আলোচনাক লৈ তীব্ৰ মন্তব্য কৰি ড° শৰ্মাই কয় যে কংগ্ৰেছে যদি জয়ৰ সম্ভাৱনা থকা সমষ্টিসমূহ ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদক এৰি দিয়ে, তেন্তে আগন্তুক বিধানসভাত কংগ্ৰেছে বিৰোধী দলপতিৰ মৰ্যাদা হেৰুৱাব পাৰে। তেওঁৰ মতে কংগ্ৰেছে সংখ্যালঘু অধ্যুষিত সমষ্টিসমূহত শক্তিশালী অৱস্থানত থাকিলেও মিত্ৰ দলসমূহক গুৰুত্বপূৰ্ণ আসন এৰি দিলে নিজৰ স্থিতি দুৰ্বল হ'ব। আনহাতে নিৰ্বাচনৰ সময়সূচী সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে জনায় যে ৰাজ্য চৰকাৰে ইতিমধ্যে নিৰ্বাচন আয়োগক আনুষ্ঠানিকভাৱে অনুৰোধ জনাইছে যাতে ৰঙালী বিহুৰ আগতেই ভোটগ্ৰহণ সম্পন্ন কৰা হয়। তেওঁৰ যুক্তি হৈছে যে বিহুৰ দৰে ৰাজ্যৰ গুৰুত্বপূৰ্ণ সাংস্কৃতিক উৎসৱক ৰাজনৈতিক প্ৰচাৰ আৰু নিৰ্বাচনী প্ৰভাৱৰ পৰা মুক্ত ৰখা উচিত। বিহুৰ আগতে নিৰ্বাচন হ'লে উৎসৱৰ আনন্দ অটুট থাকিব আৰু ৰাইজে নিৰ্বিঘ্নে অংশগ্ৰহণ কৰিব পাৰিব। এই ঘোষণাই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিক নতুন গতি প্ৰদান কৰিছে। বিজেপিৰ এই কৌশলে দলৰ ভিতৰুৱা পুনৰ্গঠন আৰু জনসাধাৰণৰ মাজত নতুন উদ্দীপনা সৃষ্টি কৰিব বুলি ৰাজনৈতিক মহলত ধাৰণা কৰা হৈছে।

## দিল্লীত পুনৰ বৰ্ণ বৈষম্যৰ

গৰাকী যুৱতীক জাতিগত ভিত্তিত তীব্ৰ অপমান আৰু অপৰাধমূলক ভাবুকি দিয়াৰ অভিযোগত স্থানীয় এটা দম্পতীৰ বিৰুদ্ধে মালব্য নগৰ থানাত গোচৰ ৰুজু কৰা হৈছে। অভিযুক্ত দম্পতী হৰ্ষ সিং (বা হৰ্ষ প্ৰিয়া সিং) আৰু তেওঁৰ পত্নী ৰুবী জৈনক ইতিমধ্যে দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ঘটনাটো ২০ ফেব্ৰুৱাৰীৰ আবেলি প্ৰায় ৩: ৩০ বজাত সংঘটিত হৈছিল। অভিযোগকাৰী তিনিগৰাকী মহিলাই নিজৰ ভাড়া ঘৰৰ চতুৰ্থ তলাত এয়াৰ কণ্ডিচনাৰ (AC) স্থাপনৰ বাবে ইলেকট্ৰিচিয়ান মতাইছিল। কামৰ সময়ত ড্ৰিলিঙৰ ধূলি-মলি তলৰ তলাত পৰাত অভিযুক্ত দম্পতীয়ে আপত্তি উত্থাপন কৰে। এই সামান্য বিবাদ শীঘ্ৰেই তীব্ৰ ৰূপ লৈ লয় আৰু অভিযুক্তসকলে মহিলাসকলক জাতিগত ভিত্তিত অশ্লীল গালি-গালাজ দিয়ে। তেওঁলোকে মহিলাসকলক "মোমো বিক্ৰেতা", "ধন্দেওৱালী" (যৌনকৰ্মী), "মছাজ পাৰ্লাৰত কাম কৰা" বুলি অভিহিত কৰি উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলক "আৱৰ্জনা" বুলি কয়। লগতে মহিলাসকলৰ মৰ্যাদাহানি কৰাৰ দৰে অশ্লীল মন্তব্য কৰা হয়। এই ঘটনাৰ ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱাত সমগ্ৰ দেশতে তীব্ৰ ক্ষোভৰ সৃষ্টি হয়। দিল্লী আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ধাৰা ৭৯ (মহিলাৰ মৰ্যাদা হানি কৰা), ৩৫১(২) (অপৰাধমূলক ভাবুকি), ৩(৫) (সাধাৰণ অভিপ্ৰায়) আৰু ১৯৬ (ধৰ্ম, জাতি, জন্মস্থান আদিৰ ভিত্তিত শত্ৰুতা বৃদ্ধি)ৰ অধীনত গোচৰ ৰুজু কৰে। পিছত অভিযোগৰ গুৰুত্ব বিবেচনা কৰি অনুসূচিত জাতি-জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইনৰো ধাৰা যোগ কৰা হয়। অভিযোগকাৰী মহিলাসকলে মানসিক হাৰাশাস্তি আৰু অপমানৰ অভিযোগ উত্থাপন কৰিছে যদিও কোনো শাৰীৰিক আঘাতৰ খবৰ নাই। আৰক্ষীয়ে জনোৱা মতে, অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰি জিজ্ঞাসাবাদ চলি আছে আৰু তদন্তক উচ্চ পদৰ বিষয়াই তদাৰক কৰি আছে। এই ঘটনাক গুৰুত্বসহকাৰে লৈ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে তীব্ৰ নিন্দা কৰিছে। তেওঁ জনায় যে ঘটনাৰ খবৰ পোৱাৰ লগে লগে তেওঁ দিল্লী আৰক্ষী আয়ুক্তৰ সৈতে যোগাযোগ কৰি অভিযুক্তসকলক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে এনে আচৰণ সমাজত কোনো স্থান নাই আৰু তিনিগৰাকী যুৱতীৰ সুৰক্ষা, মৰ্যাদা আৰু ন্যায় তেওঁৰ শীৰ্ষ অগ্ৰাধিকাৰ। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈকে এই ঘটনাৰ তীব্ৰ নিন্দা কৰিছে। ইয়াৰ উপৰিও কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই অৰুণাচলৰ মুখ্যমন্ত্ৰী আৰু দিল্লী আৰক্ষী আয়ুক্তৰ সৈতে কথা পাতি তৎকালীন কঠোৰ ব্যৱস্থাৰ নিৰ্দেশ দিছে। এই ঘটনাই উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলৰ প্ৰতি জাতিগত বৈষম্য আৰু নিৰাপত্তাৰ প্ৰশ্নক পুনৰ উত্থাপন কৰিছে। ৰাজনৈতিক মহল আৰু সমাজৰ বিভিন্ন অংশই এনে ঘটনাৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা আৰু সচেতনতাৰ দাবী জনাইছে।

## দিল্লীৰ নাম সলনি কৰি

উঠিছে। চান্দনীচক সমষ্টিৰ বিজেপি সাংসদ প্ৰবীণ খাণ্ডেলৱালে দিল্লীৰ নাম সলনি কৰি পুনৰ 'ইন্দ্ৰপ্ৰস্থ' নামকৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আনুষ্ঠানিকভাৱে আবেদন জনাইছে। সাংসদগৰাকীয়ে শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তালৈ পৃথক পত্ৰ লিখি এই ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। প্ৰবীণ খাণ্ডেলৱালে তেওঁৰ পত্ৰত উল্লেখ কৰিছে যে 'ইন্দ্ৰপ্ৰস্থ' নামটোৱে দিল্লীৰ প্ৰকৃত ঐতিহাসিক শিপা আৰু ভাৰতীয় সভ্যতাৰ গৌৰৱময় অতীতক পুনৰ জাগ্ৰত কৰিব। মহাভাৰতৰ বৰ্ণনা অনুসৰি ইন্দ্ৰপ্ৰস্থ আছিল পাণ্ডৱসকলৰ ৰাজধানী—যমুনা নদীৰ পাৰত অৱস্থিত এক অতি সুন্দৰ আৰু সমৃদ্ধ নগৰী। বৰ্তমানৰ দিল্লীৰ ভৌগোলিক অৱস্থানৰ সৈতে সেই প্ৰাচীন নগৰীৰ সাদৃশ্য আছে বুলি তেওঁ যুক্তি দাঙি ধৰিছে। তেওঁৰ মতে বৰ্তমানৰ 'দিল্লী' নামটোৱে চহৰখনৰ প্ৰাচীন ঐতিহ্য আৰু সাংস্কৃতিক পৰিচয়ক সঠিকভাৱে প্ৰতিফলিত নকৰে। সাংসদগৰাকীয়ে নিজৰ দাবীক অধিক যুক্তিপূৰ্ণ কৰি তুলিবলৈ ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপ সংস্থা (এ এছ আই)ৰ দ্বাৰা পুৰণি কিলাত অনুষ্ঠিত খননকাৰ্যৰ উদাহৰণ দাঙি ধৰিছে। খননত প্ৰায় এক হাজাৰ বছৰ খ্ৰীষ্টপূৰ্বৰ প্ৰাচীন বসতিৰ প্ৰমাণ লাভ হৈছে। ইয়াৰ উপৰিও মহাভাৰতৰ যুগৰ মাটিৰ পাত্ৰ আৰু অন্যান্য প্ৰত্নবস্তু উদ্ধাৰ হৈছে। এই প্ৰমাণসমূহে প্ৰমাণ কৰে যে বৰ্তমানৰ দিল্লীৰ স্থানতে এসময়ত ইন্দ্ৰপ্ৰস্থ নগৰী অৱস্থিত আছিল বুলি তেওঁ দাবী কৰিছে। প্ৰবীণ খাণ্ডেলৱালে কেৱল নাম সলনিৰ দাবীতে সীমাবদ্ধ নহয়। তেওঁ চৰকাৰক আহ্বান জনাইছে যে দিল্লীত পাণ্ডৱসকলৰ প্ৰতিমূৰ্তি স্থাপন কৰি নতুন প্ৰজন্মক ভাৰতীয় মহাকাব্য আৰু সংস্কৃতিৰ সৈতে পৰিচয় কৰাই দিয়া হওক। শেহতীয়াকৈ কেন্দ্ৰীয় কেবিনেটে কেৰালা ৰাজ্যৰ নাম 'কেৰালাম' কৰাৰ প্ৰস্তাৱ অনুমোদন জনোৱাৰ পিছতে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়েও ৰাজ্যৰ নাম 'বংগ' কৰাৰ দাবী উত্থাপন কৰিছে। এনে পৰিৱেশৰ মাজতে দিল্লীৰ নাম 'ইন্দ্ৰপ্ৰস্থ' কৰাৰ দাবীয়ে সমগ্ৰ দেশতে নতুন চৰ্চাৰ সৃষ্টি কৰিছে। যদি এই প্ৰস্তাৱ কাৰ্যকৰী হয়, তেন্তে ভাৰতৰ ৰাজধানীয়ে নিজৰ পৌৰাণিক আৰু ঐতিহাসিক পৰিচয় পুনৰ লাভ কৰিব বুলি একাংশ ৰাজনৈতিক ব্যক্তিত্ব আৰু সাংস্কৃতিক কৰ্মীয়ে আশা প্ৰকাশ কৰিছে। অৱশ্যে এই দাবীক লৈ সমাজৰ বিভিন্ন অংশত মতভেদো দেখা গৈছে। কেন্দ্ৰীয় চৰকাৰে এই প্ৰস্তাৱক লৈ কি সিদ্ধান্ত গ্ৰহণ কৰে সেয়া এতিয়া সময়ৰ অপেক্ষা।

## যিকোনো সময়তে ভংগ হ'ব

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে স্পষ্টভাৱে জনাইছে যে ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ সৈতে মিত্ৰতাৰ সম্ভাৱনাৰ প্ৰতি তেওঁৰ আগৰ দৰে পজিটিভ মনোভাৱ এতিয়া আৰু নাই। তেওঁ এই পৰিস্থিতিত নিজকে অসহায় অনুভৱ কৰা বুলিও প্ৰকাশ কৰিছে। বুধবাৰে গুৱাহাটীত সাংবাদিকৰ সৈতে কথা পাতি গৌৰৱ গগৈয়ে কয়, "অখিল গগৈ আগৰ পৰাই মিডিয়াৰ সন্মুখত সকলো কথা খোলাখুলিকৈ কয়। কিন্তু আমাৰ অভ্যাস আৰু পৰম্পৰা তেনে নহয়। আমি আনুষ্ঠানিকভাৱে বহি, গোপনীয়তা ৰক্ষা কৰি আলোচনা কৰোঁ আৰু তাৰ পিছতহে প্ৰয়োজন অনুসৰি কথা প্ৰকাশ কৰোঁ। এতিয়ালৈকে কোন দলৰ লগত কোনখন আসনৰ ওপৰত আলোচনা হৈছে— সেইবোৰ কথা মই মিডিয়াত কোৱা নাই।" গৌৰৱ গগৈয়ে অখিল গগৈৰ কাৰ্যকলাপক লৈ গুৰুতৰ অসন্তোষ প্ৰকাশ কৰি কয়, "তেওঁ এনে এজন বিধায়কক লৈছে যাক কংগ্ৰেছে নিলম্বিত কৰিছিল। আন এজন বিধায়কক লৈছে যাৰ বিৰুদ্ধে আমাৰ দলত বহু অভিযোগ আছিল। এনে পৰিস্থিতি আমি বহুদিন ধৰি চাই আহিছোঁ। এইবোৰ কথাই আমাৰ দলৰ ভিতৰতো চৰ্চাৰ সৃষ্টি কৰিছে। ইয়াৰ পৰা কি বুজি পোৱা যায় সেইটো আমিও স্পষ্টভাৱে বুজিব পৰা নাই।" অখিল গগৈৰ সৈতে মিত্ৰতাৰ সম্ভাৱনাক লৈ গৌৰৱ গগৈয়ে আৰু স্পষ্ট কৰি কয়, "বিভিন্ন দলৰ লগত আমাৰ আলোচনা সম্পন্ন হৈ গৈছে। কেৱল এটা বিশেষ দলৰ লগতহে আধৰুৱা হৈ আছে। ৰাইজৰ দলৰ সৈতে আনুষ্ঠানিক আলোচনা এতিয়াও সম্পন্ন হোৱা নাই। আগতে মই যিমান পজিটিভ আছিলোঁ, আজিৰ তাৰিখত মোৰ সেই পজিটিভিটি কমি আহিছে। তথাপি মই শেষ পৰ্যন্ত চেষ্টা কৰিম যাতে সকলো দলকে লৈ ঐক্য গঠন হয়। কিন্তু মোৰ মন এতিয়া আগৰ দৰে সক্ৰিয় আৰু আশাবাদী নহয়।" গৌৰৱ গগৈয়ে লগতে কয়, "ৰাইজে সকলো কথা জানে আৰু বুজি পায়। কাৰ শক্তি বেছি সেইটো ৰাইজেই নিৰ্ধাৰণ কৰিব। পঞ্চায়ত নিৰ্বাচন আৰু বিগত বিধানসভা নিৰ্বাচনত ৰাইজে নিজৰ মতামত স্পষ্ট কৰিছে। ৰাইজে হিমন্ত বিশ্ব শৰ্মাক আঁতৰাব বিচাৰে সেই কথা মই ভালদৰে জানো।" গৌৰৱ গগৈৰ এই মন্তব্যৰ পৰা স্পষ্ট হৈ পৰিছে যে কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত আসন বুজাবুজি আৰু মিত্ৰতাৰ সম্ভাৱনা ক্ৰমান্বয়ে দুৰ্বল হৈ পৰিছে। অসম জাতীয় পৰিষদৰ সৈতে আসন বুজাবুজি প্ৰায় চূড়ান্ত হ'লেও ৰাইজৰ দলৰ ক্ষেত্ৰত জটিলতা বাঢ়িছে। এনে পৰিস্থিতিত ২০২৬ৰ নিৰ্বাচনত বিৰোধী শক্তিসমূহৰ ঐক্যবদ্ধতাৰ সম্ভাৱনাৰ ওপৰত বৃহৎ প্ৰশ্নচিহ্নৰ সৃষ্টি হৈছে। নিৰ্বাচনী প্ৰেক্ষাপটত এই উন্নয়নসমূহে অহা দিনকেইটাত বিৰোধী শিবিৰৰ ৰণনীতিত কেনে প্ৰভাৱ পেলায় সেয়া সময়তে দেখা যাব।

## অনুজ্ঞাপত্ৰ থকা সকলো অস্ত্ৰ-শস্ত্ৰ এসপ্তাহৰ

তথা দণ্ডাধীশ স্বপ্নীল পালে অস্ত্ৰ আইন, ১৯৫৯ (নং ৫৪/১৯৫৯)-ৰ ধাৰা ১৭(৩)(খ) আৰু ধাৰা ২১(১)-ত প্ৰদান কৰা ক্ষমতাৰ অধীনত এই নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশ অনুসৰি কামৰূপ মহানগৰ জিলাত অনুজ্ঞাপত্ৰ থকা সকলো ব্যক্তিয়ে নিজৰ অস্ত্ৰ-শস্ত্ৰ (গুলী-বাৰুদসহ) নিৰ্দেশ জাৰি হোৱাৰ পৰা সাত দিনৰ ভিতৰত নিকটতম থানাত জমা দিব লাগিব। নিৰ্বাচনী ফলাফল ঘোষণা হোৱাৰ পিছত এসপ্তাহলৈকে অৰ্থাৎ সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে এই অস্ত্ৰসমূহ থানাতেই জমা ৰখা হ'ব। ইয়াৰ ফলত নিৰ্বাচনৰ সময়ত আইন-শৃংখলাৰ অৱনতি বা ভয়-ভাবুকিৰ পৰিস্থিতিৰ সৃষ্টি নহ'ব বুলি প্ৰশাসনে আশা কৰিছে। যদি কোনো সংস্থা, প্ৰতিষ্ঠান, বিভাগ বা ব্যক্তিয়ে এই নিৰ্দেশৰ পৰা অব্যাহতি বিচাৰে, তেন্তে তেওঁলোকে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ নম্বৰ, একক পৰিচয় নম্বৰ (ইউ আই এন), অস্ত্ৰৰ নম্বৰ আৰু অব্যাহতিৰ কাৰণ স্পষ্টকৈ উল্লেখ কৰি লিখিত আবেদন জিলা আয়ুক্তৰ কাৰ্যালয়ত দাখিল কৰিব লাগিব। প্ৰশাসনে প্ৰয়োজনীয় পৰ্যালোচনাৰ পিছত সিদ্ধান্ত ল'ব। ঋঅস্ত্ৰ জমা দিয়াৰ সময়ত সংশ্লিষ্ট থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই প্ৰতিটো অস্ত্ৰৰ বিপৰীতে ৰচিদ প্ৰদান কৰিব। নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ এসপ্তাহ পিছত অস্ত্ৰসমূহ অনুজ্ঞাপত্ৰধাৰীক ঘূৰাই দিয়া হ'ব। নিৰ্দেশ অমান্য কৰিলে ভাৰতীয় ন্যায় সংহিতা, ২০২৩-ৰ ধাৰা ২২৩ আৰু অস্ত্ৰ আইনৰ বিধান অনুসৰি কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সতৰ্ক কৰি দিয়া হৈছে। উল্লেখ্য যে অসমত বিধানসভা নিৰ্বাচনৰ আগতে এনে নিৰ্দেশ সাধাৰণতে জাৰি কৰা হয়, যাতে নিৰ্বাচনকালীন সময়ছোৱাত অস্ত্ৰৰ অপব্যৱহাৰ বা আইন-শৃংখলাৰ অৱনতি নহয়। কামৰূপ মহানগৰ জিলাৰ এই পদক্ষেপে ৰাজ্যৰ অন্যান্য জিলাসমূহতো একে ধৰণৰ ব্যৱস্থা গ্ৰহণৰ সম্ভাৱনাক প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে এতিয়াও আনুষ্ঠানিক সময়সূচী ঘোষণা কৰা নাই যদিও বিভিন্ন সূত্ৰ অনুসৰি মাৰ্চ-এপ্ৰিল মাহত ভোটগ্ৰহণ হ'ব পাৰে। ৰঙালী বিহুৰ দৰে গুৰুত্বপূৰ্ণ উৎসৱৰ কথা বিবেচনা কৰি সময়সূচী নিৰ্ধাৰণ কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্তই ইতিমধ্যে সূচনা কৰিছে। এই নিৰ্দেশনাই নিৰ্বাচনী পৰিৱেশক অধিক নিৰাপদ আৰু নিৰপেক্ষ কৰি তুলিব বুলি আশা কৰা হৈছে।

## ভাৰত আৰু ইজৰাইলৰ মাজত দৃঢ় মিত্ৰতাৰ বাৰ্তা

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু তেওঁৰ পত্নী ছাৰায়ে টেল আভিভ বিমানবন্দৰত তেওঁক উষ্ম অভ্যৰ্থনা জনোৱাৰ পিছতে প্ৰধানমন্ত্ৰী মোদীয়ে নেতান্যাহুৰ সৈতে সাক্ষাৎ কৰি তাৰ পিছত নেচেটত উপস্থিত হয়। নেচেটত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, "এই প্ৰতিষ্ঠিত সদনৰ সন্মুখত থিয় দিয়াটো মোৰ বাবে এক সৌভাগ্য আৰু সন্মান। মই ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে আৰু এখন প্ৰাচীন সভ্যতাৰ প্ৰতিনিধি হিচাপে আন এখন সভ্যতাক সম্বোধন কৰি এনে কাম কৰিছো। মই মোৰ লগত লৈ আছো ১.৪ বিলিয়ন ভাৰতীয়ৰ শুভেচ্ছা আৰু বন্ধুত্ব, সন্মান আৰু অংশীদাৰিত্বৰ বাৰ্তা।" প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদক "য'তেই সংঘটিত হওক, সকলোতে শান্তিৰ প্ৰতি ভাবুকি" বুলি অভিহিত কৰি কয় যে ইজৰাইলৰ দৰেই ভাৰততো সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ এক সামঞ্জস্যপূৰ্ণ আৰু আপোচবিহীন নীতি আছে, য'ত কোনো দ্বৈত মানদণ্ড নাই। তেওঁ ২০২৩ চনৰ ৭ অক্টোবৰত হামাছে কৰা সন্ত্ৰাসবাদী আক্ৰমণত হেৰুৱা পৰিয়ালসমূহৰ প্ৰতি ভাৰতৰ গভীৰ শোক প্ৰকাশ কৰে আৰু কয়, "আমি আপোনালোকৰ দুখ অনুভৱ কৰিছো, আমি আপোনালোকৰ দুখৰ অংশীদাৰ। ভাৰত এতিয়া আৰু ভৱিষ্যতে ইজৰাইলৰ সৈতে দৃঢ় আৰু আত্মবিশ্বাসেৰে থিয় দিছে। কোনো কাৰণেই সাধাৰণ নাগৰিকক হত্যা কৰাটো ন্যায্যতা প্ৰদান কৰিব নোৱাৰে। সন্ত্ৰাসবাদক একোৱেই ন্যায্যতা প্ৰদান কৰিব নোৱাৰে।" প্ৰধানমন্ত্ৰী মোদীয়ে গাজা শান্তি পদক্ষেপক উল্লেখ কৰি কয় যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অনুমোদন লাভ কৰা এই পদক্ষেপে অঞ্চলটোত "ন্যায্য আৰু স্থায়ী শান্তি"ৰ প্ৰতিশ্ৰুতি দিছে। তেওঁ লগতে কয় যে ভাৰতে এই পদক্ষেপৰ প্ৰতি দৃঢ় সমৰ্থন জনাইছে আৰু ই পেলেষ্টাইন সমস্যাৰ সমাধানকে ধৰি সমগ্ৰ অঞ্চলৰ জনসাধাৰণৰ বাবে ন্যায়সংগত শান্তিৰ পথ আগবঢ়াইছে। "শান্তিৰ পথ সদায় সহজ নহয়, কিন্তু ভাৰতে আলোচনা, শান্তি আৰু স্থিতিশীলতাৰ বাবে ইজৰাইল আৰু বিশ্বৰ সৈতে থিয় দিছে" তেওঁ যোগ কৰে। ভাৰতৰ সন্ত্ৰাসবাদৰ যন্ত্ৰণাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ২৬/১১ মুম্বাই আক্ৰমণৰ লগতে ইজৰাইলী নিৰীহ নাগৰিকৰ মৃত্যুৰ কথা স্মৰণ কৰে। তেওঁ কয় যে সন্ত্ৰাসবাদে সমাজক অস্থিৰ কৰে, উন্নয়নত বাধা দিয়ে আৰু আস্থা ভংগ কৰে। সেয়েহে বিশ্বব্যাপী সমন্বিত পদক্ষেপৰ প্ৰয়োজন। প্ৰধানমন্ত্ৰীয়ে ইজৰাইলৰ কৃষি বিকাশ, কিবুটছ আন্দোলন আৰু হ'ল'কাষ্টৰ সময়ত ভাৰতীয় নেতাসকলে দেখুওৱা মানৱতাৰ কথা উল্লেখ কৰে। তেওঁ গুজৰাটৰ নৱনগৰৰ মহাৰাজ জাম চাহেবৰ কথা স্মৰণ কৰি কয় যে তেওঁ হ'ল'কাষ্টৰ সময়ত ইহুদী শিশুসকলক আশ্ৰয় দিছিল। ভাষণৰ শেষত ইজৰাইলৰ সংসদে প্ৰধানমন্ত্ৰী মোদীক "স্পীকাৰ অৱ দ্য নেচেট মেডেল"ৰে সন্মানিত কৰে। এই সন্মান লাভ কৰা প্ৰথম ব্যক্তি হিচাপে তেওঁ পৰিগণিত হয়। ইজৰাইলৰ সংসদীয় অধ্যক্ষ আমিৰ ওহানাই এই পদক প্ৰদান কৰে। ইয়াক ভাৰত-ইজৰাইল কৌশলগত সম্পৰ্ক শক্তিশালীকৰণত প্ৰধানমন্ত্ৰীৰ ব্যতিক্ৰমী অৱদানৰ স্বীকৃতি বুলি জনোৱা হয়। ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৱে ভাষণৰ আগতে মোদীক "প্ৰিয় বন্ধু" আৰু "ভাই" বুলি সম্বোধন কৰি কয় যে ভাৰত-ইজৰাইল মিত্ৰতাৰ বিকাশত মোদীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁলোকে দুয়োজনে একেলগে কৰা কামৰ ফলত ব্যৱসায় দুগুণ, সহযোগিতা তিনিগুণ আৰু বুজাবুজি চাৰিগুণ বৃদ্ধি পাইছে বুলি উল্লেখ কৰে। এই ভ্ৰমণ আৰু ভাষণে ভাৰত আৰু ইজৰাইলৰ মাজত থকা গভীৰ বন্ধুত্ব আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত একেলগে থিয় দিয়াৰ প্ৰতিশ্ৰুতিক পুনৰবাৰ প্ৰতিষ্ঠা কৰিছে।

## জুবিন গাৰ্গৰ দুই দেহৰক্ষীৰ জামিন আবেদন পুনৰ নাকচ

দেহৰক্ষী (PSO) নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন নাকচ কৰিছে। আদালতে এই দুয়োগৰাকী অভিযুক্তৰ জামিনৰ আবেদন খাৰিজ কৰি কাৰাগাৰতেই ৰখাৰ নিৰ্দেশ দিয়ে। এই দুয়োগৰাকী দেহৰক্ষী জুবিন গাৰ্গৰ মৃত্যু ঘটনাৰ প্ৰধান গোচৰত অভিযুক্ত হৈ আছে। তদুপৰি নতুনকৈ তেওঁলোকৰ বিৰুদ্ধে আয়বৰ্হিভূত সম্পত্তি (disproportionate assets) সন্দৰ্ভত এটা পৃথক গোচৰ ৰুজু কৰা হৈছে। এই গোচৰতো আদালতে জামিন নিদিয়াকৈ তেওঁলোকক কাৰাগাৰত ৰখাৰ সিদ্ধান্ত লৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰধান গোচৰত (য'ত হত্যা, ষড়যন্ত্ৰ আদিৰ অভিযোগ আছে) ইতিমধ্যে অমৃতপ্ৰভা মহন্তকে ধৰি কেইবাজনো অভিযুক্তৰ জামিন আবেদন নাকচ হৈছে। দেহৰক্ষী দুয়োগৰাকীৰ ক্ষেত্ৰতো একে ধৰণৰ কাৰণ দেখুৱাই আদালতে জামিন নাকচ কৰিছে। প্ৰসিকিউচনৰ যুক্তি আৰু প্ৰমাণৰ ভিত্তিত আদালতে এই সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। অভিযুক্ত দুয়োগৰাকী অসম আৰক্ষীৰ জোৱান আছিল আৰু বিগত কেইবছৰীয়া সময় ধৰি জুবিন গাৰ্গৰ ব্যক্তিগত দেহৰক্ষী হিচাপে কাম কৰি আহিছিল। জুবিনৰ মৃত্যুৰ পিছত তদন্তত তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেতিয়াৰে পৰা কাৰাগাৰত আছে। এই গোচৰসমূহৰ পৰৱৰ্তী শুনানিৰ তাৰিখ আদালতে নিৰ্ধাৰণ কৰিছে। ৰাজ্য চৰকাৰে এই ঘটনাক দ্ৰুত-গতিত বিচাৰৰ বাবে ফাষ্ট-ট্ৰেক আদালত গঠনৰ বিষয়ে পৰিয়ালৰ সৈতে আলোচনা কৰিব বুলি ঘোষণা কৰিছে। জুবিন গাৰ্গৰ অনুৰাগী আৰু ৰাজ্যৰ ৰাইজৰ মাজত ন্যায়ৰ দাবী তীব্ৰ হৈ থকাৰ মাজতে এই সিদ্ধান্তই গোচৰটোৰ গুৰুত্ব আৰু জটিলতাক পুনৰ প্ৰকাশ কৰিছে।

### ঘটনাৰ সৈতে জড়িত তিনিজনক আটক আৰক্ষীৰ

# গোৱালপাৰাৰ পাহাৰতলিৰ কালী মন্দিৰৰ সমীপত গো-মাংস পেলোৱাকলৈ উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, গোৱালপাৰা, ২৫ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা চহৰৰ পূৱ পাহাৰতলীৰ কালী মন্দিৰৰ সমীপত নিষিদ্ধ গো-মাংস পেলোৱাক কেন্দ্ৰ কৰি সোমবাৰে নিশা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, সোমবাৰে সন্ধিয়া প্ৰায় ৭ বজাত এএছ-১৮-জি আৰ-০৫১২ নম্বৰৰ এখন ই-ৰিস্কাৰে তিনিজন যুৱকে এখন মোনাত গৰুৰ ভুৰি আৰু চামৰা লৈ পাহাৰতলীৰ কালী মন্দিৰৰ সমীপত পেলাবলৈ চেষ্টা কৰে। স্থানীয় ৰাইজে ঘটনাটো লক্ষ্য কৰি দৌৰি যোৱাত অন্ধকাৰৰ সুযোগ লৈ ই-ৰিস্কাত থকা তিনিজনৰ দুজনে ওচৰতে থকা ব্ৰহ্মপুত্ৰ নদীত জঁপিয়াই পলায়ন কৰে আৰু আন এজন ই-ৰিস্কাখন লৈ পলায়ন কৰে। ৰাইজে ই-ৰিস্কাৰ পিছে দৌৰি গৈয়ো ধৰিব নোৱাৰে আৰু অন্ধকাৰৰ সুযোগত অভিযুক্তসকল পলায়ন কৰে। ইয়াৰ পিছতে শতাধিক লোকে গোৱালপাৰা নগৰ আৰক্ষী চকীৰ সন্মুখত উপস্থিত হৈ দোষীক কৰায়ত্ব কৰি শাস্তি বিহিবলৈ দাবী জনাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ঘটনাৰ খবৰ পাই জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তসহ আৰক্ষী বিভাগৰ উচ্চপদস্থ বিষয়া উপস্থিত হৈ ঘটনাটোৰ তদন্ত আৰম্ভ কৰে আৰু জড়িত লোকসকলক কৰায়ত্ব কৰিবলৈ অভিযান আৰম্ভ কৰে। ঘটনাটোক লৈ বিভিন্ন মহলত ভিন্ন প্ৰতিক্ৰিয়া দেখা যায়। একাংশে গৰুৰ ভুৰি আৰু চামৰা নদীত পেলাবলৈ অনা হৈছিল বুলি সন্দেহ প্ৰকাশ কৰাৰ বিপৰীতে আন একাংশই হিন্দু-মুছলমানৰ মাজত সংঘাত সৃষ্টি কৰিবলৈ কোনো দুৰ্বৃত্তই এই ঘটনা সংঘটিত কৰিছে বুলি সন্দেহ প্ৰকাশ কৰে। আন কিছুমানে বিধানসভা নিৰ্বাচনৰ পূৰ্বে ষড়যন্ত্ৰমূলক ভাৱে সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰাৰ চেষ্টা হোৱা বুলি মন্তব্য কৰে। ইপিনে, আজি জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই সংবাদ মেল সম্বোধন কৰি জনায় যে তদন্তৰ ভিত্তিত ঘটনাটোৰ সৈতে জড়িত তিনিজন অভিযুক্তক আটক কৰা হৈছে আৰু ঘটনাটোৰ সৈতে সম্পৰ্কিত এজাহাৰো পঞ্জীয়ন কৰা হৈছে। আটক কৰা লোকসকল হৈছে ভাটিপাৰা নতুনবস্তিৰ ৰফিকুল দেৱান (২৮), জেলাল আলী (২৭) আৰু ২নং বলদমাৰী চৰৰ ৰফিকুল (৩০)। কি উদ্দেশ্যত তেওঁলোকে এনে কাণ্ড সংঘটিত কৰিলে তাক জানিবলৈ আৰক্ষীয়ে ঘটনাটোৰ সৈতে জড়িত অধিক তথ্য উদ্ধাৰৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

### "স্মৃতিৰ পাপৰিত প্ৰয়াত ৰামচৰণ তালুকদাৰৰ চমু জীৱন-পঞ্জী" শীৰ্ষক পত্ৰিকা উন্মোচন

# লখোপুৰত বিশিষ্ট সমাজকৰ্মী ৰামচৰণ তালুকদাৰৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, চামতা, ২৫ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অৱৰ সচিব তথা পশ্চিম নলবাৰী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী সদ্য প্ৰয়াত ৰামচৰণ তালুকদাৰৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি লোখপুৰৰ বাসভৱনত সম্পন্ন হয়। এই উপলক্ষে অনুষ্ঠিত স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰে কুলবিলঘাট ৰাজহুৱা শিৱালয় পৰিচালনা সমিতিৰ সভাপতি বলেন কুমাৰ গোস্বামীয়ে। প্ৰয়াত তালুকদাৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে তালুদাৰৰ জ্যোষ্ঠ পুত্ৰ গৌতম তালুকদাৰে। মাল্যাৰ্পণ কৰে সৰু পুত্ৰ অশোক তালুকদাৰে। পুষ্পাঞ্জলি প্ৰদান কৰে ডাঙৰ কন্যা আৰু সৰু কন্যা ক্ৰমে ৰঞ্জু তালুকদাৰ ৰায় আৰু গীতুমণি তালুকদাৰ ৰয়, কামৰূপ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° কবিতা চৌধুৰী, সভাত উপস্থিত থকা অতিথি আৰু আত্মীয় সকলে। প্ৰবীন সাংবাদিক ৰাজেন বৈশ্যই আতধৰা অনুষ্ঠানত স্মৃতিচাৰণ ভাষণ প্ৰদান ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ সভাপতি দীপক কুমাৰ শৰ্মা, উপ সভাপতি অমৰেন্দ্ৰ চক্ৰৱৰ্তী; প্ৰাক্তন সম্পাদক অজিত চৌধুৰী; ধৰ্মপুৰ জ্ঞানদায়িনী হাইস্কুলৰ প্ৰধান শিক্ষক তৰুণ বৰ্মন, চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদৰ সম্পাদক চন্দ্ৰ কান্ত বৰ্মন, অৱসৰপ্ৰাপ্ত শিক্ষক সিন্তু হালৈ, শিক্ষক ৰাজেন বৈশ্য, ধৰ্মপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা মন্ত্ৰী নীলমণি সেন ডেকা আৰু পৰিয়ালৰ একাংশ আত্মীয় লোকে। প্ৰয়াত তালুকদাৰৰ ডাঙৰ জীয়ৰী ৰঞ্জু তালুকদাৰ ৰায়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত প্ৰয়াত তালুকদাৰৰ বছৰেকীয়া শ্ৰাদ্ধৰ দিনাখন তালুকদাৰৰ জীৱন আৰু কৃতিত্ব সামৰি এখন বৃহৎকাৰৰ সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱা হয়। এই অনুষ্ঠানতে প্ৰয়াত ৰামচৰন তালুকদাৰৰ ভাগিন পৰেশ মজুমদাৰে তালুকদাৰ বিষয়ে চাৰি পৃষ্ঠাত প্ৰকাশ কৰা "স্মৃতিৰ পাপৰিত প্ৰয়াত ৰিমচৰণ তালুকদাৰৰ চমু জীৱন-পঞ্জী" শীৰ্ষক পত্ৰিকা এখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। শলাগৰ শৰাই আগবঢ়ায় প্ৰয়াত তালুকদাৰ ডাঙৰ জীয়ৰী ৰঞ্জু তালুকদাৰ ৰায়ে। প্ৰয়াত তালুকদাৰৰ স্মৃতিত এটি বকুল গছৰ পুলি ৰোপণ কৰে ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ প্ৰাক্তন সম্পাদক অজিত চৌধুৰীয়ে। উল্লেখ্য যে চামতাৰ কুলবিল ভাইৰাপাৰত জন্ম গ্ৰহণ কৰা তালুকদাৰে জীৱনৰ শেষ কালছোৱা লোখোপুৰত থাকিব লৈছিল। তালুকদাৰ যোৱা ১২ ফেব্ৰুৱাৰীত জি এম চি এইচত ৭৭ বছৰ বয়সত বিয়োগ ঘটিছিল।

# ৰাজ্যত পুনৰ নতুনকৈ গঠন কৰা হ'ব কমাণ্ডো

গঠিত প্ৰতিটো কমাণ্ডো বেটেলিয়নত থাকিব অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰ। ইয়াৰ উপৰিও বেটেলিয়নসমূহত নিৰ্মাণ কৰা হ'ব অস্ত্ৰ প্ৰশিক্ষণৰ অত্যাধুনিক সুবিধা। প্ৰশাসনিক ভৱন, বেৰেক, সমৰকলা প্ৰশিক্ষণ কেন্দ্ৰ আৰু অন্যান্য অত্যাধুনিক ব্যৱস্থাৰে সম্পূৰ্ণৰূপে সজ্জিত হ'ব এই বেটেলিয়নসমূহ। এই পদক্ষেপৰ জৰিয়তে সশস্ত্ৰ অপৰাধ, সন্ত্ৰাসবাদ আৰু সীমান্ত অঞ্চলৰ নিৰাপত্তাৰ ক্ষেত্ৰত অসম আৰক্ষীৰ সক্ষমতা বহুগুণে বৃদ্ধি পাব বুলি আশা কৰা হৈছে। চৰকাৰে সশস্ত্ৰ আৰক্ষী বেটেলিয়নৰ জোৱানসকলৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই নতুন বেটেলিয়নসমূহত নিয়োজিত জোৱানসকলৰ বাবে বাধ্যতামূলক ছুটিৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ দ্বাৰা জোৱানসকলৰ মানসিক চাপ হ্ৰাস পাব আৰু তেওঁলোকৰ কাৰ্যদক্ষতা বৃদ্ধি পাব বুলি বিশ্বাস কৰা হৈছে। উন্নত ফলাফল আৰু কাৰ্যক্ষমতা নিশ্চিত কৰিবলৈ এই ৫টা নতুন কমাণ্ডো বেটেলিয়নৰ স্থান নিৰ্ধাৰণ কৰা হ'ব যাতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ নিৰাপত্তাৰ প্ৰয়োজনীয়তা পূৰণ হয়। লগতে আৰক্ষী বিভাগৰ জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে নিৰ্মাণ কৰা হ'ব ১০, ০০০টা নতুন আৱাসিক গৃহ। এই গৃহসমূহে আৰক্ষী পৰিয়ালসমূহৰ জীৱনযাত্ৰাৰ মান উন্নত কৰাত সহায় কৰিব। আৰক্ষী বিভাগত সময়মতে পদোন্নতি নিশ্চিত কৰিবলৈ পদোন্নতি প্ৰক্ৰিয়াক সবলীকৰণ কৰা হ'ব। ইয়াৰ ফলত যোগ্য আৰক্ষী বিষয়া আৰু জোৱানসকলে ন্যায়সঙ্গত আৰু সময়মতে পদোন্নতি লাভ কৰিব পাৰিব। এই পদক্ষেপে বিভাগৰ মনোবল বৃদ্ধি কৰাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই সকলোবোৰ পদক্ষেপৰ জৰিয়তে অসম চৰকাৰে আৰক্ষী বাহিনীক অধিক শক্তিশালী, আধুনিক আৰু জোৱান-বন্ধুত্বপূৰ্ণ কৰি তুলিবলৈ দৃঢ়প্ৰতিজ্ঞ। ৰাজ্যৰ নাগৰিকৰ নিৰাপত্তা আৰু আৰক্ষী বিভাগৰ কল্যাণৰ ক্ষেত্ৰত এই ঘোষণাসমূহক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে।

# জিলা পৰ্যায়লৈ প্ৰকল্প নিৰ্বাচন মেলেং উচ্চ মাধ্যমিক বিদ্যালয়ত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ প্ৰকল্প প্ৰতিযোগিতা

**অসম বাৰ্তা, যোৰহাট, ২৫ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ শিক্ষা অসমৰ ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অধীনৰ বিজ্ঞান অনুসন্ধান কাৰ্যসূচীৰ মধ্য যোৰহাট শিক্ষা খণ্ডৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ শিশু বিজ্ঞান সমাৰোহ আজি মেলেং উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। সমগ্ৰ শিক্ষা অসমৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত মধ্য যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত চৰকাৰী উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জলবায়ু পৰিৱৰ্তন আৰু জলবায়ু কাৰ্য বোধন বিষয়ত বিজ্ঞান প্ৰকল্প প্ৰতিযোগিতা উদ্বোধন কৰে মেলেং উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বীৰেন বৰাই। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সভাপতি প্ৰবীণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক পংকজ দত্তই আদৰণী ভাষণ দিয়ে। শৈক্ষিক সমন্বয়ক সৌৰভ বৰাই আঁত ধৰা অনুষ্ঠানত বিজ্ঞান লেখক ড° দণ্ডেশ্বৰ দত্ত, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যোৰহাট জিলাৰ সমন্বয়ক ধীৰেন কুমাৰ গগৈ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ বৰা, আন্তৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বীজ সংৰক্ষক মহান বৰাই বক্তব্য প্ৰদান কৰে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক হেমেন কুমাৰ শইকীয়াই উদ্দেশ্য সম্পৰ্কে কোৱা অনুষ্ঠানত শ্ৰী শংকৰদেৱ মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰমেশ্বৰ কৃষ্ণাত্ৰেয়, হিমাংশুজ্যোতি নেওগ সোঁৱৰণী সাহায্য নিধিৰ সভাপতি দেৱজিৎ নেওগ, বিজিত দত্ত প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। ড° দণ্ডেশ্বৰ দত্ত, পৰমেশ্বৰ কৃষ্ণাত্ৰেয়ই বিচাৰকৰ দায়িত্ব পালন কৰা সমাৰোহৰ পৰা জিলা পৰ্যায়লৈ শিশু বিজ্ঞানীৰ প্ৰকল্পসমূহ নিৰ্বাচন কৰে। আজিৰ অনুষ্ঠানত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, মধ্য যোৰহাট শিক্ষা খণ্ডৰ পৰা ৰাজ্যিক পৰ্যায়লৈ প্ৰকল্প নিৰ্বাচিত হ'লে হিমাংশুজ্যোতি নেওগ সোঁৱৰণী সাহায্য নিধিৰ পৰা পাঁচ হাজাৰ টকাৰ পুৰস্কাৰ প্ৰদান কৰিব বুলি ঘোষণা কৰে।

### ❑ আৰক্ষীৰ ওপৰত আক্ৰমণ; ৬জন লোকক গ্ৰেপ্তাৰ ❑

# বিজনী ২নং ভালাতলত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, বিজনী, ২৫ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ ২ নং ভালাতলত আৰক্ষীক আক্ৰমণ। ভূমি কেন্দ্ৰিক বিবাদৰ আছামীক ধৰিবলৈ যাওঁতে বিজনী আৰক্ষীৰ ওপৰত উপৰ্যুপৰি আক্ৰমণ কৰে আছামীৰ পৰিয়ালে। উল্লেখ্য যে, আছামী আব্দুল ছালাম(৪৪) আৰু আব্দুল লতিফ(২৫) এই দুজনৰ নামত মহামান্য বিজনী আদালতত হাজিৰ নোহোৱাত ওৱাৰেণ্টৰ ভিত্তিত বিজনী আৰক্ষীৰ দলে সোমবাৰে নিশা আছামী দ্বয়ক ধৰিবলৈ যাওঁতে বিজনী থানা ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিতুজ্যোতি নাথ আৰু মহিলা আৰক্ষীৰ লগতে আৰক্ষীৰ দলৰ ওপৰত উপৰ্যুপৰি আক্ৰমণ কৰে। আক্ৰমণকাৰী দলটোৱে আৰক্ষীক কামোৰাৰ লগতে আৰক্ষীৰ পোচাক ছিঙি আৰক্ষীৰ বাহনতো আক্ৰমণ চলায় আছামীদ্বয়ৰ পৰিয়ালে। পিছত আৰক্ষীয়ে আছামী আব্দুল লতিফক গ্ৰেপ্তাৰ কৰি বিজনী থানালৈ লৈ আহে যদিও আন এগৰাকী আছামী আব্দুল ছালাম পলাতক হৈ আছে। জানিব পৰা মতে আৰক্ষীৰ ওপৰত আক্ৰমণ চলোৱা ব্যেক্তি সকল ক্ৰমে ছাত্তাৰ আলী (৪৫), আব্দুল আজিজ(২৪), সাহজামাল আলী(৩০), আলী হুছেইন (৬২), সাহদত আলী (২৭), আব্দুল ছালাম(৪৪), আব্দুল লতিফ(২৫)। উক্ত ঘটনা সন্দৰ্ভত বিজনী আৰক্ষীৰ দলৰ ওপৰত আক্ৰমণ চলোৱা উল্লিখিত নাম সমূহৰ ৫জন আলী হুচেইনৰ পুত্ৰ আৰু এজন তেওঁৰ ককায়েক। ঘটনাটোত বিজনী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিতুজ্যোতি নাথ, লেছনায়ক কনক দাস, মহিলা কনিষ্টবল অনুপা দাস আৰু কনিষ্টবল ৰাহুল আমিন আহত হয়। পিছত আৰক্ষীৰ ওপৰত আক্ৰমণ কৰা ৬জন আক্ৰমণকাৰীক গ্ৰেপ্তাৰ বিজনী আৰক্ষীৰ। ধৃত আক্ৰমণকাৰী ছয়টা ক্ৰমে আব্দুল ছালাম, আলী হুছেইন, নুৰেজা বেগম, আব্দুল লতিফ, শ্বাহজামাল আলী আৰু ছহাদত আলী। পুলিচৰ কৰ্তব্যত বাধা দিয়া এই ধৰণৰ বেআইনী কাম সহ্য কৰা নহব বুলি মন্তব্য চিৰাঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ। যিহেতু পুলিচক আক্ৰমণ কৰিছে, এই বিলাক সহ্য কৰা নহ'ব। এইসম্পৰ্কে আৰক্ষীৰ ফালৰ পৰা এটা নিজাববীয়াকৈ গোচৰ ৰুজু কৰি ৬ জনক গ্ৰেপ্তাৰ কৰা হৈছে। এজন পলাতক আছে, কিমানদিন পলাতক থাকিব বুলি সংবদমাধ্যমৰ আগত মন্তব্য জ্যেষ্ঠ আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ।

# চেঙেলীজান গাঁৱৰ সমাজকৰ্মী, ধৰ্মপৰায়ণ ব্যক্তি ভূপেন চুতীয়াৰ বিয়োগ

**অসম বাৰ্তা, ছৈখোৱা, ২৫ ফেব্ৰুৱাৰী ঃ** কাকপথাৰ চেঙেলীজান গাঁৱৰ বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি ভূপেন চুতীয়াৰ আজি পুৱা প্ৰায় ৯ বজাত নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭০ বছৰ। ভূপেন চুতীয়াৰ বিয়োগত চেঙেলীজান গাঁৱত গভীৰ শোকৰ ছাঁ পৰিছে। ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া, কৰ্তব্য পৰায়ণ, নম্ৰ ভূপেন চুতীয়া চেঙেলীজান শাখা চুতীয়া জাতি সন্মিলনৰ প্ৰাক্তন সম্পাদক, চেঙেলীজান নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক, চেঙেলীজান যুৱক সংঘৰ প্ৰাক্তন সম্পাদকৰ উপৰিও অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। ভূপেন চুতীয়াৰ মৃত্যুত স্থানীয় শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়া, অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞা, চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়া, সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থা, সদৌ তিনিচুকীয়া জিলা চুতীয়া জাতি সন্মিলন, চুতীয়া জাতি মহিলা সন্মিলন, কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থা, কাকপথাৰ আঞ্চলিক চুতীয়া যুৱ সন্মিলন, মাইথং গাওঁ পঞ্চায়ত, শিশুকল্যাণ প্ৰাথমিক বিদ্যালয়, চেঙেলীজান প্ৰাথমিক বিদ্যালয়, অগপ মাইথং আঞ্চলিক সমিতি, ভা.জ.পা.ৰ চেঙেলীজান বুথ সমিতি, চেঙেলীজান নামঘৰ পৰিচালনা সমিতি, চেঙেলীজান মহিলা সমিতি, চেঙেলীজান মিলনজ্যোতি যুৱক সংঘ, চেঙেলীজান যুৱক সংঘ, বৰলুইত যুৱ সংঘ, প্ৰভাত চুতীয়া সোঁৱৰণী জেউতি পুথিভঁৰাল সমিতি, বিধায়ক প্ৰতিনিধি সীমান্ত মৰাণ, তিনিচুকীয়া জিলা পৰিষদৰ সদস্য পাপু শইকীয়া, ছৈখোৱা আঞ্চলিক পঞ্চায়তৰ সভাপতি তীৰ্থৰাজ নেওঁগ, পূৰ্বাঞ্চল আদৰ্শ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ডাঃ ভক্ত ধাদুমীয়াই গভীৰ দুখ প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেখেতে পত্নী, পুত্ৰ আৰু আত্মীয়-স্বজনক এৰি গৈছে। উল্লেখ্য যে, অসম চৰকাৰৰ পঞ্চদশ বিত্তীয় আয়োগৰ দ্বাৰা মাইথং গাঁও পঞ্চায়তৰ অধীনৰ ১নং ৱাৰ্ডৰ চেঙেলীজান নামঘৰত এটা নতুনকৈ টয়লেট নিৰ্মাণৰ বাবে ২ লাখ টকা পুঁজি আৱণ্টনত আজি নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন অনুষ্ঠান আছিল যদিও ভূপেন চুতীয়াৰ বিয়োগত মাইথং গাঁও পঞ্চায়ত আৰু ভাজপা চেঙেলীজান বুথ সমিতিয়ে আধাৰশিলা স্থাপন অনুষ্ঠানটো অহা তিনিদিনলৈ পিছুৱাই দিছে বুলি জানিব পৰা গৈছে।

# ডুমডুমা মহাবিদ্যালয়ত মৌখিক ইতিহাস সম্পৰ্কীয় বক্তৃতা অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** ডুমডুমা মহাবিদ্যালয়ৰ ইতিহাস বিভাগ আৰু ডুমডুমা মহাবিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ যুটীয়া উদ্যোগত আৰু ডুমডুমা মহাবিদ্যালয় আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত ২৪ ফেব্ৰুৱাৰীত তাৰিখে 'ঐতিহাসিক সমলৰূপে মৌখিক ইতিহাস ঃ ইয়াৰ গুৰুত্ব আৰু সংৰক্ষণ' শীৰ্ষক বিষয়ৰ ওপৰত এটি বিশেষ বক্তৃতা অনুষ্ঠান আয়োজন কৰে। বক্তৃতা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক মাধুৰ্য মহন্তই। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট ইতিহাসবিদ নবীন বুঢ়াগোহাঁই। তেখেতে বেলাড, গীত, মালিতা, লোকপ্ৰবাদ, জনশ্ৰুতি আদিৰ দৰে মৌখিক সমলক কেনেকৈ ইতিহাসৰ সমল হিচাপে ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে বক্তব্য আগবঢ়োৱাৰ লগতে ইতিহাস চৰ্চাৰ ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়নৰ বিভিন্ন অভিজ্ঞতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তেখেতৰ সহযোগী হিচাপে উপস্থিত থাকি হামিদ ৰঞ্জন ভূঞাই অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বক্তৃতা অনুষ্ঠানটোৰ আঁত ধৰে ডুমডুমা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ইমৰাণ হুছেইনে। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই অসমত সংস্কৃতিৰ অৱক্ষয়ৰ সময়ছোৱাত মৌখিক ইতিহাসৰ সংৰক্ষণৰ গুৰুত্ব কিমান সেই বিষয়ে অৱগত কৰে। বক্তৃতা অনুষ্ঠানটোত মত বিনিময় কৰে আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক দীপক ৰঞ্জন বৰুৱা, বাংলা বিভাগৰ সহযোগী অধ্যাপক ড° আব্দুল জলিল চৌধুৰী, পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ৰাতুল গগৈ আৰু ইতিহাস বিভাগৰ ছাত্ৰ কপিল সোণোৱালে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা টিনামণি ৰাজকুমাৰীয়ে। ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা ড° পদ্মাক্ষী কাকতি আৰু দ্বিজেন্দ্ৰ কুমাৰ শৰ্মাই সক্ৰিয় সহযোগিতা আগবঢ়ায়। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি ডুমডুমা মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰে বিগত বৰ্ষৰ শ্ৰেষ্ঠ গ্ৰন্থ পঢ়ুৱৈৰ পুৰস্কাৰ অৰ্থনীতি বিভাগৰ ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ ৰাজ বছেৰাক প্ৰদান কৰে লগতে ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়ন কৰিবলৈ অনুপ্ৰেৰণা যোগায়।

# বৰক্ষেত্ৰীৰ ৰামপুৰত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ মুকলি আৰু শিশু উদ্যানৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, মুকালমুৱা, ২৫ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামপুৰ গাঁৱত আজি আদৰ্শ অংগবাড়ী কেন্দ্ৰ এটা মুকলি কৰা হয়। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰামপুৰ গাঁৱত থকা ৭৩নং অংগনবাড়ী কেন্দ্ৰটো আদৰ্শ অংগনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰি নতুনকৈ নিৰ্মাণ কৰি উলিওৱা কেন্দ্ৰটোৰ নতুন গৃহটি আজি মাংগলিক কাৰ্যসূচীৰে আনুষ্ঠানকভাবে মুকলি কৰে বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষনাৰায়ন ডেকাই। কেন্দ্ৰটো মুকলিৰ পাছতেই ৰামপুৰ গাঁও উন্নয়ন সমিতিৰ সভাপতি ৰমনী নাথৰ সভাপতিত্বত অনুষ্ঠিত এখন জনসভাত নাৰায়ন ডেকাই ভাষণ প্ৰদান কৰি কয় যে-ৰাজ্যখনৰ শিশুসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে চৰকাৰে আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰি আহিছে। অংগনবাড়ী কেন্দ্ৰটো মুকলি কৰাৰ পাছতেই একেটা স্থানতে শিশু উদ্যান এখনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। পঞ্চদশ বিত্তীয় আয়োগৰ ৪, ১৭, ০০০ টকাৰে নিৰ্মাণ কৰিবলৈ ওলোৱা শিশু উদ্যান নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ জিলা পৰিষদৰ সদস্যা চিমি বৰ্মনে। সভাখনত উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টীৰ পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি ৰাজু ডেকা, বৰক্ষেত্ৰী মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি প্ৰমোদ গোস্বামী, চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° হৰেন্দ্ৰ নাথ তালুকদাৰ, বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ সহকাৰী কাৰ্যবাহী অভিযন্তা দীপক কলিতা, বিজেপি নেতা যুগল গোস্বামী, ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিশামনি মেধি, ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য কামেশ্বৰ নাথ, স্থানীয় ৱাৰ্ড সদস্যা তথা স্থানীয় পঞ্চায়তৰ উপ সভানেত্ৰী নমিতা গোস্বামী, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ উপ-সভানেত্ৰী ববিতা বৈশ্যকে ধৰি অঞ্চলৰ শতাধিক পুৰুষ-মহিলা।

### উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ উদ্যোগত বক্তৃতা প্ৰতিযোগিতা

# ছাত্ৰ-ছাত্ৰীৰ উদাত্ত কণ্ঠেৰে মুখৰিত হ'ল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ সংগ্ৰামী সত্তা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ফেব্ৰুৱাৰী ঃ** উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ উদ্যোগত আৰু ঐতিহ্য সংৰক্ষণ সমিতি অসমৰ সহযোগত স্বাধীনতা সংগ্ৰামী মুকুট বিহীন সম্ৰাট কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ ৯০ সংখ্যক মৃত্যু তিথি এইবেলি দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। দুদিনীয়াকৈ আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ অংশ হিচাপে আজি সামৰণিৰ দিনটোত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ প্ৰেক্ষাগৃহত ছাত্ৰ ছাত্ৰী সকলৰ মাজত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ সভাপতি দিগন্ত বৰদলৈয়ে আতধৰা অনুষ্ঠানৰ আৰম্ভণিতে কৰ্মবীৰ গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতাই। ইয়াৰ পাছতেই উপস্থিত সকলোৱে কৰ্মবীৰ গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিদ্যালয় পৰিদৰ্শক তপন কলিতাই উদ্বোধন কৰা অনুষ্ঠানত শিল্পী তথা ৰাগশ্ৰী সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ পিংকুমণি চৌধুৰীয়ে বৰগীত পৰিবেশন কৰি আপ্লুত কৰে। তপন কলিতাই উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ এই মহান প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ লগতে উল্লেখ কৰে যে এইসকল নমস্য ব্যক্তিৰ বিষয়ে আমাৰ নৱ-প্ৰজন্মক তথা শিক্ষাৰ্থী সকলক এনেকুৱা ধৰণৰ কাৰ্যসূচীৰে অৱগত কৰিব পাৰিলে শিক্ষাৰ্থী সকল যথেষ্ট উপকৃত হ'ব। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক সামাজিক ভাৱে দায়বদ্ধ হ'বলৈ আহ্বান জনায়। পৰিদৰ্শক কলিতাই লগতে উল্লেখ কৰে শিক্ষাৰ্থী সকলে পৰীক্ষাত লাভ কৰা নম্বৰ আৰু ধন-সম্পত্তিয়েই জীৱন নহয়। বৰ্তমান শিক্ষাৰ্থী সকলে সামাজিক মাধ্যমত যথেষ্ট সময় অপচয় কৰাটো তেওঁ গভীৰ ভাৱে আক্ষেপ কৰে। শিক্ষাৰ্থী সকলক শিক্ষাৰ লগতে সামাজিক ভাৱে দায়বদ্ধ হ'বলৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উত্তৰ গুৱাহাটীৰ আন এগৰাকী সু-সন্তান প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ সুযোগ্য পুত্ৰ বিশিষ্ট চিকিৎসক তথা শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে উত্তৰ গুৱাহাটীৰ ভূমিত জন্ম গ্ৰহণ কৰা অসমৰ সুযোগ্য সন্তান সমূহৰ চমু আভাস প্ৰদান কৰে। শৈক্ষিক ক্ষেত্ৰকে আদি কৰি সামাজিক, ৰাজনৈতিক আৰু ক্ৰীড়া ক্ষেত্ৰত উত্তৰ গুৱাহাটীৰ অৱদান অসমৰ মানচিত্ৰত সদায় জিলিকি থাকিব। বিশিষ্ট চিকিৎসক গৰাকীয়ে শিক্ষাৰ্থী সকলৰ লগত সমস্বৰে কৰ্মবীৰ গৰাকীৰ গীত পৰিৱেশন কৰি অনুষ্ঠান গৰিমা মণ্ডিত কৰি তোলে। প্ৰায় অৰ্ধ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা বক্তৃতা প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান লাভ কৰে উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ ছাত্ৰী অৰ্পিতা দাসে। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ পৃথুৰাজ জি গোস্বামী আৰু ৰংমহল হাইস্কুলৰ নাৰ্গিছ বেগমে। প্ৰতিযোগিতা খনত বিচাৰক হিচাপে আছিল উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড'হুপেশ চৌধুৰী আৰু ৰংমহল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক উৎপল চোধুৰী। ইফালে, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ ৯০ সংখ্যক মৃত্যু তিথিৰ লগত সংগতি ৰাখি আজি এখন প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়।

# তিনি মাৰ্চৰ পৰা লেট্‌কুবাৰী দখলেং পাহাৰত পাঁচদিনীয়া বৰ্ণাধ্য কাৰ্যসুচীৰে অনুষ্ঠিত হ'ব দৌল উৎসৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৫ ফেব্ৰুৱাৰী ঃ** দুধনৈ সমজিলাৰ অন্তৰ্গত কাচাদল লেট্‌কুবাৰী দখলেং পাহাৰত "ৰাম মন্দিৰ পূজা কমিটি"ৰ উদ্যোগত ৩ মাৰ্চৰ পৰা ৭ মাৰ্চলৈ পাঁচদিনীয়া বৰ্ণাধ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব দৌল উৎসৱ। দৌল উৎসৱ পৰিচালনা সমিতিৰ সভাপতি দুলাল ৰাভা আৰু সম্পাদক প্ৰণৱ ৰাভাই জানিবলৈ দিয়া মতে, কাৰ্যসূচী মৰ্মে ৩ মাৰ্চত জল আহৰণেৰে দৌল উৎসৱৰ শুভাৰম্ভ কৰাৰ লগতে প্ৰভু ৰামচন্দ্ৰৰ পূজা আৰম্ভ কৰা হব। প্ৰতিদিনেই পৰম্পৰাগত নীতি নিয়মৰ মাজেৰে পূজা অৰ্চনা, আৰতি, আমন্ত্ৰিত দলৰ দ্বাৰা নামপ্ৰসংগ অনুষ্ঠিত কৰা হ'ব। এই মন্দিৰত মহাপ্ৰভু ৰামচন্দ্ৰৰ উপৰিও ৰামভক্ত হনুমান আৰু লাঙঠাকুৰক (শিৱক) পূজা কৰা হয়। উল্লেখযোগ্য যে ঐতিহাসিক সমলেৰে ভৰা এই দখলেং পাহাৰৰ পৰাই হেনো প্ৰভু ৰামচন্দ্ৰই এটা প্ৰকাণ্ড শিলত বহি ওচৰৰে গৰ্খ পাহাৰত লুকাই থকা তাৰকা ৰাক্ষসীক ধনুশৰ নিক্ষেপ কৰি হত্যা কৰিছিল বুলি এক জনবিশ্বাস আছে। দখলেং পাহাৰৰ শিখৰত থকা এটা প্ৰকাণ্ড শিলাখণ্ডত বহি ধনুশৰ নিক্ষেপ কৰা ভগবান ৰামচন্দ্ৰৰ পদযুগলৰ চিহ্ন আছে বুলি ভক্তপ্ৰাণ ৰাইজে বিশ্বাস কৰে। আজিও লেট্‌কুবাৰীৰ ৰাইজে সুন্দৰকৈ এই চিহ্ন সংৰক্ষণ কৰি ৰাখিছে। দখলেং পাহাৰত অকলযে ৰামচন্দ্ৰৰ পদযুগলৰ চিহ্ন আছে তেনে নহয় এই পাহাৰত থকা শিলাখণ্ড সমূহত ৰামভক্ত জটায়ু পক্ষীৰ ভৰিৰ খোজ, বাঘৰ খোজ, ৰামভক্ত হনুমানৰ অৱস্থিতি আৰু বাৰিষা খৰালি শিলাখণ্ডৰ মাজত কোনোকালে নুশুকুৱা পানীৰ গাঁত আছে বুলি ৰাইজে জানিবলৈ দিয়ে। ইয়াৰ উপৰিও পূজা কমিটিয়ে পাহাৰখনত বহুসংখ্যক ঐতিহাসিক সমলযুক্ত কিছুমান পাত্ৰ উদ্ধাৰ কৰিছে। প্ৰচাৰ আৰু প্ৰসাৰৰ অভাৱত এই পাহাৰখনে এতিয়াও সৰ্বজনবিদিত হোৱা নাই। এই পাহাৰখনক লৈ গাৰো জনগোষ্ঠীৰ সৈতে ৰাভা ৰাইজৰ এক দীৰ্ঘদিনীয়া সংঘাত আছে। যদি প্ৰতত্ত্ব বিভাগে পাহাৰ খনত খনন চলায় তেতিয়া হয়টো বহুত কথাই পোহৰলৈ আহিব। ভৱিষ্যতলৈ এই পাহাৰখন পৰ্যটনস্থলীলৈ ৰূপান্তৰ হোৱাৰো থল আছে। পূজা পৰিচালনা সমিতিয়ে এই পাঁচদিনীয়া কাৰ্যসূচীত সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

# গহপুৰ নগৰত পুনৰ চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ২৫ ফেব্ৰুৱাৰী ঃ** আছে গৰু নাবায় হাল, থকাতকৈ নথকাই ভাল...। এই আপ্তবাক্যশাৰী এতিয়া পূৰামাত্ৰাই প্ৰযোজ্য হৈছে গহপুৰ আৰক্ষী থানাৰ ক্ষেত্ৰত। নিধিৰাম চৰ্দাৰৰূপী গহপুৰ আৰক্ষীৰ নাকৰ তলত সংঘটিত হৈ অহা ধাৰাবাহিক চুৰি কাণ্ডই গহপুৰ নগৰবাসী ৰাইজক আচৰিত কৰি তোলাৰ লগতে গহপুৰ আৰক্ষীৰ ফোঁপোলা স্বৰূপ উন্মোচিত কৰি তুলিছে। গহপুৰ আৰক্ষী থানাৰ চৌহদৰ বেৰৰ কাষতে গাতে লাগি থকা গহপুৰ শিৱ আৰু দুৰ্গা মন্দিৰৰ তলা ভাঙি যোৱা নিশা চোৰে লৈ যায় অৰিহনাৰ ধন। চিচি টিভিৰ ফুটেজত ধৰা মতে নিশা ৩-৪৮ বজাত এজন চোৰ প্ৰৱেশ কৰিছিল উক্ত শিৱ আৰু দুৰ্গা মন্দিৰৰ ভিতৰত। তাৰ পিছত দান পাত্ৰৰ তলা ভাঙি লৈ যায় নগদ ধন। এইক্ষেত্ৰত পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা অনুসৰি-দুৰ্গা মন্দিৰৰ দান পাত্ৰৰ পৰা প্ৰায় সাত হাজাৰ টকা আৰু শিৱ মন্দিৰৰ দান পাত্ৰৰ পৰা লৈ যায় প্ৰায় ৫ হাজাৰ টকা নগদ ধন। উল্লেখযোগ্য যে, গহপুৰ আৰক্ষী থানাৰ নাতিদূৰৈত অৱস্থিত গহপুৰ নগৰৰ শ্ৰীৰাম মন্দিৰতো যোৱা ১৭ ফেব্ৰুৱাৰীৰ নিশা সংঘটিত হৈছিল আন এক চুৰি কাণ্ড। উক্ত শ্ৰীৰাম মন্দিৰৰ তলা ভাঙি চোৰে লৈ গৈছিল সোণৰ আ-অলংকাৰ আদি। শ্ৰীৰাম মন্দিৰত সংঘটিত হোৱা উক্ত চুৰি কাণ্ডৰ চাঞ্চল্য মাৰ নৌযাওঁতেই যোৱা নিশা গহপুৰ আৰক্ষীৰ নাকৰ তলতে গহপুৰ শিৱ আৰু দুৰ্গা মন্দিৰত চুৰি কাণ্ড সংঘটিত হোৱা ঘটনাই গহপুৰ আৰক্ষীক লজ্জানত কৰি তুলিছে। কেৱল ইমানেই নহয় চলিত বৰ্ষৰ যোৱা ২৮ জানুৱাৰীৰ নিশা গহপুৰ নগৰৰ মাজমজিয়াত থকা নিউ জুৱেলাৰ্চ নামৰ এখন জুৱেলাৰী বিপনীতো সংঘটিত হৈছিল চুৰিকাণ্ড। গহপুৰ আৰক্ষী থানাৰ কাষতে অৱস্থিত উক্ত জুৱেলাৰীখনৰ পিছফালৰ পকী বেৰ কাটি চোৰে উঠাই লৈ গৈছিল এটা লোৰ চন্দুক। সেই চন্দুকটোৰ ভিতৰতে আছিল প্ৰায় ৫/৬ লক্ষাধিক টকাৰ সোণ ৰূপৰ আ-অলংকাৰ। এনেদৰে গহপুৰ নগৰৰ মাজমজিয়াত সঘনাই সংঘটিত হৈ অহা চুৰি কাণ্ড সমূহক লৈ এতিয়া গভীৰ নিৰাপত্তাহীনতাত ভুগিছে গহপুৰ নগৰৰ ৰাইজ। এইক্ষেত্ৰত গহপুৰ আৰক্ষীয়ে চুৰি চক্ৰ সমূহক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিব নোৱাৰা কাৰ্য্যই আৰক্ষীৰ প্ৰতি ৰাইজৰ আস্থা আৰু বিশ্বাস নোহোৱা হৈছে ৰাইজৰ। বিশেষকৈ যোৱা নিশা সংঘটিত হোৱা গহপুৰ শিৱ আৰু দুৰ্গা মন্দিৰৰ চুৰি কাৰ্য্যই গহপুৰ আৰক্ষীৰ অস্তিত্বক লৈ স্বাভাৱিকতে প্ৰশ্ন উত্থাপন হৈছে সচেতন ৰাইজৰ মাজত।

# ডিব্ৰুগড়ত অসম ৰাজ্যিক যুৱ আয়োগৰ জেইইমেইনচত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰা শিক্ষাৰ্থীক সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ফেব্ৰুৱাৰী ঃ** অসম ৰাজ্যিক যুৱ আয়োগে (ASYC) JEE Main ২০২৬ (Session-I) ত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰা বিকশিত জীৱন পৰিকল্পনা আঁচনিৰ অধীনৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সন্মান জনোৱাৰ উদ্দেশ্যে ডিব্ৰুগড়ৰ এলেন কেৰিয়াৰ ইনষ্টিটিউটত এখন সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নাহৰকটীয়াৰ সমষ্টি বিধায়ক তথা অসম ৰাজ্যিক যুৱ আয়োগৰ অধ্যক্ষ তৰংগ গগৈ লগতে উপস্থিত আছিল আয়োগৰ সদস্য ডাঃ ভাস্কৰ পাপুকন গগৈ। বিধায়ক তৰংগ গগৈয়ে কৃতীমানসকলক অভিনন্দন জনাই তেওঁলোকৰ একাগ্ৰতা আৰু অধ্যৱসায়ৰ প্ৰশংসা কৰে। সম্বৰ্ধনা অনুষ্ঠানত ভাষণ প্ৰদান কৰি গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত সুশৃংখল শিক্ষাগত দিশ-নিৰ্দেশনা আৰু চৰকাৰৰ অবিৰত সমৰ্থনৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিকশিত জীৱন পৰিকল্পনা আঁচনিৰ জৰিয়তে ৰাজ্যৰ মেধাৱী শিক্ষাৰ্থীসকলক সবল কৰাৰ ক্ষেত্ৰত চৰকাৰৰ অঙ্গীকাৰ পুনৰ দৃঢ় কৰে। অনুষ্ঠানত প্ৰকাশ কৰা ফলাফল অনুসৰি, JEE Main ২০২৬ ত মুঠ ২৭জন শিক্ষাৰ্থীয়ে ৮৯ পাৰ্চেণ্টাইল বা তাতোকৈ অধিক নম্বৰ লাভ কৰে। ইয়াৰে এজন শিক্ষাৰ্থীয়ে উল্লেখযোগ্যভাৱে ৯৯.৭০ পাৰ্চেণ্টাইল লাভ কৰে, আনহাতে ৬জন শিক্ষাৰ্থীয়ে ৯৮ পাৰ্চেণ্টাইল বা তাতোকৈ অধিক নম্বৰ লাভ কৰে। তদুপৰি ২৬ জনে ৯০ পাৰ্চেণ্টাইল বা তাতোকৈ অধিক আৰু ৫২ জনে ৮০ পাৰ্চেণ্টাইল বা তাতোকৈ অধিক নম্বৰ লাভ কৰে। কেইবাজনো শিক্ষাৰ্থীয়ে JEE Advancedৰ বাবেও যোগ্যতা অৰ্জন কৰে, যি এক গুৰুত্বপূৰ্ণ শিক্ষাগত মাইলষ্টোন হিচাপে পৰিগণিত হৈছে। এইবছৰ ডিব্ৰুগড় জিলাই ৰাজ্যজুৰি বিশেষ সফলতা অৰ্জন কৰে। কৌশিক ৰঞ্জন নাথে ৯৯.৭০ পাৰ্চেণ্টাইল লাভ কৰি শীৰ্ষস্থান দখল কৰে, যিয়ে ৰাষ্ট্ৰীয় স্তৰত অঞ্চলটোৰ বৰ্ধিষ্ণু শিক্ষাগত উৎকৰ্ষৰ প্ৰতিফলন ঘটায়। দেশজুৰি প্ৰায় ১৩ লাখ প্ৰাৰ্থীৰ মাজত প্ৰতিযোগিতাৰ মাজতো কেইবাজনো শিক্ষাৰ্থীক বিশেষভাৱে সন্মান জনোৱা হয়। উল্লেখযোগ্য কৃতীসকলৰ ভিতৰত আছিল— আৰ্যন যাদৱ (৯৮.৬১ পাৰ্চেণ্টাইল), সুপ্ৰতীন দেব (৯৮.৪৬ পাৰ্চেণ্টাইল), নৱৰাজ কছাৰী (৯৮.৩৩ পাৰ্চেণ্টাইল), মেধাংশ কেজৰিওৱাল (৯৭.৯২ পাৰ্চেণ্টাইল), হিমাংশু দেব আৰু মহন্ত (৯৭.৭৯ পাৰ্চেণ্টাইল) আদি। ৯৯.৭০, ৯৮.৯৬, ৯৮.৮৪ আৰু তাতোকৈ অধিক পাৰ্চেণ্টাইল লাভ কৰা শিক্ষাৰ্থীসকলক মঞ্চত সম্বৰ্ধনা জনোৱা হয়। অধ্যাপকসকলে উল্লেখ কৰে যে এইবছৰৰ ফলাফল পূৰ্ববৰ্তী বছৰসমূহতকৈ অধিক উন্নত হৈছে। অনুষ্ঠানত প্ৰদান কৰা প্ৰতিষ্ঠানিক তথ্য অনুসৰি, বিগত কেইবাবছৰত ছাত্ৰ-ছাত্ৰীসকলৰ সাফল্য ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে। ২০২৫ চনত এই প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীসকলে AIIMS, IIT, NIT আৰু ৰাজ্যিক চিকিৎসা মহাবিদ্যালয়সমূহত ভৰ্তিৰ সুযোগ লাভ কৰিছিল। শিক্ষকৰা এই সফলতাৰ আঁৰত শৃঙ্খলাবদ্ধ শিক্ষাগত পৰিৱেশ, সুচিন্তিত প্ৰস্তুতি সূচী আৰু নিয়মীয়া মক টেষ্ট আৰু অনুশীলন পৰীক্ষাৰ ভূমিকা উল্লেখ কৰে। শিক্ষকসকলে আত্মবিশ্বাস গঢ়ি তোলা, মানসিক চাপ নিয়ন্ত্ৰণ আৰু কৌশলগত প্ৰস্তুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ছাত্ৰ-ছাত্ৰীসকলক বিফলতাকো উন্নতিৰ সুযোগ হিচাপে ল'বলৈ উৎসাহিত কৰা হয়। প্ৰতিষ্ঠানটোৱে তেজপুৰ আৰু যোৰহাটত নতুন কোচিং কেন্দ্ৰ স্থাপনৰ লগতে ডিব্ৰুগড়ত অধিক শক্তিশালী কাৰ্যকলাপ আগবঢ়োৱাৰ পৰিকল্পনাও ঘোষণা কৰে। অনুষ্ঠানৰ শেষত ধন্যবাদ জ্ঞাপন আৰু আশাবাদী বাৰ্তাৰে সমাপ্তি ঘটে। অসমৰ পৰা ভৱিষ্যতৰ ইঞ্জিনীয়াৰ, চিকিৎসক আৰু পেছাদাৰী নাগৰিকসকল গঢ়ি তুলিবলৈ সকলোৰে মিলিত প্ৰচেষ্টাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰা হয়। অবিৰত অধ্যৱসায়, সমন্বয় আৰু কৌশলগত প্ৰস্তুতিৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলে ভাৰতৰ প্ৰতিযোগিতামূলক শিক্ষাক্ষেত্ৰত নিজৰ উপস্থিতি অধিক শক্তিশালী কৰি তুলিছে।

## ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান সন্মত ধাৰণা আৰু প্ৰয়োগ অধিক সুদৃঢ় কৰি বৈজ্ঞানিক মনোভাৱ গঢ়ি তুলিবলৈ আহ্বান

# পি এম শ্ৰী বিদ্যালয়সমূহৰ মাজত প্ৰকল্প ভিত্তিত শিকন প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ শিক্ষা, তিনিচুকীয়া জিলাৰ উদ্যোগত তিনিচুকীয়া নগৰ শিক্ষা খণ্ডৰ অন্তৰ্গত পি এম শ্ৰী বিদ্যালয়সমূহৰ মাজত আজি প্ৰকল্প ভিত্তিত শিকন (Project Based Learning) পদ্ধতি বিষয়ত এক প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দুৰ্গাবাড়ী শিশু উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, তিনিচুকীয়া জিলাৰ শৈক্ষিক সমন্বয়ক আকাশ গগৈয়ে। তিনিটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাখনিত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, তিনিচুকীয়া জিলাৰ শৈক্ষিক সমন্বয়ক আকাশ গগৈ আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, গুইজান খণ্ডৰ সমন্বয়ক দেৱাশিস ফুকনে বিচাৰক হিচাপে উপস্থিত থাকি নিখুঁত বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে তিনিওটা শাখাতে প্ৰথম আৰু দ্বিতীয় স্থান প্ৰাপ্ত সকলক জিলা পৰ্যায়ত অনুষ্ঠিত হ'ব লগা



প্ৰতিযোগিতালৈ নিৰ্বাচিত কৰে। দুয়োগৰাকী বিচাৰকে শিক্ষাৰ্থীসকলক উত্তম বিজ্ঞান আৰ্হি বা প্ৰকল্প প্ৰস্তুত কৰাৰ ক্ষেত্ৰত মৌলিক চিন্তা, বৈজ্ঞানিক পদ্ধতি, ব্যৱহাৰিক প্ৰয়োগ, উপযুক্ত তথ্য বা সমল সংগ্ৰহৰ লগতে উপস্থাপনৰ কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। খণ্ড সমল ব্যক্তি জাহ্নবী ফুকনে আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু জিলা মিচন সমন্বয়ক বিন্তী শৰ্মা, জিলা আঁচনি বিষয়া মণিমা ভট্টাচাৰ্য, বিদ্যালয়সমূহৰ উপ পৰিদৰ্শক তথা খণ্ড মিচন সমন্বয়ক বব বৰগোহাঁই, বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ তথ্য বিশ্লেষক অনুজ প্ৰতীম গোহাঁই উপস্থিত থাকি ছাত্ৰ- ছাত্ৰীসকলক বিজ্ঞান সন্মত ধাৰণা আৰু প্ৰয়োগ অধিক সুদৃঢ় কৰি বৈজ্ঞানিক মনোভাৱ গঢ়ি তুলিবৰ বাবে আহ্বান ৰাখে। দিনজোৰাকৈ অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিৰ সফল ৰূপায়ণত সহযোগিতা আগবঢ়ায় তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়া, দুৰ্গাবাড়ী শিশু উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ মজুমদাৰৰ লগতে শিক্ষক শিক্ষয়িত্ৰীসকলে। প্ৰতিযোগিতাৰ শেষত প্ৰতিগৰাকী প্ৰতিযোগীক একোখনকৈ মানপত্ৰ আৰু দলগত ভাৱে একোটিকৈ স্মাৰক প্ৰদান কৰা হয়। প্ৰাথমিক পৰ্যায়ত পি এম শ্ৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়ে প্ৰথম স্থান আৰু দ্বিতীয় স্থান লাভ কৰে। উচ্চ প্ৰাথমিক পৰ্যায়ত প্ৰথম স্থান পি এম শ্ৰী সৰ্বজনীন উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু দ্বিতীয় স্থান পি এম শ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়, মাধ্যমিক পৰ্যায়ত প্ৰথম স্থান পি এম শ্ৰী সৰ্বজনীন উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু দ্বিতীয় স্থান পি এম শ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ে লাভ কৰে।

# দুধনৈস্থিত গোৱালপাৰা ডায়েট চৌহদত অসম চৰকাৰৰ বিত্তীয় সাহায্যত নতুন ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যখনত থকা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান(ডায়েট) সমূহক উৎকৃষ্ট কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ তাৰে অংশস্বৰূপে আজি দুধনৈত থকা গোৱালপাৰা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান(ডায়েট)ৰ চৌহদত নতুনকৈ নিৰ্মাণ কৰিব লগা গৃহৰ আধাৰশিলা স্থাপন কৰা হয়। অসম চৰকাৰে আবণ্টন দিয়া ১০ কৌটি ৩৯ লাখ টকা ব্যয় সাপেক্ষ নিৰ্মাণ কৰিব লগা অত্যাধুনিক সকলো সা-সুবিধা সম্পন্ন ভৱনটোৰ আধাৰশিলা স্থাপন কৰে ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। আধাৰশিলা স্থাপনৰ অন্তত ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জাফৰ আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি কয় যে চৰকাৰে ডায়েট সমূহক উন্নত শিক্ষা গ্ৰহণৰ বাবে উৎকৃষ্ট কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া নিশ্চয় এক উল্লেখযোগ্য পদক্ষেপ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে ৰাজ্যখনত এনে ধৰণৰ গৃহ নিৰ্মাণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক উন্নত মানদণ্ডৰ শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহ বৃদ্ধি কৰিব। গোৱালপাৰা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান(ডায়েট) দুধনৈৰ অধ্যক্ষ সীমন্ত বৰঠাকুৰে চৰকাৰৰ এই প্ৰচেষ্টাৰ শলাগ লয় আনহাতে ইয়াৰ দ্বাৰা দুধনৈত থকা গোৱালপাৰা ডায়েটখনত শিক্ষাৰ এটা ভাল পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে প্ৰশিক্ষাৰ্থী সকলক গুণগত মানৰ শিক্ষা প্ৰদানৰ সহায়ক হৈ উঠিব বুলিও কয়। অৱসৰ প্ৰাপ্ত অধ্যক্ষ জাফৰ আলী আহমেদে সভাপতিৰ ভাষণত এই ভৱনটো সম্পূৰ্ণ হৈ উঠিলে ডায়েটৰ দীৰ্ঘদিনীয়া সমস্যা দূৰ হ'ব বুলি কয়। ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন অনুষ্ঠানত দুধনৈ শিক্ষাখণ্ডৰ শিক্ষা বিষয়া উপৰিও লগতে ডায়েটৰ শিক্ষক শিক্ষয়ত্ৰী ছাত্ৰ-ছাত্ৰী আৰু দুধনৈৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মাজুলী জিলা "গভৰ্ণৰ অসম কিশোৰী সন্মান সংকল্প" অনুষ্ঠানত গঠন হ'ল কিশোৰী ক্লাৱ

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ফেব্ৰুৱাৰী ঃ** নাৰী সকল সমাজৰ অবিচ্ছেদ্য অংগ, এটা এৰাব নোৱাৰা বিষয় - এই গুৰুত্বপূৰ্ণ কথাখিনি নৱ-মূল্যায়ণ কৰি কিশোৰীসকলক সমাজৰ বিশেষ একোজন ৰূপে গঢ়ি তুলিবৰ বাবে অসমৰ ৰাজ্যপালে অসম চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰা বিশেষ পদক্ষেপ হ'ল- গভৰ্ণৰ অসম কিশোৰী সন্মান সংকল্প। ঈশ্বৰৰ অন্যতম শ্ৰেষ্ঠ সৃষ্টি হ'ল নাৰী। কিন্তু, নাৰীক অৱহেলা কৰা হয়। সেয়া, দূৰ কৰিবই লাগিব। এই পদক্ষেপে সেই লক্ষ্য বাটেৰে আগুৱাইছে বুলি ব্যক্ত কৰে মাজুলী জিলা-বিদ্যালয় সমূহৰ পৰিদৰ্শক লিপিকা



বুঢ়াগোহাঁইয়ে। কিশোৰী সকলক ৰাষ্ট্ৰ গঠনত প্ৰধান সেনানী ৰূপে গঢ়ি তুলিবলৈ আগুৱাই নিয়াৰ লক্ষ্য আগত ৰাখি আৰম্ভ কৰা "গভৰ্ণৰ অসম কিশোৰী সন্মান সংকল্প"ৰ আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে, জিলা পৰিদৰ্শকৰ কাৰ্যালয়ৰ সহযোগত জিলা ভিত্তিক অনুষ্ঠিত মাজুলীৰ কেন্দ্ৰীয় অনুষ্ঠানত মুখ্য অতিথি ৰূপে তেখেতে অংশগ্ৰহণ কৰি এইদৰে কয়। পুৱা ১০ বজাত বিদ্যালয়ৰ চৌহদত "মহিলা সৱলীকৰণ আৰু কৈশোৰ"শীৰ্ষক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ১১ বজাৰ পৰা আউনীআটী সত্ৰ সেৱা সমিতিৰ প্ৰেক্ষাগৃহত মূল কাৰ্যসূচী আৰম্ভ হয়। আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰশান্ত দোলাকাষৰীয়া সভাপতিত্বত হোৱা সভাখনি বিদ্যালয়ৰ ছাত্ৰ বাবুল বেজ আৰু সহযোগী সকলৰ সমবেত সংগীত এটি বৰগীতেৰে আৰম্ভ হয়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাধ্যক্ষ কমল দত্তই সভাৰ আঁতধৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে। সভাত সমল ব্যক্তি ৰূপে মাজুলী জিলা মিছন সমন্বয়ক, মহিলা আৰু শিশু বিকাশ বিভাগ, মহিলাৰ সৱলীকৰণ জিলা কেন্দ্ৰৰ কুকি বৰুৱা, জিলা কাৰ্যসূচী সমন্বয়ক (পিএমএম ভি ৱাই আৰু বিত্তীয় সাক্ষৰতা বিশেষজ্ঞ) মহিলা আৰু বিকাশ বিভাগ, মহিলাৰ সৱলীকৰণ জিলা কেন্দ্ৰৰ ড° পল্লৱী মৰাঙে মূল ভাষণ প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি ৰূপে উদীয়মান লেখক, পৰিৱেশ কৰ্মী, জিলা বিদ্যালয় সমূহৰ কৰ্মচাৰী কুশদীপ হাটীমতাই কিশোৰীসকলৰ শক্তিৰ বিষয়ত ভাৰতৰ ইতিহাসৰ ৰঙীন পৃষ্ঠাৰ উদাহৰণ দি ছাত্ৰীসকলক নিজৰ কৰণীয় বিষয়ত উৎসাহিত কৰে। বিদ্যালয়ৰ এগৰাকী ছাত্ৰী মল্লিকা মেধিৰ দশাৱতাৰ নৃত্যৰ অনুষ্ঠানে সকলোকে মোহিত কৰে। সভাত অতিথি ৰূপে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি যুগল ভূঞা, অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন বৰা উপস্থিত থাকে। বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অমিয়া বৰঠাকুৰে এটি কবিতাৰ যোগে মহিলাৰ শক্তি দাঙি ধৰে, সমাজকৰ্মী জগত হাজৰিকাই মহিলা সৱলীকৰণ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আচঁনিয়ে সমাজলৈ বৈপ্লৱিক পৰিৱৰ্তন সূচনা কৰিবলৈ সক্ষম হৈছে বুলি ভাষণত ব্যক্ত কৰে। ছাত্ৰ ছাত্ৰীসকলৰ পৰা একাদশ শ্ৰেণীৰ ৰশ্মিৰেখা বৰা, তৃষ্ণা বৰা আৰু শিখা দাসে মহিলা সৱলীকৰণৰ বিষয়ত একোটা ভাষণ দিয়ে। সভাতেই আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ "কিশোৰী ক্লাৱ" গঠন কৰা হয়। নৱ গঠিত এই ক্লাৱক উৎসাহিত কৰিবলৈ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় ভ্ৰমণেৰ কাৰ্যসূচী আৰম্ভ কৰা হ'ব বুলি উপাধ্যক্ষ গৰাকীয়ে ঘোষণা কৰাৰ পিছতেই সমল ব্যক্তি কুকি বৰুৱাই তেখেতসকলৰ বিভাগৰ দ্বাৰা এই ক্লাবৰ সদস্য সকলক ভ্ৰমণ আৰু অন্যান্য পদক্ষেপ হাতত ল'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। পুৱাবেলা অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত বিজয়ী ৰঞ্জন বৰা, প্ৰিঞ্চিপ্ৰিয়া ভৰালী আৰু মিতালী নেওগক ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰদানৰ লগতে বিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক খেল-ধেমালিৰ পুৰস্কাৰ বিতৰণ শুভাৰম্ভ কৰি বৰ্ষ শ্ৰেষ্ঠ দুগৰাকী খেলুৱৈ গীতালী দাস আৰু বৰ্ণালী দাসক প্ৰদান কৰে পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঁইয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি যুগল ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাখনি আঁতধৰে শিক্ষক নয়নজ্যোতি দত্ত, মৃণ্ময় হাজৰিকা আৰু দিপাংকৰ গগৈয়ে।

## ২৫ জানুৱাৰীত মুখ্যমন্ত্ৰীৰ ডুমডুমা ভ্ৰমণৰ দিনাই ৰাজপথত যান-বাহন নিয়ন্ত্ৰণেৰে দৃষ্টি আকৰ্ষণ কৰিছিল সকলোৰে

# দৰ্জী দীপক দাসক সম্বৰ্দ্ধনা তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ ফেব্ৰুৱাৰী ঃ** মাকুম জংচনৰ দীপক দাসৰ আজি আনন্দৰ সীমা নাই। কাৰণ তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আই পি এছ মায়ংক কুমাৰে তেওঁক মাতি পঠাইছে তেওঁৰ কাৰ্যালয়লৈ। খবৰটো পায়েই মানুহজন ৰ'বই পৰা নাই। পৰিয়াল, আত্মীয়-কুটুম, শুভাকাংক্ষী সকলোকে এফালৰ পৰা এই ভাল খবৰটো জনালে। আজিৰ দিনটো তেওঁৰ বাবে এটা বিশেষ স্মৰণীয় দিন। পুত্ৰ দীপাংকৰ আৰু কন্যা মোহিনীৰো যেন আজি আনন্দৰ সীমা নাই। দেউতাকক জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকে সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যেৰে মাতি পঠাইছে। তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰে তেওঁৰ চৰকাৰী কাৰ্যালয়ত আজি দৰ্জী, সমাজকৰ্মী, দীপক দাসক এখনি সম্বৰ্দ্ধনা পত্ৰ, নগদ তিনি হেজাৰ টকাৰে সম্বৰ্দ্ধনা জনায় দীৰ্ঘদিনে সমাজলৈ আগবঢ়াই অহা তেওঁৰ নিঃস্বাৰ্থ সমাজসেৱাৰ বাবে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে আজি দীপক দাসক প্ৰশংসাৰে ওপচাই পেলায়। আৰক্ষী অধীক্ষকগৰাকীৰ প্ৰশংসাত দীপক দাসৰ একপ্ৰকাৰ চকুলো বাগৰে,

## 'অসম বাৰ্তা'ৰ বাতৰিৰ প্ৰভাৱ

কাৰণ জীৱনত একো নহলেও অন্ততঃ চৰকাৰৰ পৰা স্বীকৃতিৰ দৰে কিবা এটা যে পাইছে। ইয়াতকৈ আৰু ডাঙৰ কথা কি হ'ব পাৰে? ৫৮ বছৰীয়া জীৱনত ই এক বিৰল প্ৰাপ্তি। বিগত প্ৰায় ২৫ বছৰে দীপক দাসে মাকুমৰ ৰাজপথত প্ৰতিদিনে এগৰাকী যান-বাহন আৰক্ষীৰ ভূমিকাত অৱতীৰ্ণ হৈ ৰাজপথত যান-বাহনৰ ভিৰত একপ্ৰকাৰ অসহায় হৈ পৰা স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু পথাচাৰীক কিঞ্চিৎ হ'লেও সহায়ৰ হাত আগবঢ়াই আহিছে সম্পূৰ্ণ নিঃস্বাৰ্থ তথা সমাজসেৱাৰ মনোভাৱেৰে। পুৱাৰ পৰা আবেলিলৈ সদাব্যস্ত মাকুম পুলিচ পইণ্টৰ কাষৰ এখন বন্ধ ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাৰাণ্ডাতে এটি পুৰণি চিলাই মেচিন লৈ গ্ৰাহকৰ কাপোৰ চিলোৱাৰ কাম কৰি দুপইচা উপাৰ্জন কৰি পত্নী, পুত্ৰ-কন্যাসহ চাৰিজনীয়া পৰিয়ালটি কোনোমতে চলাই নিয়া দীপক দাসে আৱেলি হ'লেই এযোৰ খাকী পোছাকত ৰাজপথত স্থানীয় মাকুম আৰক্ষীৰ সৈতে যান-বাহন নিয়ন্ত্ৰণত বিগত প্ৰায় ২৫ বছৰে সহযোগিতা আগবঢ়াই অহা দীপক দাসে কোনোদিনেই বিচৰা নাছিল কোনো চৰকাৰী স্বীকৃতি। অৱশ্যে এইক্ষেত্ৰত চৰকাৰৰো দৃষ্টি পৰা নাছিল দীপক দাসৰ প্ৰতি। বিগত দুটা দশকৰো অধিক সময় দীপক দাসে যি কৰি আহিছে, সেয়া নিঃসন্দেহে প্ৰশংসাৰ যোগ্য, অনুকৰণীয়। দীপক দাসৰ ত্যাগক চৰকাৰে কেতিয়াকৈ স্বীকৃতি দিয়ে তালৈ অকণো গুৰুত্ব নিদি দীপক দাসে মাথোঁ কৰি গৈছে নিজৰ কাম। লক্ষ্য পুত্ৰ-কন্যাক মানুহ কৰা। কাৰণ একাদশ শ্ৰেণীত অধ্যয়নৰত পুত্ৰ দীপাংকৰে যোৱা মেট্ৰিক পৰীক্ষাত দুটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উৰ্ত্তীণ হৈছে। কন্যা মোহিনী এইবাৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী। পঢ়া-শুনাই দুয়ো মেধাৱী। দীপক দাসৰ ইয়াতেই আছে একপ্ৰকাৰ আত্মসন্তুষ্টি। পঢ়ি-শুনি পুত্ৰ-কন্যাই এদিন ভাল মানুহ হ'ব, নিজৰ লগতে সমাজৰ ভাল কাম কৰক - দীপক দাসৰ এয়াই আশা। উল্লেখযোগ্য যে, 'অসম বাৰ্তা'ৰ যোৱা ২৬ জানুৱাৰীৰ সংখ্যাত দীপক দাসৰ সন্দৰ্ভত এই প্ৰতিবেদকে এক প্ৰতিবেদন প্ৰস্তুত কৰিছিল। শিৰোনাম আছিল - "চিলাই মেচিন এৰি খাকী পোছাকত ৰাজপথত যান-বাহন নিয়ন্ত্ৰণত ব্যস্ত দৰ্জী দীপক দাস; মুখ্যমন্ত্ৰীৰ ডুমডুমা ভ্ৰমণৰ দিনাই মাকুমৰ দীপক দাসে দেখুওৱালে অনন্য নিদৰ্শন।" উক্ত বাতৰি প্ৰকাশ হোৱাৰ পাছতেই স্থানীয় মাকুম আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ হতুৱাই তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক কাৰ্যালয়ে দীপক দাসক মাতি পঠাইছিল। জনাইছিল ধন্যবাদ আৰু অভিনন্দন। আৰু অৱশেষত আজি জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে নিজ কাৰ্যালয়লৈ মাতি নি প্ৰশংসা পত্ৰৰে সম্বৰ্দ্ধনা জনোৱাত আনন্দত আত্মহাৰা হৈ পৰিছে দীপক দাসে। এই সন্দৰ্ভত 'অসম বাৰ্তা'ৰ আগত দীপক দাসৰ কয় এনেদৰে "আৰক্ষী অধীক্ষক মহোদয়ে মোক মাতি নি আজি যি সন্মান যাচিলে, সেয়া কেতিয়াও পাহৰিব নোৱাৰোঁ। বহুদিনৰ আগতেও এবাৰ এনেদৰে তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক মহোদয়েও অনুৰূপ ধৰণে সন্মান যাচিছিল মোক। ভাল লাগে যেতিয়া এনেকুৱাকৈ সন্মান পোৱা যায়। মোৰ কৰ্তব্য আগলৈও মই কৰি যাম। স্বীকৃতি পোৱা-নোপোৱাতো পিছৰ কথা। নিজৰ কামটোহে আচল কথা।"

# প্ৰতিষ্ঠাকালৰ অধ্যাপক ৰুদ্ৰকান্ত ঝাৰ পৰলোক, মাজুলী মহাবিদ্যালয়ৰ গভীৰ শোক

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ফেব্ৰুৱাৰী ঃ** মাজুলী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰতিষ্ঠাকালৰ অধ্যাপক, বিহাৰৰ মধুৱনী জিলাৰ ৰৈয়াম গাঁও নিবাসী ৰুদ্ৰকান্ত ঝাৰ কালি বিয়লি নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হোৱাৰ সংবাদ পোৱাৰ পাছতে আজি মহাবিদ্যালয়ত গভীৰ শোকৰ ছাঁ পৰে। সুদূৰ বিহাৰৰ পৰা ১৯৬৬ চনতে আহি মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়োৱা ৰুদ্ৰকান্ত ঝাই ২০০২ চনৰ ৩১ আগষ্টত অৱসৰ গ্ৰহণ কৰিছিল। প্ৰতিষ্ঠাকালীন সময়ৰ আওহতীয়া নদীদ্বীপ মাজুলীত উচ্চ শিক্ষাৰ বাটকটীয়াৰ ভূমিকাত অৱতীৰ্ণ হোৱাসকলৰ অন্যতম হিচাপে সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হোৱা বিদ্বান আৰু মাজুলীপ্ৰেমী লোকগৰাকীৰ বিয়োগৰ শোকত ম্ৰিয়মাণ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলে এখন শোকসভা অনুষ্ঠিত কৰে। সভাৰ পূৰ্বেই ৰুদ্ৰকান্ত ঝাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া প্ৰমুখ্য শিক্ষক-কৰ্মচাৰীসকলে। মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি অধ্যাপক ড° ব্ৰজেন চন্দ্ৰ নেওগে আঁত ধৰা শোকসভাত আদৰ্শ শিক্ষকগৰাকীৰ স্মৃতিচাৰণ কৰি অধ্যক্ষ তথা প্ৰয়াত শিক্ষাবিদগৰাকীৰ ছাত্ৰ ড° দেৱজিৎ শইকীয়াই কয়, "অধ্যাপক ৰুদ্ৰকান্ত ঝা আছিল নীতিয়ে-আদৰ্শই এগৰাকী শিক্ষাগুৰু। শিক্ষাৰ্থীক নিজৰ পুত্ৰৱৎ জ্ঞান কৰি যত্নেৰে শিক্ষাদান কৰা ঝাই এখন আদৰ্শ মাজুলী গঢ়াৰ সপোন দেখিছিল বাবেই মাজুলী মহাবিদ্যালয়তে থাকি প্ৰায় ৩৬ বছৰ কাল শিক্ষকতা কৰিছিল।" ড° শইকীয়াই লগতে ৰুদ্ৰকান্ত ঝাৰ আদৰ্শ ভৱিষ্যত প্ৰজন্মৰ বাবে পাথেয় হোৱা উচিত বুলি উল্লেখ কৰে। প্ৰয়াত অধ্যাপকগৰাকীৰ ব্যক্তিত্ব আৰু প্ৰজ্ঞা সম্পৰ্কে আলোকপাত কৰি তেওঁ প্ৰাক্তন ছাত্ৰ তথা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক আৰু মুৰব্বী অপূৰ্বজ্যোতি হাজৰিকা আৰু অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহযোগী অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰাই মহানুভৱ শিক্ষাৱিদ ৰুদ্ৰকান্ত ঝাই মাজুলীৰ উচ্চশিক্ষাৰ ক্ষেত্ৰখনতে ইংৰাজী শিক্ষাৰ ভেটি নিৰ্মাণ কৰি থৈ গ'ল বুলি কয়। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলে, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, মহিলা সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, সম্পাদিকা ড° অনন্যা বৰুৱা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থকা সভাখনত ৰুদ্ৰকান্ত ঝাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে এক মিনিট সময় মৌনতা অৱলম্বন কৰি শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। শিক্ষাবিদগৰাকীৰ আকস্মিক বিয়োগৰ সংবাদ পাই মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সম্পাদক ড° দেৱজ্যোতি ভট্টাচাৰ্য, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক সদানন্দ ৰেগন, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, 'আপকু'ৰ মাজুলী জিলাৰ সমিতিৰ সভাপতি ৰঞ্জন বৰা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন